# নিৰ্য্যাতিতা

GOVERNMENT OF ASSAM
Call No
GAUHATI.
DISTRICT LIBRARY.

মধুৰা ডেকা

নব সাহিত্য প্ৰকাশ ভৱন

গুৱাহাটী
গণ সাহিত্য প্ৰকাশ ভৱনৰ
পৰা প্ৰকাশিত।

১ম প্ৰকাশ
১৯।৭।৫৭

মূল্য — পকাবন্ধা — তিনি টকা
কেঁচাবন্ধা — আঢ়ৈ টকা

গুৱাহাটী জয়ন্তী আর্ট প্ৰেছত
শ্ৰীচিত্ৰঞ্জন ডেকাৰ দ্বাৰা মুদ্ৰিত।

DISTRIC… ASSAM. GAUHATI

# আগ কথা

বিপ্লৱীচৰ গণ আন্দোলন শেষ হ'ল।

অৱশেষত ঘৰৰ লৰা ঘৰমুৱা হ'লো।

কি কৰো কি নকৰো ঠাৱৰ কৰিব নোৱাৰাত পৰিলো।

বিদ্যালাভত অন্তৰায় আছিল। দেশ ভ্ৰমিলো। সাম্প্ৰদায়িক হাঙ্গামা আৰম্ভ হল।

আকৌ সেই বিভিষিকা। নৰহত্যা। মানুহৰ তেজ লৈ মানুহৰ তামচা। ব্যস্ত পৃথিৱীৰ হত্যাকাণ্ড যেন এটা কথাৰ কথা নহয়। পঞ্চশীলাৰ বাণী কাৰো কাণত নোসোমাল।

ভাৰত বিভাজনৰ অভ্যুদয়।

তাৰ পিচত বৃটিছ পাৰ্লিয়ামেণ্টত প্ৰস্তাৱ গৃহীত কৰি ভাৰতক স্বাধীনতা দিলে।

স্বাধীনতা লাভত দেশৰ কংগ্ৰেচী সকলৰ হুলস্থুল হাহাকাৰ লাগিল।

কি কৰিব, কি নকৰিব। কাক দিব কাক নিদিব!

স্বাধীনতাত হেনো আমাৰ ভাগ নাই।

আনন্দ নেপালেও আপত্তি নাই।

স্বাধীনতাৰ জয়হিল্লোল আঁতৰিব ধৰিলে। লাহে ধীৰে মানুহৰ মন চৈতাৰ ধৰিলে।

নানা চেষ্টা, বৃহত্তৰ বঙ্গৰ অপচেষ্টা, সন্ধি—অভিসন্ধি কৌশল অসমীয়াৰ চকুত পৰিল।

নগৰে গাৱে এটা নিস্তেজ নীৰৱ অহিংসাবাদৰ সুৰত কথিত প্ৰাদেশিক আন্দোলনৰ সূচনা হ'ল। কোনো বে... বন্দীশালত সোমাল। কোনোৱে বন্দুকৰ গুলীত ঘাইল হ'ল। অসম অসমীয়াৰ ধ্বনীত প্ৰতিধ্বনীত হ'ল।

তেতিয়াৰে কথা—

এখন নাট মঞ্চস্থ কৰাৰ অৰ্থে বন্ধুবৰ হৰেণ দাস, ... মুৰলী চৌধুৰী দীন শৰ্মা আৰু মই ওলালো। মনোমত নাটক নাই। ক'তো নেপালো। মই এখ... আৰু সেইখন মঞ্চস্থ কৰিম। আৰম্ভ কৰিলোঁ। ...দিনৰ পৰিশ্ৰমত লিখা শেষ হ'ল। পটি চাও যে কি হ'ল বুজি নেপাও, নহল নাট, নহল উপন্যাস, নহল বুৰঞ্জী স্বনাম ধন্য প্ৰতিভাশালী সাহিত্যিক দুই চাৰিজনক পটি চাবলৈ দিলো। যি জনকে পঢ়িব দিলো, তেওঁৰ কথাল প্ৰাণ পৰা মোৰ লিখনি উদ্ধাৰ কৰোতে কোনো ক্ষেত্ৰত দুমাহ কোনো ক্ষেত্ৰত এবছৰ লাগিল। অশেষ যত্ন আৰু অসী ধৈৰ্য্যৰে সৈতে লাগি থকাত হাতলৈ আহিল। প্ৰকাশক ওচৰলৈ গ'লো। আমাৰ কিতাপ ছেনো ছপা কৰাৰ লা নাই। হাতত নাই ধন। জপাত সুমুৱাই থলো।

আকৌ ছপাৱৰ মন গ'ল। পুনৰ অশেষ কষ্ট ... কৰি নকল কৰি উলিয়ালো। জয়ন্তী আৰ্ট প্ৰেছত ...

খনেৰে মৈতে ১৯৫৪ চনৰ ১ মাৰ্চ তাৰিখে দিলোঁ।
িৰ মেনেজাৰ মফলিল আৰু প্ৰেছৰ বহু কিমা নিবি
ন। ইয়াৰ ভিতৰত মোৰ কেবাখনো কিতাপ লিখা
ল আৰু কেবাখনো ছপা হ'ল।

অসমীয়া জাতিৰ জীৱন্ত চিত্ৰ এটি দাঙি ধৰাৰ 'আহুকল
য়াস আছিল। দিনে ৰাতি লিখি গলোঁ। শেষত পঢ়ি
ই বুজি পালো, অসমীয়াৰ নিৰ্য্যাতনৰ ধাৰাবাহিক ইতিহাসৰ
মলিকা। একো নহলেও মোৰ ভাল লাগিল। ভাষা
হু শুমুৱালোঁ। চৰিত্ৰৰ সীমা সংখ্যা নাই। পুথি খনত
বিত্ৰযোগে ক্ৰীয়া আৰু নিষ্ক্ৰীয়া দুয়োবিধকে প্ৰকাশ কৰিবলৈ
য় কৰা হৈছে।

পুথিৰ বিষয় বেলে, নিৰ্য্যাতনৰ কৰাল গ্ৰাসৰ পুথিখনি
য়ও তেনে নিৰ্য্যাতন ভুগীলে। সেয়ে ***"নিৰ্য্যাতিতা"*** নাম
াখিলো।

'৪৭ ৰ পৰা আজি দহ বছৰ। সংশোধন কৰিবলৈ বহুতো আছিল। আজি সংশোধন কৰিবলৈ গলে মূল কিতাপৰ আমোল পৰিবৰ্ত্তন হৈ পৰে। তেতিয়াৰ ভাব এতিয়া আৰু নাই। নিজৰ পৰিৱৰ্ত্তনো হ'ল, বহুত দেশৰো পৰিবৰ্ত্তন হ'ল। ধনী দুখীয়া হ'ল। দুখীয়া ধনী হ'ল। গাওঁ নগৰ হ'ল। চহৰ কঁপৰা পৰিল। দেশদ্ৰোহী হ'ল দেশসেৱী। দেশসেৱী হ'ল স্বাৰ্থপৰ, লালায়িত আৰু বিয়ে মন নেমেলিলে
লাত তেল দেশাই কপৰীয়া পৰিল।... ছোৱালী বনী
হ'ল বুঢ়ী, বুঢ়ী হ'ল মাতৃ, যুৱক হ'ল মোৰ সংসাৰী।

আকৌ ভাৰত জুৰি গণ বিপ্লৱৰ অগণি জ্বলি উঠিল। '৪২ ৰ আন্দোলনত ক'গ্ৰেছী সকলক ইংৰাজ চৰকাৰে যি দৰে গুণ্ডা চোৰ ডকাইত আখ্যা দিছিল, সেই অভিনয়কে আখৰা দি ক'গ্ৰেছী চৰকাৰে কমিউনিষ্ট, অ কমিউনিষ্ট বিপ্লৱী পন্থী সকলক চোৰ গুণ্ডা ডাকু বুলি অভিহিত কৰিলে। বন্দুকৰ গুলীত বহু জখম হ'ল, বহু মৰিল, মিলিটেৰী অপাৰেচন আমি যে শুনো "অন্ধকূপ হত্যা কাণ্ড" তাতোকৈয়ো অমানুষিক ভাবে চলিল। ঢোল বজাবলৈ বাতৰি কাকত নাই, নাই ৰেডিঅ', নাই প্ৰচাৰ বিভাগ, মাথো থাকিল কাৰাগাৰৰ চেল।

স্বাধীনতা গণতন্ত্ৰৰ কথা বাটে ঘাটে, ঘৰে দুৱাৰে। ৰাষ্ট্ৰ ভাষা গ্ৰহণ নকৰিলে অসম যেন নেথাকে? দেৱনাগৰী বৰ্ণ মালাৰে অসমীয়া ভাষা ৰূপায়িত নহলে যেন সৰ্বনাশ। ভৱিষ্যত এন্ধাৰ। যেন নেফা' অসমৰ অঙ্গ হলে জনজাতি ভাই সকলৰ স্বাৰ্থত ক্ষতি হয়? অসমীয়া প্ৰাদেশিক ঠেক গণ্ডীৰ, সমুদাই চাকৰি লৈ পেলাব দেৱনাগৰী বৰ্ণৰে ৰাষ্ট্ৰ ভাষা শিক্ষা কৰিলে সহজতে শিক্ষিত সংস্কৃতায়ন হৈ পৰিব। অসমীয়া আৰু বা কিয় লাগে? সময়ৰ অপব্যয় খৰচ মাথো। সীমা আয়োগ আছে ত্ৰিপুৰাক দান দি যায়, কোচবিহাৰৰ দাবী অগ্ৰাহ্য কৰে।

তুহৰ জুই জ্বলি উঠে আকৌ, সমায়। কলিকতা বাৰ্কনিয়েই মধ্য ঠাই, তাতে তেল শোধানাগাৰ স্থাপন কৰাৰ সিদ্ধান্ত কৰে, অসমত বহু অসুবিধা

হৰতাল আন্দোলন গঢ়ি উঠে, জেললৈ সো শৰীৰেৰে যায় তথাপিতো শোধানাগাৰ লাগে।

কংগ্ৰেছী সকলে নিৰ্বাচনী কৌশল বুলি হাহি নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ কৰে

কলিকতাৰ পৰা বাকলিলৈ শোধানাগাৰৰ ঠাই পৰিবৰ্ত্তন হয় অসমীয়া কংগ্ৰেছী সকলে সাৰ পাই সোধে ঘটনা কি হল ভাৰতৰ জাতীয়তাৰ নামত জাতীয় নেতৃবৃন্দৰ মৌলিক আমী নিজৰ নিজৰ ঠাইক 'মহানগৰীত' পৰিণত কৰাৰ তলাপেটৰ কামোৰ কোনেও এৰা নাই।

মনৰ কথা মনতে মৰহিবলৈ নিদি বাইজৰ আগত "নিৰ্য্যাতিতাক" আগবঢ়ালোঁ। ভুল ভ্ৰান্তি বহু হ'ল। আনক দোষ দি লাভ নাই। ভবিষ্যতত সংশোধী কৰাৰ যত্নৰ আশা পাতিলোঁ। বেয়া পালেও উপায় নাই, ভাল পালে আনন্দ পাম।

সাহিত্য ৰথী ৺লক্ষ্মীনাথ বেজবৰুৱা দেৱৰ তিনিটি কবিতা নিৰ্য্যাতিতাত সন্নিবেশ কৰা হ'ল।

শ্ৰীমাধৱ কাকতি শ্ৰীনগেন দত্ত, শ্ৰীপুষ্প নাথ গোস্বামী, শ্ৰীৰজনী শৰ্ম্মা, মহম্মদ জমিৰুদ্দিন আহমদ, শ্ৰীপ্ৰভাত কলিতা, শ্ৰীমণ্ডধৰ শৰ্ম্মা আৰু শ্ৰীগজেন্দ্ৰ নাথ ডেকাৰ পৰা যথেষ্ট সহায় পোৱা বাবে কৃতজ্ঞতা জনালোঁ।

তপোবন
মনৰা
উনত্ৰিশ জুলাই ১৯৫৭ } মধুৰা ডেকা

# উদ্বোধনী

"আমি অসমীয়া, নহওঁ দুখীয়া, কিহৰ দুখীয়া হম ?
সকলো আছিল, সকলো আছে, শুনো নলওঁ গম।
শঙ্কৰে দিলে বিশুধ ধৰম, লাচিতে বাহুত বল,
সতী জয়মতীৰ সতীত্ব-তেজেৰে অসম সতী প্ৰবল।
বাজক ডবা, বাজক শঙ্খ বাজক মৃদং খোল,
অসম আকৌ উন্নতি পথত, জয় আই অসম বোল।

যতন কৰিলে সক বৰ হয় তামুলী মোমায়ে কলে
ৰজা হৈ বাম ৰজা হব পাৰি, ৰুদ্ৰ সিংহে দেখুৱালে।
শঙ্কৰা চাৰ্য্যৰ গুৰু অসমীয়া কমাৰিল ভট্ট নাম
'জগৎগুৰুৰো' গুৰু হব পাৰি, ভট্টই দেখালে কাম।
বাজক ডবা, বাজক শঙ্খ, বাজক মৃদ খোল,
অসম আকৌ উন্নতি পথত জয় আই অসম বোল।

ভাস্কৰ জেউতি ভাস্কৰ বৰ্ম্মা প্ৰাগজ্যোতিষৰ ৰজা
ভাৰতৰ ৰজাৰ আগশাৰী ললে, নহয় ই কথা সজা।
উত্তৰ ভাৰতৰ কেদাৰ ব্ৰাহ্মণ মহাবলন্ত ৰজা
কামৰূপ পতি শঙ্কলাদিৰে ঘটুৱালে কেনে বুজা।
বাজক ডবা, বাজক শঙ্খ বাজক মৃদং খোল,
অসম আকৌ উন্নতি পথত জয় আই অসম বোল।

চাৰি লাখ পদাতি, লাখ অশ্বাৰোহী, চাৰি হেজাৰেক হাতী
শঙ্কলাদিৰৰ বীৰ্য্য বিক্ৰমৰ ভাৰত বিৰূপা খ্যাতি।
লক্ষণাৱতী গৌৰ নগৰ আমাৰ শঙ্কলে কৰা
ৰাজধানী হৈ আছিল বঙ্গৰ চুহেজাৰ বছৰ জোৰা।
বাজক ডবা বাজক শঙ্খ, বাজক মৃদং খোল,
অসম আকৌ উন্নতি পথত, জয় আই অসম বোল।

তোমাৰে আনন্দ বকৰাই চোৱা। স কৃষ্ণ সাহিত্য মথি
ইউৰোপীয়াত কীৰিতি ৰাখিলে, জগতে কৈছে ভাতি।
তামুলী ফুকন শুনাতি বকৰা বৰ্জ্জী জ্ঞানত জ্ঞানী,
স্বাধীন ব্যৱসা, দেশৰ হিতত, জগন্নাথ মানিক মাণী।
বাজক ডবা, বাজক শঙ্খ, বাজক মৃদং খোল,
অসম আকৌ উন্নতি পথত, জয় আই অসম বোল।"

—— ..•:: ——

# নিৰ্য্যাতিতা

[তৃতীয় বাৰ মানৰ আক্ৰমণ]

(নেপথ্যত) আই ঐ বোপাই। মাৰিলে ঐ! মানে মাৰিলে, ৰক্ষা কৰা।

[মান সৈন্যৰ প্ৰৱেশ]

মান সেনাপতি—কাট, কাট। অহমীয়া মানুহৰ তেজ পি খা। কাকো নেৰিবি। অহমীয়া মানুহক কাটি মাৰি চাৰখাৰ কৰ। অহমীয়া জাতিক নিৰ্মূল কৰি দে।

[মান সৈন্যৰ প্ৰস্থান]

[অসমৰ মাজ অংশৰ গাঁৱত মান সৈন্যৰ আক্ৰমণত সকলো গাঁৱলীয়া পলাবলৈ সাজু হৈছে।]

[পলোৱা গাঁৱলীয়াৰ প্ৰৱেশ]

১ম গাঁৱলীয়া—হেৰৌ পলা পলা। দেৰি নকৰ।

২য় গাঁৱলীয়া—বোপাইত। পলাই ক'লৈ যাবা। মানৰপৰা ৰক্ষা পৰা আমাৰ নহ'ব। পলায়ে বা ক'ত সাৰিবা।

৩য় গাঁৱলীয়া—নহয়! নহয়। অসমৰ গাঁৱে ভূঁয়ে আমি লুকাই থাকি জীৱন ৰক্ষা কৰিব নোৱাৰিম। আমি একেবাৰে

ভাটিৰ ৰংপুৰৰ পিনে যাওঁ ব'লা। তেতিয়া হ'লে আমি জীৱন ৰক্ষা কৰিব পাৰিম।

(সকলোৱে একেলগে) হয়, হয়। ব'লা ব'লা।

(প্ৰস্থান)

[বাটৰ আৰণিৰ কাষত]

১ম মানসৈন্য—বেটা কলৈ পলাবি হো। ক। এতিয়া কলৈ যাবি। ভাবিছিলি তহঁতে আমাৰ হাতৰ পৰা পলাই সাৰিবি হো।

[গাওঁলীয়া জনসাধাৰণৰ চিঞৰ বাখৰ। প্ৰত্যেকেই প্ৰাণৰ আত্ৰাণিত নিজক ৰক্ষা কৰিবলৈ চিঞৰিছে। মাৰলে। ঔ। মানে খালে খালে ঔ। মানে খালে]

২য় মানসৈন্য—(এজন অসমীয়াক ধৰি) বেটা। ব'ল ব'ল।

(যাঠিৰে খুচি খুচি লৈ যায়)

[বাজ আলি। গাৱঁৰ বুঢ়া, ডেকা-গাভৰু মুনিহ, লৰা-ছোৱালী সকলোৱে নিজৰ নিজৰ সম্ভাৰ লৈ পলাবলৈ ধৰিছে]

১ম বুঢ়া—ক'লৈ যাবা! কলৈকে যাবা তাতেই পাবা মান। আৰু কিমান নো পলাবা। নিজৰ ঘৰ দুৱাৰ মাটি সম্পত্তি এৰি অনাই বনাই কিমান ঘূৰিবা! কোনেবা আশ্ৰয় দিব! আশ্ৰয় দিবলৈ বা আছে কোন। (হুমুনিয়াহ পেলায়)

২য় বুঢ়া—এবাৰ নহয়, দুবাৰ নহয়, একেবাৰে তিনিবাৰ। মানে লানি নিচিগাকৈ আক্ৰমণ চলাইছে। মোৰ বোপাই! সাতপুৰুষ মৰি গ'ল, এনেহেন যুদ্ধ দেখা নাই। এই বেলি

আক তৰিব নোৱাৰো। জীৱ জন্তুৰ মুখত যোৱাতকৈ নেথাই শুকাই মৰাতকৈ মানৱ হাতত মৰাই শ্ৰেয়। সিহঁতো মানুহ হে। সংসাৰত নো দুখ কষ্ট কিমান সহিবা ?

৩য় বুঢ়া—ঘৰৰ শত্ৰুই ঘৰ খালে। মোৱামৰীয়াহঁতৰ যুঁজ নলগাহেঁতেন এইপালি আমাৰ নহয়। ঘৰশ্ৰেুঁ যুঁজ কৰি দুৰ্ব্বল নহ'লে আমাৰ ৰজাই মানৰ আক্ৰমণক উফৰাই দিব পাৰ্ব্বিলেহেঁতেন। নহলে নো এনেই

( এজন খপৰাই মাত লগাই ক'লে শুনা শুনা। সকলোৱে নিতাল মাৰি শুনে )

১ম ডেকা—দৌৰা, দৌৰা, মান আহিছে। দৌৰা। পলম নকৰিবা।

১ম বুঢ়া—(থৈণীয়েকক কয়) দিয়া দিয়া। লৰাটোক মোকে দিয়া।

[ সকলোৱে দৌৰি পলায় ]

[ মান সৈন্যক অসমীয়া সৈন্যই আগভেটা দি ধৰিলে। দুয়োদলৰ মাজত তুমুল যুদ্ধ হ'ল যুঁজত অসমীয়া সৈন্য হাৰিল। কেবাজনো বন্দী হ'ল। বহু সৈন্য মৰিল। বন্দী কেইজনক চমটাৰে কোবাইলৈ গ'ল ]

মান সেনাপতি—দেকিছ, এই অহমীয়া মানুহবোৰৰ প্ৰতাপ। ইহঁতক মাৰিলেও নমৰে। বাৰে বাৰে হিহঁতে আমাক আগভেটা দি ধৰে। কি সাহ। ( হাঁহে )। প্ৰবাৰ এবাৰকৈ তিনিবাৰ আক্ৰমণ কৰোঁ, তথাপিতো ইহঁতৰ তেজ নমৰিল। এইবাৰ আক বৰ্ব্বৰহঁতৰ সচ নেৰাখিম। তহঁত যা! দলে দলে যা। ঘৰ, বাৰীত জুই লগাই দিবি, হাবি বননি সকলোতে জুই লগাই দিবি। ইহঁতে হাবিত লুকাই

থাকি থাকি আমাৰ লগত যুঁজ দিবলৈ আহে । নেৰিবি, কাকো নেৰিবি । লৰাছোৱালী, গৰ্ভৱতী তিৰোতা, ডেকা গাভৰু, বুঢ়াবুঢ়ী কাকো নেৰিবি । অহম দেশ শ্মশান কৰি বই লাগিব ।

[ মান সেনাৰ কোঠ । কোঠৰ ভিতৰত মিঙিমাহা সেনাপতি আৰু দুজনী অসমীয়া গাভৰু । বাহিৰত বহুতো ডেকা মানুহক হাত ভৰি বান্ধি থৈছে । মান সেনা কেইজন মানে মৰা কোইজনক কোবা ইছে আৰু কেইজন মানে বাহিৰত [illegible] আছে ]

মিঙিমাহা—হেঁা ! লাওপানী দে । ( সেনা এজনে এবটল মদ আনি কাপত ঢালি দিলে । সেনাপতিয়ে চেকু চোকুকৈ খায় আৰু গাভৰু এজনীক মদ খাতে ) লাহৰী, হো । ধৰ । খা লাওপানী ।

১ম গাভৰু—মই মদ নেখাওঁ । তইয়ে খা ।

মিঙিমাহা—খা, অ' লাহৰী, খা । নহলে বেয়া পাম ।

১ম গাভৰু—মৰিলেও মই নেখাওঁ । আমি কোনো কালেই ইয়াক খোৱা নাই । আজি কিয় খাম !

মিঙিমাহা—তহঁতে লাওপানীৰ মজা কি পাবি । ( ইকালে সিকালে ঘূৰি চাই ) লাহৰী, তই মোক ভাল পাবনে নেপাৱ । তোক হলে মই বৰ ভাল পাওঁ । ক লাহৰী ক । ( ১ম গাভৰু নিমাতে থাকে ) অ' বুজিছোঁ তই মোক ভাল নেপাৱ। তহঁতক মই আমাৰ দেশলৈ লৈ যাম । আৰু মোৰ তৈণী কৰি লম । মত দিবি নে নিদিয় ? ( নিইত নিমাতে থাকে) বাৰু । তহঁতে আজি মত নিদিলেও এদিন

দিব লাগিব। তহঁতক নি আমাৰ মানদেশৰ ৰাণী পাতিম।

আহ, লাহৰী। মোৰ কাষলৈ আহ।

[ মাজৰাতি। অসমীয়া বন্দি সকলক কাটি থৈ মান সেনাই গাওঁ আক্ৰমণ কৰে। গাৱঁলীয়া ৰাইজে চিঞৰ বাখৰ কৰে—মৰিলো ঔ! আ মৰিলোঁ। ৰক্ষা কৰা। ৰক্ষা কৰা। মানসেনাৰ মুখত বিকট হাঁহি ]

[ খুচি হানি মান সেনাই অসমীয়া মানুহক জাকে জাকে বান্ধি লৈ যাওঁতে অসমীয়া মানুহবোৰে দুখৰ হুমুনিয়াহ পেলায়। কিছুমানে কান্দে আৰু মান সেনাৰ কোৰচ” চিঞৰে ]

[ আলি বাটেৰে কিছুমান গাঁৱলীয়া দৌৰি দৌৰি পলাই ]

[ অসমীয়া মানুহ ধাৰবৰ কাৰণে মান সেনাই পিছে পিছে খেদিছে। ]

১ম মান সেনা—ধৰ, ধৰ।

২য় সেনা—পলাই তহঁতে ক'ত সাৰিবি?

[ কামৰূপৰ গাৱঁত কিছুমান ডেকাই মানৰ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ সাজু হৈছে। ঠায়ে ঠায়ে মানৰ আক্ৰমণৰ কথা আলোচনা কৰিবলৈ মানুহে জুম বান্ধিছে ]

১ম ডেকা—ভাইহঁত! অসম দেশ ৰক্ষা কৰাৰ ভাৰ আমাৰ মুষ্টিমেয় ডেকা কেইজনমানৰ ওপৰত। আমি পলম নকৰি যুঁজলৈ যাবৰ হৈছে। প্ৰত্যেকেই নিজৰ নিজৰ তৰোৱাল, যাঠি জোং লৈ ওলোৱা। যি কোনো প্ৰকাৰে আমি মানৰ অগ্ৰগতি প্ৰতিৰোধ কৰিমেই।

২য় ডেকা—ইয়াত আমি বহুপৰ দি থাকিলে নহব। বলা, আমি আমাৰ কাম কাজ কৰোঁগৈ।

৩য় ডেকা—ৰ'বা, যাওঁ বুলিলেইতো নহ'ব। কিদৰে যুদ্ধ কৰিম, ক'ত যুদ্ধ কৰা যাব, এইবোৰ সকলো ঠিক্ ঠাক্ কৰি ল'ব লাগিব।

৪র্থ ডেকা - এৰা হয়। আমি আজিৰ দিনটোও গাওঁবোৰত ঘূৰি আৰু কিছুমান মানুহ যোগাৰ কৰি লওঁ, আৰু সকলোবে নিজৰ নিজৰ সম্ভাৰৰ উপৰিও দহ বাৰ দিনৰ জা জলপান বান্ধি লৈ ওলাওঁ। ৰাতি সকলো জোৰাই মেল্ কিৰ ঘৰত লগ হৈ মানক আগভেটা দিবলৈ বৰ নদীৰ মুখলৈ যাওনা হ'ম।

৫ম ডেকা—আমাৰ যদি এই সময়ত ৰজা ঘৰ থাকিলহেঁতেন। (হুমুনিয়াহ পেলাই)। খালে বোপাই, বামুণৰ ফোঁটৰ কন্দলে আমাক খালে। আমাৰে ঘৰৰ মানুহ হৈ আমাৰে বৰফুকন হৈ বদনে বিদেশী বঙালক লগাই এই কামোৰ মাৰিব নেলাগিছিল।

৩য় ডেকা—এৰা, এৰা। সেইবোৰ এৰা। এতিয়া সকলোৱে নিজ নিজ গাৱঁলৈ গৈ ৰাতি ওলোবাৰ দিহা কৰোঁ। গৈ থাকা।

[ৰাতি বৰনদীৰ পাৰত মানক আগচি ধৰিবলৈ অসমীয়া সৈন্যৰ যাত্রা। সৈন্যসকলে নিজৰ অস্ত্র শস্ত্র লৈ যাওনা হ'ল।

(নেপথ্যত) যৰা, যৰা। এইয়ে সুযোগ। চাৰিও ফালৰপৰা একেলগে আক্রমণ চলোৱা।

[ কামানৰ গুৰুম গুৰুম্ ধ্বনি আৰু তৰোৱালৰ ঠন ঠনি শব্দ হয়। সৈন্য সকলৰ চিঞৰ বাখৰ শুনা যায় ]

[ পুনৰ অসমীয়া সৈন্যৰ চিঞৰ ] এইবাৰ এৰি নিদিবা। ভাইহঁত চলোৱা, যুদ্ধ চলোৱা। এই ৰাতিতে সুযোগ। ( গুৰুম্ গুৰুম্ শব্দ হয ) মানক বৰনদীত সলিল সমাধি কৰা।

[ মান সেনাই অসমীয়া সেনাৰ আগত থাকিবৰ নোৱাৰি কেৰা কেলো হৈ পলাব ধৰিলে ]

[ ৰাতিৰ ভিতৰতে মান সেনাই গাওঁ আক্ৰমণ কৰিলে। অসমীয়া মানুহে প্ৰাণৰ ভয়ত নিজৰ গাওঁ, নিজৰ ঘৰ-বাৰী এৰি পলাব ধৰিলে ]

(নেপথ্যত) জয় কামাখ্যাৰ জয়, জয় কামৰূপৰ, জয় অসমৰ জয়।

( এদল অসমীয়াৰ প্ৰবেশ )

১ম সেনা— আমি যুজ কৰিলে কিয় নোৱাৰিম হে ?

২য় সেনা— যুঁজ কৰিলে জয় কৰিবই পাৰি। কিন্তু যুঁজেইবা কাক লৈ কৰিবা ? ৰাজাৰ বিষয়া সকলৰ নিজৰ ভিতৰতে খোৱা কামোৰা লাগিছে। আমি যুঁজলৈ গলালোয়েই দিয়া অস্ত্ৰ শস্ত্ৰকে বা পাবা ক'ত, নাইবা আমাক ৰছদকে বা কোনে যোগাব ?

৩য় সেনা— বেগা বেগিকৈ খোজ দিয়া ৰাতি পুৱাৰ লাগ লাগে আমি পাৰঁত গৈ আৰু কিছু সৈন্য যোগাব কৰোঁগৈ।

( প্ৰস্থান )

[ ৰাতিপুৱা হ'ব উঠিছে। বাটে বাটে এজন বৰাগীয়ে গীত গাই গৈছে ]

"কিয়নো আনিলি মানে ঐ বদন তই
কিয়নো আনিলি মান,
ভাউতি যুগলৈ খিয়াতি ৰাখিলি
কটালি অসমৰ কাণ।
সোণৰে অসমতে ভকাইত মেলি দিলি
নন্দনত মেলিলি হাতী,
শুন্দৰী ৰবতে ফেঁটি গোম মেলিলি
ভৰ ছুপৰীয়া ঐ ৰাতি।
পেটৰে পোৱালী চিৰালে মানে ঐ
বোৱাৰী জীয়াৰী নিলে,
ঘৰ দুৱাৰ মাৰি লৈ বুঢ়াবোৰ পুৰিলে
সকলো অগনিত দিলে।
গোসাইৰে ঘৰতে গৰু কাটি খালে
লই গ'ল দ'লৰ কলচী,
গোসাইয়ে কান্দিলে ভকতে কান্দিলে
প্ৰজা হ'ল চকু লো মচি।"

[ কেইজনো মান সেনাৰ প্ৰবেশ ]

১ম মান সেনা—ধৰ, ইয়াক ধৰ। বান্ধি পেলা।

( বৰাগী চমক খাই উঠে )

২য় মান সেনা—বেটা, অসমীয়া বোলাইছ ? আমাক গালি দিছ ?

৩য় মান সেনা—তোক ! তোক জীয়াই জীয়াই কাটিম । তোৰ মাংস কাটিব শিয়ালক দিম । (বেটেৰে কোবায়)

১ম মান সেনা—হেই মানুহ । তহঁতৰ সৈন্য বিলাক ক'ত থাকে কছোন ।

(বৰাগীয়ে চকুলো টুকি নিমাতে থাকে) ।

১ম মান সেনা—নকর, নহয় ? কোবা ইয়াক কোবা ।

বৰাগী—হে ভগবান ! মই তোমাৰ ভক্ত । যি ভাল দেখা তাকে কৰা ।

১ম মান সেনা—দেখিছ ইয়াৰ কথা ? ইয়াক চমটাৰে কোবাই ছাল ফটাই দে ।

[আন এজন সেনাই কোবায় । বৰাগীৰ চকু প্যানী ওলাব]

২য় মান সেনা—তহঁতৰ থকা গাওঁ ক'ত ক ।

[বৰাগী নিমাত হৈ থাকে]

৩য় মান সেনা—বেটা নকঁৱ ? (বৰাগীৰ গাত লাঠি মাৰে) পাইছ এতিয়া ।

১ম মান সেনা—ইয়াক লৈ ব'ল । বাটৰ কাষৰ গছত বান্ধি থৈ তৰোৱালেৰে খপিয়াই এৰি থৈ আহ ।

(এজোপা গছত বৰাগীক বান্ধি থৈ খপিয়াই মান সেনা কেইজন গুচি যায়) ।

[মান সৈন্যৰ শিবিৰ । সেনাপতি বহুনাই ঘূৰ-ঘূৰি কৰি আছে]

(প্ৰবেশ ককাপোৰৰ)

[ মান সৈন্যই হঠাতে বাতি অসমীয়া গাওঁ আক্রমণ কৰে। মানৰ আক্রমণত গাৱঁলীয়া জনসাধাৰণে চিঞৰ-বাখৰ কৰে। আই ঐ মৰিলো! হে হৰি ৰক্ষা কৰা আ! আ ]।

## দশম দৃশ্য

[ মান সৈন্যই ইংৰাজ ৰাজ্য আক্রমণ কৰাত ইংৰাজৰ লগত যুদ্ধ হ'ল। ইংৰাজৰ সৈন্যই মানক পৰাস্ত কৰিলে। মান সৈন্য পলোৱাত ইংৰাজৰ সৈন্যই মানক পিছে পিছে খেদি নিলে। মান সৈন্য পলাওঁতে বাটত অসমীয়া মানুহৰ ঘৰ দুৱাৰ জলাই দি ধাৰ ধৰিলে। মানৰ পাশৱিক অত্যাচাৰত অসমীয়া মানুহৰ জীৱনৰ ঘোৰ আতঙ্কৰ সৃষ্টি হ'ল ]

[ ঠায়ে ঠায়ে ইংৰাজ আৰু মানৰ লগত যুদ্ধ হ'ল। গুৰো কৈদৰ কামান বৰটোপৰ শব্দই আকাশ ভেদি গৰ্জি উঠিল ]।

[অসমীয়া জন সাধাৰণে ঐক্যবদ্ধ হৈ মানৰ লগত শেষ যুঁজ দিবলৈ নৱ-উদ্দীপনাৰে ওলাল। যুদ্ধৰ সাজ সংগ্ৰামলৈ অসমীয়া সকলে হাদিৰা চকিলৈ আগবাঢ়িল ]।

১ম সেনা—ব'লা ভাইহঁত। এইবাৰ হাদিৰা চকিত মানৰ অবাধ গতিক বোধ কৰোঁগৈ। ভয় নাই। আমি কম সংখ্যক হলেও হাদিৰা চকিত অসীম সাহসেৰে, অদ্ভুত কৌশলেৰে যুঁজি মানক হুকৰাবই লাগিব। ভাইহঁত, হয় মৰিম নহয় তৰিম। মৰিলে স্বৰ্গ, তৰিলে দেশ।

২য় সেনা—হাদিৰা চকিত যুঁজিবলৈ হ'লে আমি আমাৰ সেনাৰ কেবাটিও ভাগ কৰিব লাগিব । তেতিয়াহে আমি জয়ী হ'ম । প্ৰথমতে পানীত যুদ্ধ কৰিবলৈ এটি পানী ফৌজ গঠন কৰিব লাগিব । দ্বিতীয়তে এটি অশ্বাৰোহী ফৌজ গঠন কৰিব লাগিব । তৃতীয়তে এটি পদাতিক বাহিনী গঠন কৰিব লাগিব । তেতিয়াহলে যুদ্ধ কৰিবলৈ সুচল হব ।

৩য় সেনা—এওঁৰ কথাষাৰৰ বৰ মূল্য । এনেদৰেই ফৌজ গঠন কৰাই যুক্তি সঙ্গত হব । আমি এইবাৰ মানক চাৰিও ফালৰপৰা একেলগে আক্ৰমণ কৰিব লাগিব ।

১ম সেনা—তোমালোকৰ যুক্তিবোৰ বৰ ভাল হৈছে । পদাতিক বাহিনীৰ ভাৰ হাজৰীকাক দিলেই ভাল হব । তেওঁৱেই পদাতিক ভাগ গঠন কৰি পৰিচালনা কৰক । এনেহলে আমাৰ অভিযান সফল হব ।

( সকলোৱে একেমুখে জয় হয় বোলে ) ।

[ অসমীয়া সেনাৰ যুদ্ধ যাত্রা । পদাতিক বাহিনীৰ প্ৰত্যেক জনে নিজৰ নিজৰ সাজ সজ্জাৰে সৈতে আগবাঢ়িল সকলোৱে একেলগে ধ্বনি কৰি উঠিল—জয় অসমৰ জয় । জয় কামৰূপৰ জয় ] ।

[ হাদিৰা চকিত দুয়ো দলৰ যুদ্ধ হ'ল। চৌদিশে 'হৰব কাবাব হৰ-টোপ' পৰি উঠিল ]

[ ইংৰাজ সৈন্যই মানক খেদি নি ইণ্ডাবুত সন্ধি কৰিলে ]

[ মান ৰজাৰ শিবিৰ । কেন্দ্ৰকেন মান সেনাপতি আৰু মান প্ৰতিনিধিৰ কথোপকথন ]

কেম্প্‌বেল—আমি ভাল কথা বলিছি। তোমালোকে হামালোককে আসাম চাবি দিতে হইবে। নেহি হইলে আমি সন্ধিকৰিতে নাহি পাৰিব।

মান সেনাপতি—চাহাব। তোমাকে হামিলোকে আসাম চাবি দি দিম।

কেম্প্‌বেল—হামালোকেৰ আচামে তোমালোক নেহি ৰাহিতে পাৰিব। নেহি হইলে আমি সন্ধি কৰিতে ৰাজি নাহি হব।

মান সেনাপতি—চাহাব, ভয় নাই। হামিলোকে আচাম দেশ তোমালোককে দি দিম। হামাৰ জবান আছে। হামি আচামে আৰ নাহি যাব।

মান সেনাপতি—আজি থেকে তোমালোকৰ লগতে হামালোকৰ মিত্র হইব।

কেম্পবেল—(হাঁহি) হামি তোমালোকৰ সব দিন মিত্র হইব।

(একেলগে তিনিওজনে হাঁহে)।

সেনাপতি—এই চেৰাব লিয়ে আও। হামালোককে চেৰাব দে।

(তিনিও তিনিটা পিলাচত মদ লৈ পিবলৈ ধৰিলে)।

(অাঁৰ কাপোৰ)

# দ্বিতীয় অধ্যায়

[ কলিকতা কোম্পানীৰ কাৰ্য্যালয়ত ইংৰাজী বিষয়ানকলে অসমৰ বিষয় আলোচনা কৰিছে ]

কেম্পবেল—ওৱেল, ইউ ৰাইট দি ৰিপৰ্ট অন্ এচাম। এক্সপ্লেইন দেয়াৰ দি ওৱাৰ উইথ দি বাৰ্মিজ।

১ম বিষয়া—এণ্ড আৱাৰ ডিউটি ইজ টু ৰুল এচাম। ফাৰ্ষ্ট অব অল লেট আচ ষ্টাৰ্ট অফিচেচ এট গৌহাটি, নগাঁও এণ্ড যোৰহাট।

২য় বিষয়া—উই চেল ৰুল এচাম উইথ দি হেলপ্ অব্ দি বেঙ্গলী পিপল।

৩য় বিষয়া—ইয়েচ, ইয়েচ। দে উইল হেলপ্ আচ্। দে কেন ইজিলি স্পিক্ দি লেঙ্গুৱেজ। এণ্ড দে কেন ইজিলি মেনেজ দি অফিচিয়েল ওৱাৰ্কচ।

১ম বিষয়া—গুড্ চাজেচ্চন। হু দে উইলবি ফিট ফৰ দি পাৰপাচ্।

২য় বিষয়া—উই চেল হেভ্ টু এড্ভাৰটাইজ ফৰ দি পোষ্টচ্।

৩য় বিষয়া—ইয়েচ, ইয়েচ। উইল বি গুড্।

[ কলিকতাৰ কোম্পানীৰ অফিচ। ইংৰাজ বিষয়া তিনিজন আৰু আইনবাম বৰুৱা ]

কেম্পবেল—ওয়েল বেনার্জ্জী, উইল্ ইউ 'গ' টু এচাম। (বেনার্জ্জী তলমুরাকৈ থাকে) হোয়াই আর ইউ চাইলেণ্ট? ইউ আর দি ফার্চট এপ্লিকেনট্। ইফ ইউ এগ্রি, আই কেন চেন্দ ইউ এজ এন হাযার অফিচার।

বেনার্জ্জী—ইফ ইউ অর্ডার মি আই চেল হেভ্ টু অবে ইট চার।

কেম্পবেল—ঠেঙ্ক ইউ বেনার্জ্জী, নাও ইউ চুজ চাম কেণ্ডিডেটচ্ টু টেক টু এচাম।

কেম্পবেল—(হাত চুখন মোহরি) চার ইফ ইউ এলাও, আই কেন 'গ'।

১ম বিষয়া—হোয়াই নট। মিঃ দে, উই উইল টেক্ অল অর ইউ।

২য় বিষয়া—উইদাউট ইয়র হেলপ্ উই কেন্নট প্রচিদ।

কেম্পবেল—ওয়েল বেনার্জ্জী, উই উইল ষ্টার্ট উইডিন এ উইক। চিলেক্ট টু হান্ড্রেড্ মেন উইথ দি হেলপ্ অব মি. ব্রনচ্।

বেনার্জ্জী—আই উইল ট্রাই মাই বেষ্ট চার।

কেম্পবেল—ঠেঙ্কচ্।

বেনার্জ্জী—গুড্বাই টু ইউ অল্।

[গাঙ্গুলির ঘরত অসমীয়া কেইজনমানৰ আচাম সম্বন্ধে আলোচনা। গাঙ্গুলি, ডেকা বৈগীৰেক আৰু কেবা হোৱাণী উপস্থিত]

গাঙ্গুলি—না, না, আচামে যাওয়া কিসের ভয়? আচামবাসীরাতো জানোয়ার নয়। তারাও মানুষ।

লবা—বাবা। সেখানে আমরা কামাখ্যা দর্শন হতে পারব ?

যৈণীয়েক—ভয়তো নেই। তবে আমরা আমাদের নিজের বাবী চেবে যেতে হয়। আমি আর একাইতো এখানে থাকতে পারব না ?

[ বেনার্জ্জীর ঘর। বেনার্জ্জী আর যৈণীয়েকর আলোচনা ]

যৈণীয়েক—তা হলে আপ্নার যাওয়া ঠিক হল ?

বেনার্জ্জী—হা, পরশুদিন সকাল বেলা আমুরা যাত্রা করব।

যৈণীয়েক—আপনি প্রথম গিয়ে আসাম কেমন দেখে আসুন। তার পরে আম্রা যাব। আমাদের প্রবাসে প্রথমে যাওয়া ভাল হবে না।

বেনার্জ্জী—তোম্রা মেয়ে লোক। তোমাদের ভয় দেখ্ছি অনেক।

যৈণীয়েক—না, না আমি ভয়ের কথা বলি নেই। আমাদের মঙ্গলের

বেনার্জ্জী—এখন আর বাজে কথা বলবার সময় নেই। আমাদের আসাম যাত্রা ভবিষ্যতের জন্য মঙ্গল। এখানে আমরা থাকি ভাড়া বাবীতে। যা মহিনা পাই সবটা খাওয়া দাওয়াই চলে যায়। আসামে গিয়েই বর একটা রাজ কর্ম্মচারী মত উচ্চ চাকুরি পাব। মাইনা হবে এখান কার চেয়ে অনেক বেচি। ভাগ্য হইলে একজন বর জমিদার হতেও পারি।

যৈণীয়েক—তা হলে আমরা আপত্তি করবার কিছুই নেই।

— — —

## চতুর্থ দৃশ্য

[ বঙালী আৰু চাহাব বিষয়া সকলৰ অসমলৈ অভিযান ]
বঙালীসকলে লৰা- ছোৱালী, তিৰোতা, তালি টোপোলা আদি লৈ ঘৰ বাৰী এৰি আহিল ]

১ম চাহাব—ওৱেল মিঃ দে, ছু ইউ ন' এবাউট এসাম ?

দে—ন' চাৰ। আই হার্ড চাম্ দেন্ জাষাচ ইবিজ্ ফ্রম মাই পেৰেন্ট।

১ম বঙালী—স্থাহি চাৰ, আসাম দেশ আচ্ছা দেশ নেহি। আসাম দেশ্ কা আদমি সব্ জংলী ঔৰ বুর্ব্বক হ্যায়।

২য় বঙালী—আমি শুনেছি তাৰা কি মানুস খায়। তাৰা জানোয়াৰেৰ মত বক্ বক্ কৰে।

২য় চাহেব—( হাঁহে ) আসামীলোক বুর্ব্বক জংলী নেহি আছে।

১ম চাহাব—ওৱেল বেনার্জ্জী, হাউ মেনি ব'টচ্ উইল টার্ট ফৰ এসাম ?

বেনার্জ্জী—আই ডন্ট ন' চাৰ

১ম বঙালী—চাৰ, আসাম পৌচতে আমাদেৰ কয়েকদিন লাগবে ?
( খুব খুহুৰোট লোয়ে )।

বেনার্জ্জী—বিশ্ পঁচিশ্ দিন খানিক লাগবে, আৰ কি।

১ম চাহাব—ন' ন' ব্লাডি ইণ্ডিয়ান, হোৱাই ছু ইউ বিলুৱাৰ চো মেনি দেইজ ? আই চি, ইউ হেভ্ ন' নলেজ এবাউট আসাম। উই সেল বিটচ্ এসাম উইদিন এ উইক।

(নেপথ্যত ) বাবা নৌকা এচেসে ।

দ—চল্ চল্ দেৰি কৰবিনা, চল ।

[ সকলোৱে নাৱত উঠি জয় দিয়ে—মা কালি কি জয় মা
মাখ্যা কি জয় ]

( ওঁাৰ কাপোৰ )

[ গুৱাহাটীৰ বৰ চাহাবৰ বঙ্গলা । বৰ চাহাবে টেবুলত কিবা
কিবি লিখি থাকে । অফিচৰ কাইলবোৰ টেবুলত সজোৱা আছে ]

বেনার্জ্জী—মে আই কামইন চাৰ ?

বৰচাহাব—ইয়েচ ।

( বেনার্জী—চালাম দি সোমাই আহে । )

বৰচাহাব—( চিয়াৰৰ পিনে দেখুৱাই ) চিট ডাউন প্লিজ ।

বেনার্জ্জী—নাও, উই মাষ্ট এবেঞ্জ আওৱাৰ অফিচেজ ভেৰি
চৰটলি ।

বৰচাহাব—ইয়েচ্ আই এম ঠিঙ্কি এবাউট দিচ এণ্ড ওৱেটিং
ফৰ ইউ । ( বেনার্জী—হাত মোহাৰি থাকে )

বৰচাহাব—( গাও কোটটো সুমাৱাই ) মি বেনার্জী, কামঅন ।
নাও, উই চি দি হাউচেজ । ফ্রম টুমৰো, উই উইল
ষ্টাৰ্ট আৱাৰ অফিচেজ ।

( দুয়োজন বৰ্ধমান ওলাই যায় )

( ওঁাৰ কাপোৰ )

[ আহোম ৰজাৰ বিষয়া বৰফুকনৰ ঘৰৰ সন্মুখ ]

ৰবচাহাব—( ঘৰটো দেখুৱাই ) মি বেনাৰ্জ্জী, দিচ উইল বি গুড্ ফৰ আবাৰ কৰ্ট এণ্ড অফিছ।

বেনাৰ্জ্জী—দিচ ইজ এ নাইচ বিল্ডিং, চাৰ।

ৰবচাহাব—আফটাৰ চাম্ মাণ্চ্ উই উইল মেক চাম বিল্ডিংচ। আই চেল ৰাইট টু দি কোম্পানী এবাউট বিল্ডিং প্লেনিং।

[ বাটত এজন অসমীয়া মানুহে চাহাবক লগ ধৰে )

অসমীয়া—নমস্কাৰ হুজুৰ, আপোনালোক কেতিয়া আহিল।

ৰবচাহাব—তুমি কৰ মানুহ আছে।

অসমীয়া—নহয় চাহাব। আপোনালোক অহাৰ পৰা আমাৰ পানী আহিছে। নহলে জীয়াই জীযাই পুৰি মাৰিলে হয় দেউতা।

ৰবচাহাব—অহমীয়া আদমি সব ভাল লোক আছে। আমাৰ ভাল লাগে।

অসমীয়া—হয় হুজুৰ, হোজা মানুহ পাই সকলোৱে আমাক হে খেদি আছে।

ৰবচাহাব—ঠোৰা পিচাৰি তুমি হামাৰ বাৰী যাও তোমাৰ লগে আমাৰ বহুত বাট আছে।

অসমীয়া—বাক, যাম হুজুৰ।

( অসমীয়া মানুহজনৰ প্ৰস্থান )

ববচাহাব—ওবেল বেনার্জ্জী। হোৱাট কাইণ্ড অব লেঙ্গুয়েজ ইজ দিচ্? নাইদাব হিন্দী নব বেঙ্গলী। ইট ইজ টু ডিফিকালট টু আণ্ডাবষ্টেণ্ড।

বেনার্জ্জী—এচামিজ লেঙ্গুয়েজ ইজ নট চেপাবেট ফ্রম বেঙ্গলী। এচামিজ লেঙ্গুয়েজ ইজ অনলি এ পার্ট অব দি বেঙ্গলী লেঙ্গুয়েজ।

ববচাহাব—ন, ন, ইউ আৰ ৰং। এচামিজ ইজ নট এ পার্ট অব বেঙ্গলী। এচামিজ ইজ এ বিচ্ছ লেঙ্গুয়েজ।

বনার্জ্জী—ডণ্ট এঙ্গ্ৰি উইথ মি চাৰ। আই মে বি ৰ এক্স কিউজ্জ মি চাব।

ববচাহাব—আই চি, ইউ টেক ইট দিপলী। দণ্ট মাইণ্ড।

( অাঁৰ কাপোৰ )

[ ববচাহাবব বঙলা। ববচাহাব বহি আছে। অসমীয়া মানুহ এজন আহে ]

ববচাহাব—( চালাম দি ) গুড ইভিনি।

( অসমীয়া মানুহজনে বুকি নেপাই ভাবিব ধৰে )

বচাহাব—কাম এণ্ড চিট ডাউন প্লিজ।

( অসমীয়া মানুহজনে চাহাবব মুখলৈ চাই থাকে )

বচাহাব—হামি বুজিছে, আবলোক হামাবি বাট নেহি বুজিছে।

সমীয়া—( হাত মোহাৰি ) হুজুৰ হজুৰ, মই ভালকৈ আপোনাৰ কথা বুজা নাই।

( চিন্তাযুক্ত ৰহি ) ।

বৰ চাহাব—কুচ্ পৰোৱা নাই। আপ্কা বাৰী কাহা হ্যায ?

অসমীয়া—আমাৰ ঘৰৰ পিচত। গলে দেখুবাব পাৰিম।

বৰ চাহাব—আপ্কা বাৰী দেখতে হামি যাব। আচ্ছা, আপকা নাম ক্যা হ্যায় ?

অসমীয়া—মোৰ নাম মাযাৰাম।

বৰ চাহাব—আবকা ভাষা ক্যা হ্যায।

অসমীয়া হুজুৰ, আমাৰ ভাষা অসমীয়া।

বৰ চাহাব—অসমীয়া ভাষাই কিতাপ হ্যায ?

অসমীয়া—কিয নাই। দশম কীৰ্ত্তন আছে তো। নহবৰে বা মানে কি ? আমি নিতৌ গুৰুৰ প্ৰাৰ্থনা কৰোতে আওৰাও নহয।

বৰ চাহাব—এ বয।

(বেহাৰাৰ প্ৰবেশ)।

বেহেৰা—হুজুৰ।

বৰ চাহাব—ছুকাপ আচ্ছা চা লে আও।

বেহাৰা—জী, হুজুৰ।

(বেহাৰাৰ প্ৰস্থান)।

অসমীয়া—এইজন আপোনাৰ কি হয়। আপোনাৰ লৰা নেকি ?

চাহাব—নেহি। ও লেৰ্কা আমাৰ বেহেৰা হ্যায়।

অসমীয়া—বেহাৰা মানে আমি বুজো সৰিযহ।

চাহাব—ঠিক হ্যায।

[ বেহাৰাই ছুকাপ চাহ লৈ আহে আৰু টেবুলত থয়। পিচত আকৌ ছুখন থালত কেক্ লৈ আহে গৈ। ছুয়োজনৰ পিনে ছুখন থাল আৰু ছুটা কাপ আগবঢ়াই দি ওচি যায় ]।

চাহাব—ওবেল, ড্রিঙ্ক ইট। ( চাহাবে চাহ খাব ধৰে )।

অসমীয়া—হুজুৰ, এইবোৰ হুপে মই নেখাও ( মুখ বেকেটায় )।

চাহাব—আচ্ছা চিজ হ্যায়, খাও।

অসমীয়া—নহয হুজুৰ। মই খাব নোবাৰিম।

চাহাব—হোবাই ?

অসমীয়া—এইবোৰ খালে আমাৰ জাত কুল ক'ত থাকিব চাহাব ? পৰাচিত হলেও উদ্ধাৰ হব নোৱাৰিম।

চাহাব—খানেচে কিয়া জাত কুল হ'গা ?

[ চাহাবৰ চাহ খোৱা শেষ হলত চিগাৰেট উলিয়াই, এটা চিগাৰেট অসমীয়া জনক যাচে। ]

চাহাব—স্মক ইট্। ( চিগাৰেট দিয়ে )।

অসমীয়া—হুজুৰ, মোৰ এইবোৰ দস্তুৰ নাই।

[ চাহাবে চিগাৰেট হাপ খোৱা উলিয়াই দিয়ে ]।

[ অসমীয়া মানুহজনে ছোলাৰ মোনাৰ পৰা চিলিম আৰু বাহিৰ হোকা এটা উলিয়াই আনি এটা টোপোলাৰ পৰা ধপাত উলিয়াই চিলিমত ভৰাযে। অসমীয়া মানুহজনে চাহাবে চাই থাকে ]।

অসমীয়া—হুজুৰ, জুটামান আঙঠা হলে সুবিধা হ ল হয়।

চাহাব—আঙ্ঠা ক্যা হ্যায় ?

অসমীয়া—জুই ধৰিলে যি খৰি পোৰে তাকে আঙঠা বোলে।

চাহাব—আঙঠা কিয়া চিজ হ্যায় হাম্ ন্যাহি চাম্‌জাটা।

অসমীয়া—খৰি পুৰিলে যে লাল লাল হয়। ( চাহাবৰ চিগা ৰেটৰ জুই দেখুৱাই দিয়ে।

চাহাব—অ' এচে'জ হ্যায ।

অসমীয়া—[ চকীৰ পৰা উঠি বাহিৰত পৰি থকা ছুটুকুৰমান কাঠ আনিলে আৰু চাহাবৰ পৰা জুই বাহ আনি জ্বলালে)

[ জুই লাগি আঙঠা হোৱাত অসমীয়া মানুহজনে চিলিমত ভৰাই হোকা টানি ধোৱাঁ বাহিৰ কৰিলে ]

চাহাব—(হাঁহিব ধৰে) ঠিক হ্যায় । ঐ টো অসমীযা চিগাৰেট হ্যায় ।

( অসমীয়া মানুহজনে হোকা খোৱা হোৱাৰ পাচত হোকাটো আগৰ নিচিনাকৈ সোলোকাই থয় । হোকা খোৱা হ লত ৰেৰপেটিৰপৰা ৰঙা কানিৰ টোপোলা উলিয়াই তামোল কাটিব ধৰে । চাহাবে তেওঁৰ পিনে চাই থাকে । তামোল কটা হ'লত পানত চূণ দি চাহাবক এখন দিয়ে ) ।

অসমীয়া—ধৰক এখন খাওক ।

চাহাব—ক্যা চিজ হ্যায ?

অসমীয়া—এযা তামোল, খালে কেনে জুটি লাগে গম পাব । ( তামোল চোবাব ধৰে ) চাহাবেও চোবাব ধৰে) ।

অসমীয়া—তামোল খালে তিনিবাৰ পিক পেলাব লাগে । তেতিয়াহে তামোলৰ জুটি হয । ( বাহিৰলৈ ওলাই গৈ পিক পেলাই )

চাহাব—( ৰঙাপৰে ) এ দেনজাৰাচ চিজ হ্যায় ।

অসমীয়া - হুজুৰ, বৰ মজাৰ জিনিচ । আমি ইয়াক নেখালে এপলো থাকিব নোৱাৰো ।

[ চাহাবে টেবুলৰ ওপৰত মূৰ থৈ কিছু সময় থাকে ]

চাহাব—অ'ভি খাবাব জিনিচ।

অসমীয়া—হুজুৰ এতিয়া উঠোহে। গধূলিও হ'ল।

চাহাব—ইযেচ, ইট ইজ ইভিনিং। ইট ইজ টাইম্ টু ওৱাক।

[ নিজৰ কোটটো আৰু লাঠি ডাল লৈ আপ যোজ ইহাপৰ আইহে। আৰকা চাঠ যেৰা বহু বাট হ্যায়। আজকো মেৰি চাঠ আৰকো কুচ বাট নেহি হুৱা ]

( দুযোজনৰ প্ৰস্থান )

[ গুৱাহাটীৰ অফিচবোৰ সকলো ঠাক ঠিক হৈ গ'ল। কৰ্ম্মচাৰী হিচাবে বঙালী সকল সোমাল ]

[ নগৰৰ কেন্দ্ৰ ঠাই বিলাকত বঙালী সকলে ঘৰ দুৱাৰ সাজি থাকিবলৈ ললে। অসমত থাকিবলৈ সুচল দেখি জাকে জাকে বঙালী আহিব ধৰিলে। বঙালী মানুহ আহি অফিচৰ কামত হাকিম হ'লহি ]

[ বৰ চাহাবৰ বঙলাৰ সম্মুখ। বঙালী ডেকা কিছুমানৰ কথা বতৰা ]

ভবেন সেন—আপনাবা চাহাবকে দেখলেই নমস্কাৰ দিবেন। চাহাব একটু ক্ৰিট ফাট চাই। আপনা দিগকে কোন কথা জিজ্ঞাছা কৰলে আপনাবা ইংৰাজীতে উত্তৰ দিবেন। অসম্ভৱ হলে বাংলাই বলবেন। আমি এখন চললুম্।

১ম বঙালী—আপনি থাকলে একটু ভাল হত।

ভবেন সেন—আপনাৰা চাকৰিৰ সমন্ধে ভাববাৰ কিছুই নেই সবটা আমি পূর্ব্বেই ঠিক কৰেছি।

২য় বঙালী—যদি কোনো নেতিভ আসামী কেণ্ডিডেট হয়, তবে একটু

ভবেন সেন—আপনাদেৰ ভাববাৰ কিছুই কাৰণ নেই। আসামীদেৰ মধ্যে কেণ্ডিডেট কেউ একজন নেই। তাৰা বোকা লোক। চাকুৰিৰ মালুম তাৰা কি বুজে? আমি চললুম

(প্রস্থান)

৩য় বঙালী—এদেৰ কথা থেকে মনে হয আসাম বাংলাৰে অংশ হইবে।

বৰ চাহাব—(হাঁহি হাঁহি বাৰাণ্ডালৈ ওলাই আহে) আই ঠিঙ্ক ইউ আৰ অল কেণ্ডিডেটচ। ঠেঙ্কচ অল অব ইউ। নাও ইউ কাম ওৱান বাই ওবান।

১ম বঙালী—গুড মর্নিং চাৰ।

বৰ চাহাব—গুড্ মর্নিং। হোৱাট ইজ ইয়ৰ নেম?

১ম বঙালী—মাই নেম ইজ কালিচৰণ বেনার্জ্জী।

বৰ চাহাব—হোৱাট ইজ ইযৰ কোৱালিফিকেচন এণ্ড এইজ?

১ম বঙালী—আই এম ইংলিছ স্কুল পাচ।

[এইদৰে পঞ্চাশজন কেণ্ডিডেট সোমোৱাৰ পিচত ইণ্টাৰভিউ বন্ধ কৰে। বাকী বোৰা কেণ্ডিডেটৰ সকলোৰ মাজত গণ্ডগোল লাগে। ]

[ চাকৰি নোপোৱা বঙালী ডেকাসকল নোবোৱাত পুনৰাই চাহাবে মাত লগালে । আই হেভ ন' অৰ্ডাৰ টু এপইণ্ট ম'ৰ মেন ফিক টি । থাৰটি চিট্‌চ আৰ ৰিজাৰ্ভ ফৰ এসামিজ । ডণ্ট মাইণ্ড । নাও গো টু ইয়'ৰ কাউচেৰ ] ।

( আঁৰ কাপোৰ ) ।

[ চাকৰি নোপোৱা বঙালী ডেকাসকল গধূলি সময়ত বেনাৰ্জীৰ ঘৰলৈ গ'ল । ঘৰৰ সন্মুখত জুম পাতি বেনাৰ্জীক মাতিছে ] ।

১ম জন—বাবীতে কে আছেন ?

( ভিতৰৰপৰা )—কে ?

২য় জন—আম্‌রা বেঙ্গল থেকে এচেচি । বাবীতে বেনার্জী আছেন কি না ?

( ভিতৰৰপৰা )- না, এখন বেৰাইতে গেচ্ছে ।

১ম জন—আসবে কখন ?

( ভিতৰৰপৰা )—সন্ধ্যা আঠ টাৰ সময় ।

২য় জন - তা হলে আম্‌রা বসাই ভাল । দাবাই থাকা চলেনা, বসাই যাক্ ।

১ম জন—আমাদের দেখতে আজ কেউ নেই ।

৩য় জন—ভবেশ বাবু আচল্, তিনিও লেকচাৰ দিয়ে চলে গেল ।

৪র্থ জন - আৰে যাবে না কেন ? এখন তাদেৰ পেট ভাৰী হয়েছে, তখন অন্যেৰ জন্য ফিৰে দেখবাৰ দৰ্কাৰটা কি ?

বেনাৰ্জ্জী - অ' আপনাৰা। আসুন ভিতৰে আসুন। বছুন। বছুন। অ' আপনাৰ জযগা হ লনা। আচ্ছা একটা বেঞ্চ এনে দিচ্ছি।

৪র্থ জন—না, না, এখানেই হবে।

বেনাৰ্জ্জী—এখানে এসে অনেক জুলুম পেযেছি। মিস্ত্রীৰ অভাবে কিছু কাজ কৰ্‌তে পাৰছিচ না। আচ্ছা, আপনাৰ সবাই কি ঢাকা হইতে এসেছেন।

১ম জন—না, আমৰা কযেক জন পশ্চিম বাঙলা হইতেও এসেছি।

বেনাৰ্জ্জী—বৰ চাহাবেৰ কাচ থেকে শুনলুম্‌, আজ পঞ্চাশ জন কেণ্ডিডেটচ্‌ ভৰ্ত্তি কৰেছে, আৰ বাকী ত্রিশটাই আসামী লোক ৰাখ্‌বে। আজকে আমি এই সম্বন্ধে চাহেব কে কিছু বল্‌লুম না। যাই হউক, আমি থাক্‌লে আসামীৰা কে অফিছে ঢুকতেই দেব না। দেখি, আসামী কে এক্‌বাৰ।

২য় জন—আসামীৰাটো লেখা পঢা জানে না।

বেনাৰ্জ্জী—না না, ই‌ংৰাজেৰ এগুলি শাসনেৰ চাল।

১ম জন—তাইতো। তা না হলে অশিক্ষিত দিগ্‌কে ঢুকতে দেব কেন।

বেনাৰ্জ্জী—আচ্ছা, আপনাদেৰ স‌ংখ্যা কত ?

১ম জন—এখনো ৰয়েছি ভৈৰবৰ ওপৰ।

বেনার্জ্জী—অনেক বেছি। আচ্ছা দেখা যাক। যাওৱাটাতো হবে না থাক তেই হবে। এক্টা কথা বলি, আপনাৰা একশৰ ওপৰ লোক যোৰহাট যেতে হবে। এখন আপনাৰা যান। কালকে আমি এক্টা ব্যৱস্থা কৃৰব।

( আঁৰ কাপোৰ )

[ ৰাতিপুৱা বৰ চাহাবে নিজৰ কোঠাত বহি অফিছৰ কাম কৰি থাকে। প্ৰবেশ। ]

বেনার্জ্জী—গুড্ মর্ণিং চাৰ।

চাহাব—গুড্ মর্ণি। চিট্ ডাউন প্লি্জ।

বেনার্জ্জী—( চিযাৰত বহে ) আই হেড্ কাম টু ইউ উইঠ চাম বিজ্জিনেচ্।

চাহাব—হোৱাট ?

বেনার্জ্জী—মেনি ইয়ং মেন কেম্ ফ্রম্ বেঙ্গল ফৰ চাৰ্জ্জ।

চাহাব—চৰি। আই হেভ্ ন' পাওৱাৰ টু টেক্ ম'ৰ মেন ফিফ্টি। এক্সট্ৰা ঠাৰটি চিটচ্ আৰ বিজাৰ্ভ ফৰ এসামিজ। হোৱাট চেলাই ডু ? দিচ ইজ অৰ্ডাৰ। আই মাষ্ট অবে ইট্।

বেনার্জ্জী—দি এসামীজ আৰ অল ইলিটাৰেট। হাউ কেন দে মেনেজ দি অফিচিয়েল ওৱাৰ্কচ্।

চাহাব—দেভ্‌ মে বি। বাট আই হেভ্‌ ন' পাওৱাৰ। আই চেল এড্‌ভাৰতাইজ্‌ ফৰ দি পোষ্টচ্‌। ইফ্‌ ন' বডি এপ্লাইজ দেন আই কেন টেক থাৰ্‌টি মেন্‌। ওবেল বেনাৰ্জ্জী, হোৱাই ডু ন ত চেণ্ড দেম্‌ টু যোৰহাট। দিযাব আৰ মেনি ভেকেন্‌চিজ। ইফ দে গো' দিয়াৰ দে মে বি ইজিলি এমপ্লইদ। দেট উইল বি গুড্‌।

বেনাৰ্জ্জী—চাৰ, ইউ প্লিজ ৰাইট ওবান লেটাৰ টু দি অফিচাৰ। দেন হি উইল ইজিলি এপইন্ট্‌ দেম।

চাহাব—আই কেন ৰাইট।

[ লিখিবলৈ ধৰে ]

( আঁৰ কাপোৰ )

[ বৰ চাহাব অকলে চিগাৰেট হুপি বহি থাকে, মায়াৰামৰ প্ৰবেশ ]

( মায়াৰামে নমস্কাৰ দি সোমায় আহে চাহাবে নমস্কাৰ গ্ৰহন কৰে )।

চাহাব- ক্যা খবৰ আপ্‌কো।

মায়াৰাম—দিন কাল বেয়া হৈছে চাহাব। আমি হলে ভৰিব নোৱাৰিম যেন হে পাইছো। সোপায়ে সোপায়ে বঙাল আহি ভৰিল। আমাৰ নো ঠাই ক'ত থাকিব?

চাহাব—( হাঁহি ) ভাল আছে।

মায়াৰাম—ভাল নো কি হব । আমাৰ নিস্তাৰ নাই । ৰজা ঘৰৰ পৰা সাৰিলো, মানৰ হাতৰ পৰা সাৰিলো, এই বাৰ বঙালীৰ হাতৰ পৰা সাৰা হে টান হৈছে ।

চাহাব—অ' ঠিক বাট্ ।

মায়াৰাম—বাক হুজুৰ, এই যে দিনক দিনে শই শই মানুহ আহিব ধৰিছে সেইওলোকৰ উদ্দেশ্য কি ? ক'ৰ পৰা আহিছে ?

চাহাব—বেঙ্গল থেকে আস্বছে । হাম লোক কা অফিচ মে বহু চাকৰি খালি হ্যায় । আপ্লোক কা আসামী লোক চাকৰি কৰে গা ?

মায়াৰাম—কি চাকৰি, হুজুৰ ?

চাহাব—অফিচ মে লেখা পঢ়া কৰনেকো লিয়ে ।

মায়াৰাম—ক'ত পাব হুজুৰ । ডেকা লৰাৰ তো সংখ্যা নাই কীয়াই হৈছে । মোৱামৰীয়া যুঁজত, মানৰ যুঁজত, যুঁজ কৰোঁতে কৰোঁতে প্ৰায়বোৰ ডেকা লৰাই ঢুকাল । তাতে আকৌ লেখা পঢ়াৰ চৰ্চ্চা দেশত নাইকীয়া হৈছে । ক'ত পাব মানুহ । কোনে কৰিব চাকৰি ।

(বেৰ পেচিৰ পৰা ভাবোল উলিয়াই খাব)

চাহাব—ডেকা আদ্মি ন্যাহি হুনেচে হ গা । বুঢ়া আদমি হুনেচেও হ গা ।

মাযাৰাম—( বাহিৰত পিক পেলাই থৈ আহেগৈ ) কোন নো আহিব হুজুৰ ? আমাৰ চাকৰিৰ দৰকাৰ নাই—। যি দুই এপুৰা মাটি আছে, তাৰেই আমাৰ চলিব।

চাহাব—আপ্‌লোক অহমীযা আদ্‌মি ন্যাহি হনেছে ন্যাহি হ'গা। হামলোককা অফিছ ন্যাহি চলেগা। আপ ঠোৰা ঠুৰি লোক—দেনেই হ'গা।

মাযাৰাম—খেতিৰ মাটি এৰি কোন আহিব হুজুৰ ?

চাহাব—হামালোকে অহমীয়া ভাষা শিকিব। আপলোকে হামকো অহমীযা ভাষা শিখানে হ'গা। আপ পাৰেগা ?

মায়াৰাম যি খিনি পাৰো পুঢ়্‌বাব পাৰিম। পিচে, মোতকৈও আমাৰ মহন্ত জনে ভালদৰে পাৰিব। বাৰু, মই তেওঁক লৈ আহিম। এতিয়া মই যাও।

( প্ৰস্থান )

[ চাহাবে বহি শুহৰিয়াই থাকে। বেনাৰ্জী গাঙ্গুলি আৰু দেৱ প্ৰবেশ ]

বেনাৰ্জ্জী—গুড্‌ ইভিনিং চাৰ।

চাহাব—গুড ইভিনিং। কাম অন। চিট ডাউন প্লিজ।

( তিনিও তিনিখন চিয়াৰত বহে )।

বেনাৰ্জ্জী—দেয়াৰ ইজ নট এ চিঙগল কেণ্ডিদেট ফ্ৰম এসামীজ

গাঙ্গুলী—নাও ৰিজাৰ্ভ অন্‌লি ফাইভ চিট চ ফৰ এসামীজ।

বেনাৰ্জ্জী—ইফ ইউ গিভ অভাৰ, দেন উই কেন এপইণ্ট টুৱেনটি ফাইভ বেঙ্গলিজ্‌।

চাহাব—ওৱেট এ উইক, জেন্‌টেল্‌মেন, হোৱাই ইউ এঙচিয়াচ।

[ '-নিজনে অল্প সময় মনে মনে থাকে ]

বেনার্জ্জী—নাও ওৱান কুয়েচন এৰাইজেছ।

চাহাব—হোবাট— ?

বেনার্জ্জী—হোবাট উইল বি আওৱাৰ ক'ট লেনগুয়েজ ?

চাহাব—ইট ওৱাজ চেটোল্ড্‌। কর্ট লেনগুয়েজ উইল বি ইংলিচ এণ্ড এসামিজ। ( তিনিওজনৰ মুখ কলা পৰে )

দ— দেয়াৰ ইজ ন এস্যামীজ লেঙ্গুয়েজ। অনলি চাম পাৰচনচ স্পিক এসামীজ লেনগুয়েজ, বাট ইট ইজ নট্ এ ৰিটেন লেঙ্গুয়েজ। এসামীজ ইজ এ কল'কুৱেল লেঙ্গুয়েজ।

গাঙ্গুলী -আসামী ভাষা বাংলা ভাষাৰ এক অপভ্রংশ। তাৰ বর্ণমালা, ভাষা, সাহিত্য সব্‌ তাই বাঙলা।

বেনার্জ্জী—তাদেৰ লিখিত ভাষাতো এক প্ৰকাৰ বাঙালী। তাৰা এখনো বাঙালাই পৰে। আমাৰা বাঙালী এবং ইংৰাজী পৰে দিন কাটালুম, এখন যদি নতুন কৰে আসামী ভাষা লিখতে হয় তা হলে আমাৰা বিদায় নিতে হবে।

চাহাব—আপোনালোকেৰ বাট আমি বুজিছে। আমিও দেখছি আসামীদেৰ মধ্যে শিক্ষিত লোক নাহি আছে।

( বঙালী তিনিজনে মুখ চুপিয়াই ওৰ ওৰ থবে )

বেনার্জ্জী—আপনি আমাদেৰ সমস্যাটা ঠিকেই ধৰেছেন।

চাহাব - আই উইল চাব মিত্ এ ৰিপোর্ট এবাউট দিছ্ দিফি কাল্টি।

বেনার্জ্জী—ইট্ উইল বি গুড্।

( আন দুজনে হয় চয় ধৰে )

চাহাব - পাৰহেপ্চ, চাম্ বডি উইল কাম্ টু এনকুবাৰ এবাউট দিছ।

( আঁৰ কাপোৰ )

## নৱম দৃশ্য—

[ গুৱাহাটী কছাৰীত এটা ডাঙৰ কোঠা। ঘৰৰ সম্মুখত "আসাম প্রবাসী বঙ্গালী সম্মিলন" ১ম বাৰ্ষিক অধিবেশন বুলি এখন চাইন বোৰ্ড ওলোমাই থৈছে। সভাত প্রবাসী বঙ্গালী সকলৰ জুম। সভাতৈ বঙ্গালী লোকসকল আহি আছে। কেইজন মানে অভ্যৰ্থনা জনাইছে আৰু কেইজন মানে সভাতৈ অন্য বঙ্গালী সকলক বহুৱাইছে ]

বেনার্জ্জী - উপস্থিত ভদ্রমহোদয়গন, এখন আমাদেৰ সভাৰ কাৰ্য্য আৰম্ভ হইবে। আজকেৰ সভাৰ সভাপতিত্ব কৰাৰ জন্য আমি মিঃ চি, বাড়ুনেৰ নাম প্রস্তাব কৰি। মিঃ

ব্রাউন কে আপনারা চিনেন। তিনি আমার বাঙলার জন্য অহোপুরুষার্থ চেষ্টা করেছেন। আমরা চিরকাল তিনির কাসে ঋণী থাকব। আমি আশা করি তিনি সভার কার্য্য সুচারুরূপে চালাইবেন।

দ— আমি শ্রীযুক্ত বেনার্জ্জীর প্রস্তাব সাদরে সমর্থন করিলাম্।

( সভাই হাত চাপরি দিয়ে )

ম ব্রাউ।—( থিযদি ) জেনটেলমেন, আমার বর দুখ লাগিছে। আমি বাঙালী ভাষা ভাল করে জানি না। তার জনা আমি আপনাদের কাসে ক্ষমা চাইলাম। হামাক আজ আপনারা যি সম্মান দিছে, তার জন্য আমি আপনাদের ধন্যবাদ দিচ্ছি।

( চিয়াবত বহার লগে লগে হাত চাপ'র দিয়ে )

[ তখন সক লবাই সভাপতি ব্রাউনক মালা পিন্ধাই দিয়ে সভাই পুনর চাপরি দিয়ে ]

ভাপতি মি ব্রাউন—সম্পাদকের রিপোর্ট

ম্পাদক—মাননীয় সভাপতি এবং ভদ্রমহোদয়গণ, আমি কয়েকজন লোক আসাম পৌচবার পরেই প্রবাসী বাঙালী সম্মিলনের স্বপ্ন দেখ্ছি। আমাদের আশা আজ সফল হল। আমাদের ধারণা ছিল মিটিং করে কৃতকার্য্য হইতে পারব না। এখন দেখছি প্রবাসী বাঙালীদের মধ্যে একতা আছে। এবং এই ঐক্য নিয়ে আমাদের মঙ্গলের জন্য যাই ইচ্ছা তাই কর্তে পারব।

[ সকলোরে হাত চাপরি দিয়ে ]

আমি বেচি কথা বলব না। এখানে অনেক সুবিজ্ঞ বক্তা আছে। আজ আমাদের সাম্‌নে অনেক গুরুত্বর সমস্যা এসেছে। সেই সমস্যাগুলি সম্বন্ধে কিছু বলব। আমি সুখ পেয়েছি আমার বাংলার লোক আসামে অনেক এসেছে এবং তারা ভাল ভাল চাকুরিতে ঢুক্‌ছে। এখন দেখা যায় আমাদের বাঙালী লোক আসামের সব টাউনে বাস করতে সুরু করেছে। ডিব্রুগড়, যোড়হাট, গোয়ালপারা এবং গৌহাটীতে আমাদের বাঙালী লোক গরিষ্ঠ সংখ্যা নিয়ে বসেছে। বাঙ্‌লা হইতে যারা আসামে আছরে, তাদের মুখে যাতে আধার দিতে পারি তার লক্ষ্য রাখ্‌তে হবে। সব্ চাকরিতে যাতে বাঙালী লোক ঢুকে, সেটাই দেখ্‌তে হবে আর আসামে যাতে আসামীদের স্থান না হয় তারা চেষ্টা কর্‌তে হবে। আসামী ভাষা যাতে আসামে প্রচলন না হয় এবং তার বদলে বাংলা ভাষাই যাতে তার স্থান নিতে পারে, তাই আমাদের লক্ষ্য হইবে। আমরা আসামে আসামী লোক গণকে বাঙালী শিক্ষা দেবার জন্য প্রবাসী বাঙালী সম্মিলনকে এবং বাংলার লোকগণকে অনুরোধ কর্‌লাম। তার পরে আমি একটা কথা বলে আমার বক্তব্য শেষ করব। সে টা হলো আসামে বাঙালীদের প্রাধান্য এবং বাঙালী ভাষা, কৃষ্টি বজাই রাখা, আসামী ভাষা, কৃষ্টি ধ্বংস করে তার

বদলে বাঙালী ভাষা, কৃষ্টি বাহাল রাখ্‌বার জন্য সবাই এক সঙ্গে দাবিয়ে উঠতে হইবে। আমি আমার বক্তব্যের শেষে মিং ব্রাউনকে আজকের মিটিংয়ে সভাপতিত্বর ভার গ্রহণ করবার জন্য ধন্যবাদ দিলাম। এবং আমি আমার বাঙ্‌লার লোকদের পক্ষ থেকে তিনিকে, আসামে আসামী ভাষার বদলে বাঙালী ভাষা প্রচলন করার চেষ্টার জন্য অভিনন্দন জানালাম্‌। আমার কোনো কথাই যদি ভুল হইয়াছে, ক্ষমা চাইলাম। প্রবাসী বাঙালী সম্মিলন জয় হউক। নমস্কার!

[ বক্তার সঙ্গে সঙ্গে সভার লোকে হাত চাপরি দিয়ে ]

সভাপতি—( থিয় হৈ ) আভি প্রস্তাব আছে।

বেনার্জ্জী—সভাপতি মহাশয় এবং আমার বাঙালী ভদ্রমহোদয়গণ ? আমি আপনাদের কাসে কয়েকটি মূল্যবান প্রস্তাব এনেছি। আশাকরি আপ্‌নারা গ্রহণ করবেন। "আসামী ভাষার বদলে যাতে বাঙালী ভাষা প্রচলন হয় তার জন্য কোম্পানীর কাসে অনুরোধ করলাম।" ২য় প্রস্তাব হইয়াছে "আসামে যে গুলি স্কুল স্থাপন হইবে সেখানে যাতে বাঙালী শিক্ষা দেওয়া হয় এবং বাঙালী শিক্ষক নিযুক্ত হয় তার জন্য আমি চরকারকে অনুরোধ করলাম।" ৩য় প্রস্তাব হইয়াছে "আসামে যে গুলি চাকুরি খবর হইবে সেখানে বাঙালীলোক ভর্ত্তি করা এবং বেঙ্গল আসামের মধ্যে যে রেল কোম্পানী

প্রতিষ্ঠা হইবে, সেখানে যাতে বাঙালী ভিন্ন অন্য কেউ চাকুৰি না পায তাৰ জন্য উক্ত কোম্পানীকে অনুৰোধ কৰ্‌লাম।"

[ সভাই হাত চাপৰি দিয়ে ]

দে—আমি শ্রীযুক্ত বেনার্জ্জীৰ প্রস্তাব সমর্থন কৰলাম।

[ সভাই হাত চাপৰি দিয়ে ]

সভাপতি—আভি উপস্থিত ভদ্রলোকৰ বক্তব্য।

১ম বক্তা—সভাপতি মহাশয এবং ভদ্রমহোদযগণ, আমাৰ বক্তৃতা দেবাৰ অভ্যাস নেই। আমি একেটি কথা আপনাদেৰ কাসে বলে বিদায় নেব। সম্পাদক মহাশয যে গুলি মূল্যবান কথা বলে গেছেন সে গুলি যাতে কার্য্যে পৰিণত হয়, তাৰ জন্য আমৰা যত্ন কৰতে হবে। তা না হলে আসামে বঙালীৰ স্থান থাকবে না। নমস্কাৰ।

[ সভাই হাত চাপৰি দিয়ে ]

২য় বক্তা—সভাপতি মহাশয, ভদ্রলোক এবং মহিলাগণ, আপনাৰা আমাৰ কাসথেকে মূল্য কথা আশা কৰা বিডম্বনা যেন মনে হয। যা বলি যদি ভুল হয, তা হলে ক্ষমা চাই। সভাই গৃহীত প্রস্তাব সমূহেৰ কাজে লেগে যাওবা উচিত। এইটাই আমাৰ উপযুক্ত সময। আসাম কে বাঙলাই পৰিণত কৰবাৰ জন্য অর্থাৎ বৃহত্তৰ বঙ্গ প্রতিষ্ঠাৰ জন্য আমৰা সবাই আপ্রাণ সংগ্রাম কৰতে হবে। আমাৰ আৰ বলবাৰ নেই। নমস্কাৰ।

[ সভাই হাত চাপৰি দিয়ে ]

সভাপতি—আজি হ্যামারা মন্তব্য। আপ্‌লোক সব বক্তৃতা শুনছেন। হামার বলবার কিছু নেই। সব বিজ্‌লুচন্‌ আজ পাচ ছবা এই সবর কাজ আপলোক করো। তা হলে ভাল হব। আপলোক সভা করে থাকলে ভাল হবে। হামার বলবার নেই। নমস্কার।

[ সভাই হাত চাপড়ি দিবে ]

[ সভাই জয়ধ্বনি দিবে—প্রবাসী বাঙালী সম্মিলন জয় হউক ]

* • •

[ অসমত জাহাজ চলাচল হ'ল। বঙ্গদেশর লগত রেল
যোগে সম্বন্ধ হ'ল। ভারতীয় লোকর চকু অসমর
ওপরত পরিল। অসমত বেহা বেপারর সুচল
আরু চাকরীর সুবিধা দেখি, বঙালী
পাঞ্জাবী, মারোৱারী শিখসকল
আহিব ধরিলে। বাহিরার চলর
দরে বিদেশীর আগমন
অবাধ গতিত
আগ বাঢ়িল। ]

[ রেলর ধ্বনি, উঠি আরু রেল থামে ]

কুলি—বাবু কুলি। বাবু কুলি। এ বাবু, কুলি লাগবে?

১ম যাত্রী—( বহুতো বোজা কান্ধত লৈ ) না, লাগবে না।

২য় কুলি—( চাথা মোহারী ) আরে বাবুজী, পইছা তো জেরি দিলা না।

১ম কুলি—এইছা কৰ্কে কেত্না দিন ৰহেগা হু ?

[ মানুহৰ ভিৰৰ মাজেৰে এজনে এটা চৌদা পানীৰ বটল আৰু তামোল পাণ লৈ যায়, এজনে চানাচুৰ বাদাম লৈ আহে । ]

চানাচুৰ আলা—চাই টাট্কা চানাচুৰ ভাজা ?

পানী আলা—চৌদা পানী লেবনেট ।

পাণ আলা—পাণ, বিড়ি, চিগাৰেট ।

কাগজ আলা—চাই আজকেৰ আনন্দ বজাৰ পত্ৰিকা, দৈনিক বসুমতী— ।"

[ বেদে উকি দিয়ে ]

* * * *

[ আলিবাট । কেইজন মান গাৱঁলীয়াৰ প্ৰবেশ ]

১ম গাৱঁলীয়া—আজি কালি বোপাই, বাটে ঘাটে ওলাবও নোৱাৰা হ'ল ।

২য় গাৱঁলীয়া—নকবা দেউ । মানৰ লগে লগে অসম বাৰ বঙালে ভৰি পৰিল ।

৩য় গাৱঁলীয়া—মই কেইদিন মান আগতে বঙালী কেইজনৰ হাতৰ পৰা কথমপি হে সাৰিলো । হলেও দেউ, গা নোধোৱাকৈ থাকিব নোৱাৰিলো ।

১ম গাৱঁলীয়া—থালে থালে । বঙালে অসমক কঙাল কৰিলে ।

[ গুৱাহাটীৰ কাষৰ এখন গাওঁ । পাৰ্টীৰ মেল্ কিৰ ঘৰত আদৰণীয়া মানুহ কেইজনমানে তামোলৰ বটা লৈ মেল পাতিছে ]

১ম জন—হেৰা শুনিছানে ? উজনিত হেনো বৰ আন্দোলন লাগিছে । বহুতো আমাৰ মানুহ বোলে মৰিছে ।

২য় জন—কিহৰ নো আন্দোলন হে ?

৩য় জন—কিনো হ'ল আকৌ ?

১ম জন—এইবেলি হেনো বগা বঙালক খেদাবলৈ আন্দোলন চলাইছে ।

৪র্থ জন—আমাৰ সত্রৰ পিনে নেকি ?

১ম জন—মযো ভালদৰে নেজানো ।

২য় জন—মান খেদি কেল কেলালে, এতিয়া আকৌ বঙাল খেদে ।

৩য় জন—আমি হলে যোগ নিদিও দিয়া ! মিছাতে উলুখ লগত বগৰি পোৰা যোৱা মেল ।

১ম জন—নহয় হে, বঙালে এইবেলি দেশ নেৰাখিব ।

৪র্থ জন—দিযাহে, যি হয় হব । হৰিয়ে ৰাখিলেও ৰাখিব, মাৰিলেও মাৰিব, আমাৰ তাত নো কি ? যেতিয়া যি হয় হবই তো ।

২য় জন—অ' ডাঙৰ বাপা মাৰাক কৈ ছুটামান তামোল আন ।

( ভিতৰৰ পৰা )—মেল পকাই পকাই তামোল নেখাই খাব কি ? কাম নাই, বন নাই দিনৰ দিনটো মেল ! মেল ! নি তাৰ পৰা ।

অ' মাই, ক'ত আছে ?

তাতে কলহত আছে দে ।

[ পৰাজনে তামোল আনি ঠাইত থৈ যায় ]

৩য় জন—বেলা দুপৰ হ'ল হে। আজি আৰু কাম একোৱে নহ'ল। মই আহিছিলো গৰু বিচাৰি, পিচে গৰু বিচাৰি ইয়াতেই কটালো। গৰু হাল নকৰিলে ভাত মুঠাৰো মুধা মৰিব।

১ম জন—আমাৰ নো কি হব ? মোবামৰীয়া বিদ্রোহত এবাৰ হাৰাশাস্তি হলো। তাৰ পিছত মান। ঘৰবাৰী, মাটি সম্পত্তিৰ আশা এৰি পলাই গৈ পাতিদৰঙৰ পিনে থাকি জীৱন কেইটা বচালো। এইদৰে নো ঘৰ ভঙা পতা কৰি কি সুখত থাকবা। ভগবন্তে আমাৰ কপালত শান্তি নিলিখিলে।

৪র্থ জন—নকৰা আৰু সেইবোৰ। মই পলালো তিৰি চলি লৈ। এটা এটাকৈ দুটা লৰা মৰিল। ঘৰত আহি চাও যে গৰু হাল নাই, বাৰী ঘৰো জুইত পুৰি গল। উস্ সেই দিন—।

[ কমুনিয়াচ পেলায় ]

১ম জন—এতিয়া আৰু উঠা উঠি কৰাই ভাল। অ' মেলকি তুমি পাবা যদি খবৰটো লোৱা।

৪র্থ জন—এৰা, খবৰটো লব পাৰিলে বেয়া নহয়।

২য় জন—আগতে খবৰটো নেপালে বিপদো হব পাৰে। দৰকাৰ হলে কিজানি আমিয়েই সহায় কৰিব পাৰো।

৩য় জন—বাক, ময়ে চাম দিয়া। উজনিৰ পৰা অহা নাৰৰীয়া সকলে জানে নহয়। মই পাবো যদি পথুলি লৈকে এবাৰ লগ্ ধৰিম। এতিয়া যাওঁ দিয়া, থাকা।

১ম জন—আমিনো ৰহি কি কৰিম। উঠোই দিয়া। মেলকি তুমি থাকা।

* * *

[ শিৱসাগৰ পুখুৰীৰ পাৰত গধূলি কেইজনমান আলহীৱা লোক বহি কথা মহবা পাতি আছে। পুখুৰীৰ ওচৰৰ গছৰ মাজত কুঁৰি আঁহি আছে সে আছে। ]

১ম জন—বগা বঙালৰ কোব আৰু কিমান সহিবা হে।

২য় জন—কি কব। বগাৰ লগতে কলা বঙাল। বগাই কলাই লগ লাগি দেশখন লুটি পুতি ললে। ইহঁতে শান্তিৰ কথা কৈ ৰাজ্যত বিষ হে ঢালিছে।

৩য় জন—দেশৰ নো বিলৈ কি চাব। মানে একেবাৰেই মাৰি থৈ যোৱা হলেই ভাল আছিল। কালে পোৱাইতে সেইটোও নকৰিলে।

১ম জন—আমি সাজু হব লাগিল দিয়ক। যাবো আউ এই বেলি নেচাও। এইবেলি বঙালক একশিকনি দি হে এৰিম।

৪র্থ জন—দেখিছেই নহয়, সিহঁতে আহি গোজ নোপোতোতেই পিয়লী ফুকনক কাটী দিলেই। ইমান সাহ। ৰজা ঘৰ নোহোৱাৰ বাবে অসমীয়াক অবলা নাৰী পালে।

৫ম জন—আমাৰ ঘৰে খাই আকৌ আমাকে মাৰে, কি অত্যাচাৰ।

৪র্থ জন—আমাৰ গঞা হলে সাজু হৈ আছে। দেখিছো, কৰবাত লাগি গলেই লাগি গ'ল।

৩য় জন—আমিও মনে মনে যোগাৰ কৰিব ধৰিছো।

২য় জন—এইবাৰ নেৰিম। পিযলী, মণিৰামক ফাঁচী দিয়াৰ মজা বাহিৰ কৰিছে এৰিম।

১ম জন—এই সময়তে যদি সিহঁতক দমাই লোবা নেযায়, তেনেহলে গোজেই গছ হৈ বহিব।

২য় জন—কিহৰ দমোবাহে? লাচিতৰ দৰে ইহঁতকো মানাহৰ সিপাৰ কৰি থব লাগিব।

১ম জন—অ' সন্দিকৈ, আপোনাৰ ঘৰৰ কাষৰ বেজবৰুবা মানুহজনলৈ চাব। তেওঁ বঙালৰ ফলীয়া হোবা যেন লাগে।

২য় জন—সেইবোৰে তো খালে। ঘৰ শত্রুৱে ঘৰ নেখালে অপৰ শত্রুৱে ঘৰ খাব আহেনে?

৪র্থ জন—এতিয়া এন্ধাৰ হ'ল। যাওঁবেই বলক।

৩য় জন—অঁ তো, উঠাই ভাল। তেনেহলে মই যাওঁৱেই।

১ম জন—বাৰু ভাল।

[ প্ৰধুাল ফুৰিবলৈ পুখুৰীৰ পাৰলৈ কেইজন মান ডেকা যায় ]

হেম—নৰেন, আমি বেচি পলম কৰিলে সকলো পন্দ হৈ যাব। লৰা লৰি কৰা।

নৰেন—কাইলৈ আমি ঘূৰি ফুৰি মান মানুহ সংগ্ৰহ কৰো। কি কোৱা খগেন?

খগেন—এৰা, কালি ঘূৰি মেলি মানুহ খিনি গোটাই লৈ পৰহি ঠিক কৰা যাওক।

হেম—চাবা আকৌ, পৰহি নহলে সমূলক্ষে নাশ হৈ যাব।

খগেন – আমাৰ কেইজন মানৰ হাতত ভাল তৰোৱাল লাগিব দেই। নহলে

কৃষ্ণ—নহলে কি? হবই নোৱাৰে। তৰোৱাল তো লিবই লাগিব

হেম—বাক নৰেন, তুমি বাৰুদৰ বিষয় কিবা ঠিক কৰিছানে নে নাই?

নৰেন—বাৰুদৰ বিষয় ঠিক কৰাই আছে।

কৃষ্ণ—এইবোৰ কথা কাকো নকবা দেই।

নৰেন—এতিয়া ঘৰা ঘৰি যাওঁ ব'লা।

হেম—ব'লা তেনেহলে। ৰাতি এবাৰ আহিবাচোন? ধাই আলিৰ পিনে এপাক দিম।

খগেন—সেই পিনে যোৱা হলে ভাল হব দিয়া। ময়ো আহিম।

* * * *

[ পাঠশালা স্কুল ঘৰ। কেইজন মান ছাত্ৰই কিতাপ আৰু চিলেট লৈ পাঢ়িছে। শিক্ষক চেকনি লৈ ছাত্ৰৰ ওচৰে ওচৰে ঘুৰিছে ]

শিক্ষক—( ব'ৰ্ডত লিখি সোধে ) এইটো কি অক্ষৰ?

[ ছাত্ৰবোৰে কয় - অ' ]

শিক্ষক—( ব'ৰ্ডত 'আ' লিখি দি ) এইটো কি অক্ষৰ?

[ ছাত্ৰবোৰে কয় – আ ]

শিক্ষক—( ব'ৰ্ডত 'ব' লিখি দি ) এইটো কি অক্ষৰ?

[ ছাত্ৰবোৰে কয় ব ]

শিক্ষক—( ব'ৰ্ডত 'ৰ' লিখি দি সোধে ) এইটো কি অক্ষৰ?

[ ছাত্ৰবোৰে কয় –পেট কাটা 'ৰ' ]

শিক্ষক—( এজন এজনকৈ সোধে আৰু কোবাই যায় ) কাল্‌কে বলচুলুম না ? বুবক কাহাকাৰ, ব'ল ব'ল। [ কোবাই । ]

[ বাকীবোৰ ছাত্ৰ নিমাত হৈ থাকে। তুই এজনে চকুপানী টোকে

শিক্ষক—পেটকাটা 'ৰ নয়। বয শূন্য 'ব । মনে থাকবে।

বলতো হৰিচৰণ, কি বললুম।

হৰিচৰণ—( চকু মোহাৰি ) বয শূন্য 'ব ।

শিক্ষক—বেচ্‌ । বেচ ।

শিক্ষক ( ব'ৰ্ডত 'হ' লিখি সোধে ) এইটো কি অক্ষৰ ?

[ ছাত্ৰ সকলে একেলগে কয় 'হ' ]

* * *

[ আন এখন পঢ়াশালী । ইয়াৰ ছাত্ৰবোৰ বয়সীয়াল । শিক্ষক জনৰ পেট ওলোৱা । ছাত্ৰবোৰে চাবিত বহিছে । শিক্ষকে চকিত বহি পঢ়ুৱাইছে ]

শিক্ষক—সত্যনাথ তোৰ দেশৰ নাম কি ?

সত্যনাথ—কামৰূপ ।

শিক্ষক—( ধমক দি ) কামৰূপ। আৰে মৰ্‌তে আচ্ছ কেন ?

আন এজন ছাত্ৰ—অসম ।

শিক্ষক—কে, কে বলছ ? ( সকলো নিমাত ) তুই, তুই না ? ( কোবায )। আৰে আসাম নয়। বাঙ্গলা দেশ। এখন মগজে ঢুকৃল ?

শিক্ষক—শিবনাথ, তোৰ ভাষাৰ নাম কি ?

শিবনাথ—অসমীয়া ।

শিক্ষক—আৰে বুৰ্বক, কাল আমি বল্‌চুলুম্‌ না ? ( কোবায় ) আৰে বাঙ্‌লা ভাষা ।

শিক্ষক— কল্লৰাম, তুই বল, ঈশ্বৰ চন্দ্ৰ কে ?

কল্লৰাম—( মূৰ খজুৱাই থিয় হৈ ) তেওঁ আমাৰ দেশৰ এজন ডাঙৰ পণ্ডিত ।

শিক্ষক—কি ভাষা বল্‌চিচ্‌ ? হ্যা কি ভাষা ? ( কোৰ ধৰে ) বল্‌ বল্‌ । তিনি আমাৰ দেশেৰ একজন বৰ পণ্ডিত ছিলেন ।

কল্লৰাম- তিনি আমাৰ দেশেৰ একজন বৰ পণ্ডিত ছিলেন ।

শিক্ষক—অ' ৰঘুনাথ, আজকেৰ পড়া কোথায় ?

ৰঘুনাথ – ( মূৰ খজুৱাই কিতাপ খন লৈ গৈ শিক্ষকক দেখুৱায় ) এখানে ।

শিক্ষক—এখন তুই পাঠ কৰ ?

ৰঘুনাথ—( কিতাপখন লৈ ) ঈশ্বৰ চন্দ্ৰ আমাৰ দেশেৰ একজন বৰ পণ্ডিত ছিলেন । তিনি এক দৰিদ্ৰ ব্ৰাহ্মণেৰ বাৰীতে জন্ম গ্ৰহণ কৰেন । শিশু হইতে ঈশ্বৰ চন্দ্ৰ শান্ত শিষ্ট ছিলেন । আজ তাৰ নাম এবং খ্যাতি সাৰা পৃথিবীতে বিস্তাৰিত হইয়াছে ।

শিক্ষক আজ স্কুল ছুটী হলো । ( স্কুল ছুটী হয় ) ।

[ কছাৰৰ ঘৰৰ সন্মুখ । নানা ধৰণৰ মানুহৰ সমাবেশ । এজন কেনভাচাৰে কিছুমান বটল লৈ তোৱা মানুহক ভুলাই বিক্ৰী কৰিব ধৰিছে ]

নিয়ে যান দাদেৰ মলম । সস্তাদৰ, নিয়ে যান । এক এক শিশিই এক এক সিকি । বাত বিষেৰ ঔষধ নিয়ে যান । পেটৰ কামোৰ, সৰ্দ্দি, কাঁচ চাৰি ঘণ্টাই

আৰোগ্য হয়ে যায়। এই যে বিষহৰি। সব ৰকমৰ বিষ নাশ কৰে। নিয়ে যান। চলে গলে পাবেন না। বিশুদ্ধ ঔষধ। ৰোগী আৰোগ্য না হইলে দাম ফিৰৎ লইতে পাৰবেন। (চাৰিও পিনৰ পৰা মানুহে আগুৰি ধৰিছে। কিছুমানে কিনিছে।)

[কছাৰি ঘৰৰ ভিতৰ। হাকিম উকীল আৰু মহৰী। হাকিম আৰু উকীল চিয়াৰত বহি আলোচনা কৰি আছে]

উকীল—মহৰী, বেঙ্কেৰ মামলাটাৰ নটিশ কৰেছ ?

মহৰী—আজ্ঞা হ্যা।

উকীল—জিনাৰামেৰ মামলাৰ দিন আজকে নয় ?

মহৰী—আজ্ঞা, হ্যা! জিনাৰামতো আসে নেই।

উকীল—সে হাজিৰ হউক বা না হউক আমাৰ তাতে ক্ষতি কি ? আজ যেমনি হউক তাৰ মাটি লীলামে দিতেই হবে।

মহৰী—সে বেঙ্কেৰ টাকা নেই, দেয়না কেন ?

উকীল - মজা আজকে বেৰ হইবে। বেঙ্কৰ ধাৰ হলো দুই কুৰি টাকা। এই দুই কুৰিতেই তাৰ সমস্ত তিয়াল্লিচ পুৰা মাটি চলে যাবে।

মহৰী- সেইটা হলে তো বৰ ভাল হয়, আজ্ঞা। আপ্‌নাৰ জহে একটু সম্পত্তি কৰ্‌তে পাৰবু।

উকীল - (হাকিমক) চাৰ, জিনাৰামেৰ লীলামটা এখনিয়ে দিয়ে দিন। পৰে অনেক ফিকদাৰী হইবে।

হাকিম—আচ্ছা দেই ( ফাইলটো চাই ) উকীল বাবু আধা ঘণ্টা খানিক বস্‌তে হবে । আমি সব ঠাক ঠিক কৰি।

উকীল- আচ্ছা, তা হলে আমি এই খানিই থাকি ।

হাকিম - উকীল বাবু, আমাকেও ভাল দেখে মাটি কিছু কিনে দিন ।

*    *    *

[ কামৰূপ সমবায় গাওঁলীয়া বেঙ্কৰ অফিচ ঘৰ । বেঙ্কৰ চেক্রেটৰী আৰু দুজন গাৱঁলীয়া ]

চেক্রেটৰী—টাকাৰ জন্য একটা দৰ্খাস্ত কৰ । সেখানে তোমাৰ মাটি কত আছে এবং কোথাই কোথাই আছে সেটাও উল্লেখ কৰ ।

১ম গাৱঁলীয়া—মই মহৰীৰ দ্বাৰাই লিখি আনিছি । আপুনি দয়া কৰিলেই হয় ।

চেক্রেটৰী—টাকা কত ? ( দৰ্খাস্ত পঢ়ে ) অ' দুই কুৰি যোল ।

১ম গাৱঁলীয়া—হয়, আজ্ঞা ।

চেক্রেটৰী—এখানে জামিনদাৰেৰ নাম এবং গ্ৰাম পিতাৰ নাম লাগবে ।

[ লগৰ জনে আমিন কৈ চহী কৰে ]

পৰশু আস্‌বে । আজকে আমাৰ হাতে টাকা নেই ; দৰ্খাস্তটা আমাৰ হাতে থাক্ ।

১মগাৱঁলীয়া - বাৰু হব ।

চেক্রেটৰী—তোমাৰ গ্রামে মাছ, দৈ পাওৱা যায় ?

১ম গাৱঁলীয়া—হয় আজ্ঞা, পায়। বাৰু মই লৈ আহিম। তেনেহলে উঠোঁ।

[ নমস্কাৰ কৰে ]

[ প্রস্থান ]

* * *

[ আন এজন গাৱঁলীয়াৰ প্ৰবেশ ]

গাৱঁলীয়া—অ' ঘৰত আছে নেকি ?

চেক্রেটৰী হ্যাঁ, হ্যাঁ ? আছি। কেন আস্‌লে বল।

গাৱঁলীয়া—মই যে আপোনাৰ পৰা টকা নিছিলো। তাৰে আজি অলপ মূল ধনো দিওঁ আৰু বছৰৰ সুত ফেৰিও দিওঁ।

চেক্রেটৰী—দাও। ( টকা গণে ) আজকে আমাৰ ৰচিদ বহী নেই। সবটাই শেষ হুলো। পৰে ৰচিদটা নিয়ে যাও। কেমন ?

গাৱঁলীয়া—নহলেও হব। আপোনাকনো অবিশ্বাস কৰো নে ? আপোনালৈ এটেকেলি দৈ আনিছিলো। এই নিয়ক ( টেকেলিটো আগবঢ়াই ) তেনহলে যাওঁ, থাকক।

[ নমস্কাৰ কৰি ওলাই যায় ]

চেক্রেটৰী—( নিজকে নিজে কয় ) কি বোকা। টাকা দেয়, ৰচিদ নেই না, আৰু দলিল দিয়ে যায় আমাৰ হাতে। যাই হওক হওক, আমাৰে মঙ্গল। তাৰ সৰ্ব্বস্ব সম্পত্তিৰ মালিক আমি হব। কিসেৰ লোকচান ?

[ কছাৰি ঘৰ। হাকিম, উকীল, পেচ্কাৰ আৰু চাপ্ৰাচী ]

হাকিম—আচামীৰা বোকা লোক। তাৰা টাকা নেই, ঘৰ দেই না। এমনি কৰে তাদেৰ বাৰী ঘৰ সব্টাই গেল।

উকীল—এমনি কৰে তাদেৰ অল্প অল্প কৰে তাদেৰ বাৰী ঘৰ সবটাই গেল।

হাকিম তাৰা বোকা হওয়াৰ জন্য আপনাদেৰেই তো লাভ। (হাঁহে)

উকীল—তা ঠিক। আমাদেৰ বাঙালী উকীল প্ৰত্যেকেৰাই এই মাম্লা নিয়েই দেখ্তে দেখ্তে এক এক জন চোট জমীদাৰ হইয়াছে।

হাকিম—পেচ্কাৰ, আজকে মাম্লা পাঁচটা আছে না?

পেচ্কাৰ—হ্যা পাঁচটা আছে।

হাকিম—নম্বৰ গুলি ঠিক ঠাক কৰে ৰেখে দাও?

উকীল—দেৰি আছে কি?

হাকিম—না, একটু দেৰি হইবে আৰ কি।

[ পৰ্দাৰ কাপোৰ ]

[ কলিকতাৰ হোটেল। প্ৰবাসী অসমীয়া ছাত্ৰ সকল লগ হৈ আলোচনা কৰিছে ]

চৌধুৰী—বৰুৱা, অসম গ'ল, তেনেই গ'ল। ইয়াক আৰু ৰক্ষা কৰা নহব।

ডেকা—কিয় যাব হে ?

বৰুৱা—আপুনি আপোনাৰ বিছনাৰ ওপৰত কৈ থাকিলেই হব দিয়ক ।

চৌধুৰী—আমাৰ পঢ়া শুনা সকলো বঙালীতে হল । কলিকতালৈ আহিলো, ইয়াতো সেই বঙালী পঢ়া । অসমীয়া ভাষা আমাৰ শিকা নহলে দিয়ক ।

দাস—আমি যি কেইজন অসমীয়া ডেকা ইযালৈ আহিছো, প্ৰত্যেকেই একোজন উচ্চ শিক্ষিত ডেকা । আমাৰ বাহিৰে আৰু অসমত উচ্চ শিক্ষাৰ পোহৰ পোৱা কোনো নোলাব । আমিও আহিলো, বহুত জোৰ জুলুমৰ মাজেদি বুকুত অসীম সাহস লৈ ।

বৰুৱা—কথাটো তো হয়েই । পিছে ভাই, কামত নামিবা, তাতে কত আহুকাল । আমাৰ বহু সমস্যা হে । চোবা, আগ পিচ ভাবি চোবা । হুৰা-মুৰাই কামত লগতো মই সমৰ্থন নকৰো ।

চৌধুৰী—কথা সেই বোৰেই তো টান । ঢেকিয়াল ফুকন আহক, তেতিয়া সমালোচনা কৰিম ।

ডেকা—সেইটোৱে তো ভাল হব দিয়ক । আনন্দ বাবুৰো সেই সম্বন্ধে ভাল জ্ঞান আছে । তেখেত এইবোৰ কামত আগৰণুৱা ।

[ বৰুৱাই বিচনাত বাগৰ দি এটা বঙালী গীত গাব ধৰে । গীত গোৱাৰ শেষত সকলোৱে ঠাট্টা কৰিব ধৰিলে ]

চৌধুৰী—এই বোৰেই বহুয় আমাৰ আদৰ্শ । আমিয়েই বাজি আমাৰ আদৰ্শক বলি দিওঁ ভেনেহলে কি হব ?

বকৰা – গান গালে দায় লাগে নহয় ? পিছে আপোনালোকে যে বঙালী কথা কয়।

দাস—বঙালী ৰাজ্যত বঙালী তো কবই লাগিব। তথাপিও আমি বাধ্য—নহলে নকওঁ।

বকৰা দিযক হে, এৰক। কোন কিমান দেশ প্ৰেমিক জনা আছে।

[ পুনৰাই ৰাগৰ দি এটা ৰবগীত গাব ধৰে ]—

পাঁৰে পৰি হৰি
কৰোহো কাতৰি
প্ৰাণ ৰাখাহি মোৰে।

[ প্ৰেচিডেন্সি কলেজৰ এটা এটা কোঠা। দেশৰ পৰিস্থিতিৰ বিষয় আলোচনা কৰিবলৈ সকলো প্ৰবাসী অসমীয়া ছাত্ৰ সমবেত হৈছে। চৌধুৰীয়ে বক্তৃতা দিছে, আনবোৰে বেকত বহি শুনিছে ]

অসমীয়া ভাই সকল। আজি আমাৰ দেশৰ অৱস্থা ভয়াবহ। হেজাৰ দিনীয়া কৃষ্টি যদি আমি ধ্বংশ হবলৈ দিওঁ তেনেহলে আমাক অসম বাসীয়ে শাও দিব। আমাৰ ভাষা, কৃষ্টি অক্ষুণ্ণ ৰাখিবলৈ আমি সকলো অসমীয়াই যুজিব লাগিব। আমি শিক্ষিত ডেকা সকলে এই

আন্দোলনৰ আগৰণুৱা হব লাগিব। এই সময়ত যদি আমাৰ পথ মোকোলাই নলওঁ তেনেহলে ভবিষ্যত আমাৰ অন্ধকাৰ। চাওক, বঙ্গ দেশ আছিল কি? যেতিয়া শঙ্কৰ, মাধৱে অসমত বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰ কৰে, অসমীয়া ভাষাৰ ভেটি বান্ধে, কৃষ্টিত ন কৈ ৰহন দিযে তেতিয়া বঙ্গত একোৱে নাছিল। আজি বঙালীবোৰে পাশ্চাত্য সভ্যতাৰ গুণত, ইংৰাজৰ গুণত ন কৈ এটি জাতি গঢ়ি তুলিলে। আমি তাৰ তুলনাত কিমান পিচপৰা। আজি আমাৰ অসমৰ গাঁৱে ভূঞে, নগৰে চহৰে বঙালী মানুহ। অসমীয়া ভাষাৰ সলনি আদালতত চলিছে বঙালী, পঢ়াশালীত চলিছে বঙালী। আজি অসমত অসমীয়া ভাষাৰ, অসমীয়া কৃষ্টিৰ স্থান ক'ত? আহক, সকলোৱে দেশৰ হকে ওলাই আহক। আমাৰ ওপৰতেই অসমৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে।

[ সভাই হাত চাপৰি দিয়ে ]

দাস—( থিয় হৈ ) আমি কি দৰে কামত লাগিম সেই সম্বন্ধে এখন আঁচনি কৰিব লাগে মই ভাবো শ্ৰীযুত ঢেকিয়াল ফুকনে এই কাম কৰিলে ভাল হব। আঁচনি কৈয়ে আমি কামত লাগি যাম।

ঢেকিয়াল ফুকন—মোৰ কবৰ বিশেষ নাই। তথাপিও অলপ কথা কবলৈ ওলালো। যি কথা কম সি মোৰ নিজ আৰু দেশৰ মঙ্গলৰ বাবে। আমি এই কেইজন ডেকাই যদি

কৰো বুলি লাগো, তেন্তে অসমৰ বহুত উন্নতি কৰিব পাৰিম। আমি এই বেলি অসমলৈ গৈ প্ৰত্যেকেই অসমৰ পৰা বঙালী উঠাই, অসমীয়া ভাষা প্ৰচলন কৰিবলৈ এক প্ৰাণে লাগিব লাগিব। এতিয়া আমি ইংৰাজ কৰ্ম্মচাৰী সকলৰ লগত এই সম্বন্ধে লিখা লিখি কৰিব লাগে। আমি আটাই কেইজন ডেকাই চিফ্ কমিচনাৰক দেখা কৰি আমাৰ দুখৰ কথা জনাব লাগিব। দ্বিতীযতে আমাৰ দেশৰ সাহিত্যৰ উন্নতি আৰু অসমীয়া জনসাধাৰণে যাতে পঢ়ি শিক্ষা লাভ কৰিব পাৰে তাৰ বাবে অসমীয়া ভাষাৰ দুই এখন পুথি লিখিব লাগে। পুৰণি সাহিত্য কেইখনক খামোচ মাৰি ধৰি থাকিলে নচলিব। পুৰণি সাহিত্যৰো উন্নতি কৰিব লাগিব, নতুন নতুন সাহিত্যৰো সৃষ্টি কৰিব লাগিব। আমি এই সম্বন্ধে তৰ্ক আলোচনা কৰি থাকিলে নচলিব। প্ৰত্যেকটো সমস্যাকে কাৰ্য্যত পৰিণত কৰিবলৈ যত্নপৰ হব লাগিব। মই ভাবো আমি যি কেইজন ডেকা আছো, সেই কেই জনৰ ভিতৰত এটা সঙ্ঘ স্থাপন কৰিলে আমাৰ কাম কৰাত সুবিধা হব। তেতিয়া হলে প্ৰত্যেকটি কাৰ্য্যই সফল হব। আপোনালোকৰ মতামতৰ ওপৰত সকলো কথা আৰু দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে।

[ সকলোৱে হাত চাপৰি দিলে ]

ডেকা—( থিয় হৈ ) শ্ৰীযুত ফুকনদেৱে কৈ যোৱা কথা মতে কাম কৰিলে আমাৰ মঙ্গল হ'ব। এতিয়া আমি অতি সোনকালে ফুকনদেৱে কোৱা মতে এটা সঙ্ঘ স্থাপন কৰিব লাগে।

[ খৃষ্টান ধৰ্ম্ম প্ৰচাৰৰ কাৰণে খৃষ্টান পাদুৰী সকলৰ অসমলৈ আগমন। পাদুৰীসকল আহি ধৰ্ম্ম প্ৰচাৰত লাগিল। ইংৰাজ ৰাজত্বৰ সুবিধা লৈ পাদুৰীসকল সমগ্ৰ ভাৰতত সিঁচৰতি পৰিল ]

[ গুৱাহাটীত পাদুৰী সকলে কছাৰী ঘৰত সৰ্ব্বসাধৰণক আহ্বান কৰি ধৰ্ম্ম সভাপতি খৃষ্টান ধৰ্ম্মৰ বিষয় বাইবেল বুজায় ]

১ম পাদুৰী—আমি আপোনা লোকৰ কাচে আহিছে ভগ্‌বান যীশুৰ নিৰ্দ্দেশ লৈ। যীশু আমালোকক আপোনা লোকেৰ কাচে পঠিয়াইছে। ভগ্‌বান যীশুৰ খৃষ্টান ধৰ্ম্ম বৰ ভাল আছে। ভগ্‌বান যীশুৱে আমাকে বহু জ্ঞান দিছে। যীশুৱে অহিংসা, সত্য লৰলৈ মানুহক বলিছে। খৃষ্টান ধৰ্ম্মতে কোনো জাতি ভেদ নাহি আছে। যীশু গৰীব লোককে খুব ভাল পাইছিলে। খৃষ্টান ধৰ্ম্মতে মানব প্ৰেম আছে। যীশু বলিছে সব মানুহকে ভাল মৰম চকুৰে চাব লাগে। আপোনালোকে খৃষ্টান হইবাৰ

লাগে। বাইবেল পঢ়িলে সৱ কথা বুজিবাৰ পাৰিবে। ভগ্‌বান যীশুকে আৰাধনা কৰিবলৈ গীৰ্জ্জা কৰিব লাগে। গীৰ্জ্জাতে যীশুকে আৰাধনা কৰিবে লাগে।

[ সভা ভঙ্গ হয়। বঙালী চাহাব অসমীয়া সকল সভা মণ্ডপৰ পৰা ওলাই যায় ]

*　*　*

[ গুৱাহাটীৰ এখন গাওঁ। গাওঁলৈ খৃষ্টান ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ যায়। গাৱৰ মহীয়ান মানুহ কেইজনমানক লগ ধৰে ]

ম পাহুৰী ঘৰতে কোন লোক আছে?

ঢ়া—( ভিতৰৰ পৰা পুতেকে মাতে ) অ' ডাঙৰ বাপা, কৰবাৰ পৰা দুজন চাহাব আহিছে, বাহিৰৰ চৰা ঘৰটোতে বহিব দি শোধ পোচ কৰচোন?

পুতেক—( চাহাবৰ চেৰলৈ গৈ ) আহক বহকহি। ( দুটা মোঢ়া আগবঢ়াই দি বহিবলৈ দিয়ে )

ঢ়া—( আঠুমূৰীয়া পৰিস্কাৰ কাপোৰ পিন্ধি গাত এটা ফটা চোলা লৈ সোমাই আহি নমস্কাৰ কৰে ) দেউতাসকল, কিয় এই হীনৰ ঘৰত আহিল কওক। ( নিজে এখন ঢাৰি লৈ বহে )

ম পাহুৰী—আমালোক আহিছে আপোনালোকেৰ গাওঁ দেখিবে।

ঢ়া—বৰ ভাল হৈছে। আপোনা সকল আহিল কিন্তু আমি দিব পৰা বস্তু একোৱেই নাই।

২য় পাহুৰী—আমালোকক দিবলৈ একো নালাগে। আমি আহিছে আপোনালোকেৰ লগে কথা বাট বলিবে।

বুঢ়া—অ’ ডাঙৰ বাপা, ডাঙৰ বাপা। অ’ ক’ত গলি ঐ? মানুহ ঘৰলৈ আহিলে সি ঘৰত থাকিবই নোৱাৰে। মানুহৰ চটা মটাই সহিব নোবাৰে। অ’ ডাঙৰ বাপা ডাঙৰ বাপাঐ ( চিঞৰি বাহিৰলৈ ওলাই যায় )।

পুতেক—( ভিতৰত ) কিয় ?

বুঢ়া—( ভিতৰলৈ গৈ ) তই নো ক’ত যাব ?

পুতেক – ক’ত নো গলো। বাৰীত আছো দেখোন।

বুঢ়া—যাচোন, গাওঁবুঢ়া, মেল্‌কি, সাধিৰাম আৰু বৰডেকাক মাত গৈ। ( বুঢ়াই তামোলৰ বঁটা এটা লৈ আহি নিজৰ চাৰিত বহিল )।

বুঢ়া—হুজুৰ, আমি মান যোৱাৰ পৰা ভালকৈ থিতাপিকে হব পৰা নাই। মানে আমাক হবৰ পালি কৰিলে।

১ম পাহুৰি—মান আহি ক’ত আছিলে ?

বুঢ়া—নকব দেউতা, সিহঁত আহি ক ত আছিল, ক’ত যায় কোনেও চেগকে ধৰিব নোৱাৰিলে। সিহঁতে আমাৰ বাৰী ঘৰ পুৰি শ্মশাণ কৰি থৈ গ’ল।

১ম পাহুৰি—সিহঁতে মানুহ মাৰিছে নেকি ?

বুঢ়া—আমাৰ হলে ঘৰত মানুহ মাৰিব পৰা নাই। আমি দূৰে দূৰে পলাই সাৰিলো। পিচে মোৰ মাজু লৰাটো ৰণলৈ গৈছিল। আজি লৈ তাৰ খবৰকে নেপালো

ৰণত যোৱা সকল হলে ফিৰা নাই। ( বুঢ়াই কান্দিব ধৰে )।

২য় পাহুৰি—উস্। আমালোকৰ বৰ দুখ লাগিছে। সিইত বৰ বদমাচ আছিল। দুখ নকৰিব। সব ভগবান কৰ ছে।

বুঢ়া—( গামোচাৰে চকুপানী টুকি ) হয়, প্ৰভুৰ লীলা খেলা। কোনোবা জনমত পাপ কৰিছিলো, এই জনম* প্ৰভুই তাকে কৰিলে।

( বাহিৰৰ পৰা মেল্‌কিয়ে মাত লগায় ) অ' বৰ্ম্মণ কাকা, হঠাতে দেখো মাত্তিলা। কিবা জগাৰ লগালো নেকি ?

বুঢ়া—আহা হে মেল্‌কি, তোমাকে চাই আছো।

মেল কি—( ভিতৰলৈ সোমাই পাহুৰি দুজনক নমস্কাৰ কৰি বহে ) পিচে, আপোনালোক কৰ পৰা কিয়বা আমাৰ দুখীয়া গৰীবৰ ঘৰলৈ আহিল।

১ম পাহুৰি—আমালোক, আপোনালোকৰ লগে দেখা কৰিতে আহিছে।

মেল্‌কি—কাৰণ বা কি ?

২য় পাহুৰি—আমিলোক ভগবানেৰ দূত। আমালোকে আপোনালোকেৰ অৱস্থা বুজিবলৈ আহিছে।

মেল্‌কি—নকৰ দেউতা, মানে তো একামোৰ ভালকৈয়ে খালে, এতিয়া আকৌ কলা বত্তান্দৰ কোৰত ঠাওৰিব নোৱাৰা

হৈছো। আপোনালোকে ফিৰি নাচালে আমাৰ তৰি বৰ উপায নোহোৱা হৈছে।

বুঢা—বুজিছা মেল্‌কি, সেই দিনা মোৰ নাতি লৰাটোক সিহঁতে জোৰ কৰি পঢ়ুবাবলৈ নিছিল। সিহঁতে বোলে পঢ়াৰ খৰছ বহন কৰিব আৰু তাক বোলে বঙ্‌লা শিকাবই। মই জী-জোৱাঁইক কৈছো, বঙলা পঢ়াই জাত কল নেমাৰিবা। লৰাটোক লৈ আহি ঘৰতে কীৰ্ত্তন দশম পঢ়িবলৈ শিকোবা।

১ম পাহুৰি—সেইটো ভাল নহয় আছে।

( জয়নাথ গাওঁবুঢ়াই বাহিৰৰ পৰা মাত লগায ) অ' বৰ্ম্মণ কি কৰিছা ?

বুঢ়া- আহা হে আহা, বৰ পলম কৰিলা, বহা।

২য় পাহুৰি—আপোনালোকেৰ সবেৰ একে গাওঁ আছে ?

মেল্‌কি—হয, আমি একে গাবঁৰে। মানে আক্ৰমণ কৰাৰ পিচত আমি আঁতাৰ আঁতৰি বহিছো।

১ম পাহুৰি আপোনালোকেৰ গাঁবে কিমান লোক আছে ?

সাধিৰাম—আগতে ভৰা গাওঁ আছিল। মানৰ আক্ৰমণ সময়ত পলাই পতং মাৰিলে। এতিয়া আমি ছকুৰি ঘৰ মান হে আছো।

মেল্‌কি—আপোনালোক যি বাটে আহিছে, সেই বাটৰ দুয়ো দাঁতিয়ে মানুহৰ ঘৰ আছিল। মাটিৰ বাবে আমাৰ

খোবা কামোৰা লাগিছিল। এতিয়া বস্তিৰ মাটিতে হাবি হ'ল। মানুহ দেখিবলৈ নোপোৱা হ'ল।

১ম পাদুৰি—আমি সকলো কথা বুজিছে। আমি বৰ চাহেবৰ লগে এই সব বলিবে।

মেল কি—সেইটো কৰিলে তো বৰ ভাল হয় দেউতা।

২য় পাদুৰি—আপোনালোকেৰ ধৰ্ম্ম কি আছে ?

মেল কি আমি মহপুৰুষীয়া মানুহ।

২য় পাদুৰি—আমালোকৰ ধৰ্ম্ম খৃষ্টান আছে।
আমাৰ ভগবান যীশু আছে।

১ম পাদুৰি—আমালোকৰ ধৰ্ম্ম মানুহকে দিবাৰ আহিছে। আমাৰ ধৰ্ম্ম বৰ ভাল আছে। আপোনালোক লবৰ পাৰে।

মেল্ কি—আমাৰ সাত পুৰুষ মহাপুৰুষীয়া ধৰ্ম্মতে গ'ল। আজিনো কেনেকৈ এই নতুন ধৰ্ম্ম লও ?

গাওবুঢ়া—বাৰু সেই বিষয়ে হব দিয়কচোন। ধৰ্ম্ম ললেও নললেও আপোনালোক আহি থাকিবচোন। আপোনা লোক আহিলে আমি ভাল পাওঁ।

১ম পাদুৰি—আমালোক আহি থাকিম। এতিয়া গধূলি লাগিলে আমালোক যাবাৰ লাগিল।

মেল্ কি—আপোনালোক ক'ত আছে ?

১ম পাদুৰি—আমালোক বৰ চাহাবৰ বাসাৰ কেম্পত থাকিম।

* * *

[ আটাই কেইজনে বাটৰ মূৰলৈ আগবঢ়াই থয় ]

[ কলিয়াবৰৰ পৰা নগাওঁ বেপটিষ্ট মিচন কেম্পলৈ আত্মাৰাম শৰ্ম্মা আৰু দুজন মান শিক্ষিত অসমীয়া মানুহক মতাই আনে। বঙলাৰ কোঠাত অসমীয়া কেইজন আৰু পাদুৰি পাঁচ জন ]

আত্মাৰাম শৰ্ম্মা—আপোনালোকে মোক কেলেই মাতিছিল ?

১ম পাদুৰি—আপোনাৰ নাম আত্মাৰাম শৰ্ম্মা নহয় ?

আ শৰ্ম্মা—হয়।

১ম পাদুৰি—আমি আপোনাৰ বহু কথা শুনিছে। আপোনাৰ লগে আমালোকৰ বহু বাট আছে।

আ. শৰ্ম্মা—কথা থাকিবই, নহলেনো মাতে নে ?

২য় পাদুৰি—আপুনি হামালোকেৰ হেড্ অফিছে যাবাৰ লাগে। তাতে আপোনাৰ কাম হবে। আপুনি অহমীয় ভাষাই লিখা পঢ়া কৰিবাৰ লাগব।

আ॰ শৰ্ম্মা—কেলেই ? মোৰ যোৱাত টান হব, ঘৰৰ লেঠা বহুতো। গোটেই ঘৰ খনৰ ভাৰ মোৰ ওপৰত পৰিছে।

১ম পাদুৰি—ভয় কৰিবাৰ নালাগে। আমালোকে ঘৰ চাব। আপোনাক দৰমহা দিব।

২য় পাদুৰি—আপুনি কিছু ভাবিবাৰ নেই আছে। আমি সব ঠিক কৰে দিব।

৩য় পাদুৰি—ৰামপুৰে একমাহ থাকিলে আহিবাৰ পাৰিবে।

আঃ শৰ্ম্মা—ৰামপুৰ ! ৰামপুৰ ক'ত ? ইমান দুৰ কেনেকৈ যাম ?

১ম পাদুৰি—বেছি দুৰ নেই আছে।

আ শর্ম্মা—যি কাম আছে ইয়াত কৰিব পাৰো নহয়। মিছায়ে কিয় যাব লাগে।

১ম পাহুৰি—ইয়াত কৰিলে ভুল থাকিবে। আপোনাৰ কিছু ভুল নাহি আছে। আমি ঘৰে টাকা দিব, খবৰ লব।

আ শর্ম্মা—বাৰু তেনেহলে যাম। কেতিয়ালৈ যোৱা হব?

১ম পাহুৰি—আপুনি সোমবাৰে আহিবে। আমি মঙ্গলবাৰে যাব।

আ শর্ম্মা—দুদিন মান আৰু পিছুৱালে ভাল আছিল। দিন কৰিলে যেতিয়া যাবই লাগিব। মই এই সপ্তাহতে ঘৰৰ সকলো জঞ্জাল চাফা কৰিব লাগিব।

[ পাহু'ৰ কেইজনে হাঁহে ]

১ম পাহুৰি – ঘৰৰ কাম বৰ টান আছে।

আ. শর্ম্মা—হয়। তেনেহলে মই যাওঁ। সোমবাৰৰ দিনা দুপ বীয়া খোৱা লোৱা কৰি আহিম। আগদিনাই নাহিলে বৰ টান হব, বাট বহুতো।

১ম পাহুৰি—হ'। আগৰ দিনা আহিবে।

[ শর্ম্মাই নমস্কাৰ জনাই ওলাই যায় ]

[ শিৱসাগৰৰ পাহুৰি চাহেব সকলৰ বাঙ্‌লা। অসমীয়া আৰু পাহুৰি সকলৰ সমাবেশ ]

১ম পাহুৰি—বকৰা, অহমীয়া ভাষাই বাইবেল ছপা হোৱাই ভাল হৈছে নহয়?

বকৰা—বৰ ভাল হৈছে। অসমীয়া ভাষাৰ কাৰণে আপোনা লোকে গা পাতি লাগিলে মৃত অসমীয়া ভাষা জীৱিত

হৈ উঠিব। আপোনালোকৰ জহতে অসমীয়া ভাষাক স্কুল, আদালতত দেখিবলৈ পাম বুলি আমি আশা কৰিছো ।

২য় পাত্নৰি—আমালোকে ছপাখনা তুটা আনিছে। আপোনা লোকে সহায কৰিলে আমি লাগিবাৰ পাৰো ।

৩য় পাত্নৰি—আমালোকে ছপাখানাৰ পৰা এখন বাতৰি কাকত উলিয়াবলৈ খুজিছে। আপোনালোকে সহায় নাকৰিলে আমি না পাৰিম।

চৌধুৰী - কি কাকত নো উলিয়াব খুজিছে ?

১ম পাত্নৰ—আমি নাম দিছে "অৰুণোদয", সাপ্তাহিক হৈ ওলাবে ।

বৰুৱা—বৰ ভাল হব। এই আমাৰ সপ্তাহিক বাতৰি কাকত হব।

চৌধুৰী— অসমীয়া ভাষাত এই খনেই প্ৰথম বাতৰি কাকত হব।

২য় পাত্নৰী—হামিলোকে এতিয়া অহমীয়া ভাষাই মিং ৰবিন চন চাহাবেৰ লিখা ব্যাকৰণ ছাপাবলৈ ধৰিছে। অলপ দিনেৰ ভিতৰে ওলাবে।

বৰুৱা—আপোনালোকে মন কৰিলে সকলো কৰিব পাৰিব। ৰাজশক্তি আপোনালোকৰ হাতত।

১ম পাত্নৰি হামালোকৰ বেপটিচ্ মিচনৰ মেম্বাৰ সকলে অহমীয়া ভাষাৰ হুয়ে বহু কিতাপ লিখিছে। কলিকতাৰ মিঃ ব্ৰাউণে এখনি ভাল পুথি লিখিছে।

৩য় পাদুৰি—মি ব্ৰন চন চাহাবে এখন অহমীয়া ভাষাই অভিধান লিখিছে আৰু এখন ইংৰাজীৰ পৰা অহমীয়া অভিধান লিখিছে আমাকে ছাপা কৰিবলৈ দিছে। আমি ছাপা কৰিবে।

## ( আঁৰ কাপোৰ )

[ তিনি জন খ্ৰীষ্টান পাদুৰি যোৰহাটৰ সন্দিকৈৰ ঘৰলৈ অৰুণো-দয়'ৰ গ্ৰাহক কৰিবলৈ গৈছে। এজনৰ হাতত কিছুমান কাগজ পত্ৰ, এজনৰ হাতত কিছুমান "অৰুণোদয়"। প্ৰত্যেকৰে বুকুত ক্ৰুচ আৰু তৰিলৈ পৰা দীঘল বগা কোটছোলা ]

সন্দিকৈ—( বা হৰত ঘূৰা মিলা কৰি আছে ) অ' আপোনালোক আহিছে। আহক বহক হি। ( দুখন চকি আনি দিয়ে ) আপোনালোক কিয় আহিল কওক।

১ম পাদুৰি—হামালোকৰ প্ৰকাশিত অৰুণোদয়" কাগজৰ গ্ৰাহক কৰিবলৈ আহিছে। আপুনি এখনি লবৰ লাগে।

সন্দিকৈ - বাৰু লম। এনেছেন দেশৰ মহৎ কামত নামিছে, আপোনালোকক সহায় কৰিবই লাগিব।

২য় পাদুৰি—আপোনালোকে সহায় কৰিলে তামি ভালদৰে কামত নামিবৰ পাৰো।

সন্দিকৈ—( ঘৰৰ ভিতৰলৈ গৈ চাৰিটা ৰূপৰ টকা লৈ আহে ) এইয়া ধৰক, মোৰ বৰঙণি । আমি এই বিষয়ে আলোচনা কৰিছিলো । বাকু, মই পিচলৈ কেইজন মানক গ্ৰাহক কৰি দিম ।

১ম পাত্নৰি—এতিয়া যাওঁ । হামালোকে বহুতো ফুৰিবাৰ লাগে । আপোনালোকে কাগজত ছপাবলৈ বাতৰি দি থাকিবে ।

সন্দিকৈ—নমস্কাৰ ।

[ পত্নলি মুখলৈ একেলগে ওলাই যায় ]

( আঁৰ কাপোৰ )

[ যোৰহাটৰ নদীৰ কাষৰ আলি । কেইজন মান ডেকা নৈৰ দাঁতিত ফুৰিবলৈ আহিছে ]

১ম জন—পাত্নৰিবোৰ বৰ ভাল হে ।

২য় জন—এৰা, এওঁলোকে অসমীয়া ভাষাত বাতৰি কাকত উলিয়ালে আৰু বোলে কিবা কিবি কেবাখনো অসমীয়া কিতাপ লিখি ছপাইছে ।

৩য় জন—অকল সেয়ে নহয় হে । এওঁলোকে বঙলা ভাষা উঠাই দি অসমীয়া ভাষা চলাবলৈ মনস্থ কৰিছে । এই বিষয়ে আমাৰ অসমীয়া মানুহেও তেওঁলোকৰ লগতে যোগ দিছে ।

১ম জন—বঙলা ভাষা উঠি গলে বৰ ভাল হয় । আমি এই

বঙাল বোবৰ হাতৰ পৰা ৰক্ষা পৰো। নহলে আমাৰ উপায় নাই।

। আঁৰ কাপোৰ ।

চেকিয়াল ফুকন প্ৰভৃতিৰ নেতৃত্বত অসমৰ ইংৰাজ বিষয়া সকলক অসমীয়া জনসাধাৰণে অসমত অসমীয়া ভাষা হব লাগে আৰু বঙ্গ দেশৰপৰা অসমক সুকীয়া কৰিব লাগে বুলি দাবী জনাব ধৰিলে। অসমক বঙ্গদেশৰ পৰা কালি আনি সুকীয়া প্ৰদেশ কৰিব লাগে বুলি প্ৰবাসী অসমীয়া সকলে চিফ কমিচনাৰক দাবী জনালেগৈ। সুকীয়া প্ৰদেশ গঠন কৰাৰ যুক্তি দেখুৱাই লিখা স্মাৰক পত্ৰ লগত লৈ গ'ল অসমীয়া সকলৰ লগত দুজন পাদ্ৰিও চাহাবো গ'ল]

[ সজাতিদল বঙলাৰ সমুখত চিফ কমিচনাৰক অপেক্ষা কৰি বৈ থাকে। চিফ কমিচনাৰে পাইপ লৈ বাহিৰলৈ ওলাই আহে ]

সজাতিদল—( চেলুয়েট দি ) গুড্ মৰ্নিং চাৰ।

চিফ্ কমিচনাৰ—অ' গুড্ মৰ্নিং। হোৱাট ডু ইউ ওৱাণ্ট?

সজাতিদল—( আগবাঢ়ি গৈ স্মাৰক পত্ৰ খন দিয়ে )

চিফ্ কমিচনাৰ—( পঢ়ি চাই ) অ' চেপাৰেচন অব এচাম ফ্ৰম বেঙ্গল। আই উইল ট্ৰাই মাই বেষ্ট এবাউট দিচ্।

সজাতি দল—ঠেঙ্ক ইউ ।

[ কলিকতাত প্ৰবাসী অসমীয়া সকলৰ সভা । কলিকতা হোটেলৰ এটা কোঠা । কেইখন মান ভক্তাৰ ওপৰত শ্ৰোতা সকল বহিছে । ঢেকিয়াল ফুকনে বক্তৃতা দিছে ]

ভাই সকল, এতিয়া অসম বঙ্গদেশৰ পৰা পৃথক হৈ এখন বেলেগ প্ৰদেশ হ'ল । অসম এতিয়াৰ পৰা স্বকীয়া ভাবে স্বকীয়া শাসন কৰ্ত্তাৰ অধীনত চলিব । এতিয়া আমাৰ প্ৰধান কৰ্ত্তব্য অসমৰ পঢ়াশালী আৰু আদালতত অসমীয়া ভাষা প্ৰচলন কৰা । অসমত অসমীয়া লোক যাতে কোনো ক্ষেত্ৰতে বঞ্চিত নহয় সেইটো আমি চাব লাগিব । অসম চৰকাৰৰ অধীনস্থ চাকৰি বোৰত যাতে অসমীয়া সোমাব পাৰে অসমীয়াই যাতে ব্যৱসায়ত উন্নতি কৰিব পাৰে তাৰ কাৰণে আমি লক্ষ্য ৰাখিব লাগিব । পুণৰাই আমি অসমকে স্বাধীন অসম হিচাবে গঢ়ি তুলিব লাগিব । সভ্যহতে আমি পঢ়ুৱৈ সমাজক যোগান ধৰিবলৈ ন সাহিত্যৰ সৃষ্টি কৰিব লাগিব । আমি যদি অসমৰ উন্নতিৰ হকে লাগো তেনেহলে অসমক নদন বদন কৰি তুলিব পাৰিম

[ সভাই হাত চাপৰি দিয়ে ]

• • •

[ ফুটৈভৰ পাৰ । কেইজন মান ডেকাৰ প্ৰবেশ ]

১ম জন—চাহাবৰোৰ আচলতে ভাল মানুহ হে !

২য় জন—হলা দিয়া তুমিও এজন।

১ম জন—কিনো বেয়া দেখিলাহে ? তুমি মোৰ কথা সদায়ে ওফৰাই দিয়া। কোৱাচোন চাহাববোৰ কি বেয়া ?

৩য় জন—( অকনৰ পিনে চকু টিপ দি ) অ' অকন, এতিয়া তামচা চা।

[ হাঁহে ]

১ম জন—চোৱাহে এওঁৰ কথাবোৰ, খং উঠে নে নুঠে ?

৪র্থ জন—বাদ দিয়া, অনবৰত এইবোৰ কি ধেমালি কৰি থাকা।

৫ম জন—হৰেন, "অৰুণোদয়" বাতৰি কাকতখন ক'ত পোৱা যায় হে ? বর্ণমালা চিনিব পাৰো যেতিয়া কিছু খা খবৰ, দেশৰ আলোচনা আদিৰ ভাগ লব পাৰিলোহেঁতেন।

৪র্থ জন—আমাৰ ইয়াত কোনোৱে নলয়। এখন ৰাখিব পাৰিলে ভাল আছিল।

১ম জন—কাগজখন পঢ়িব পাৰিলে দেশৰ পৰিস্থিতিৰ বিষয় জানিব পাৰিলোহেঁতেন।

৩য় জন কেম্বেল চাহাব নোহোৱাহেঁতেন বঙালীহঁত ক'ত যায়। সিহঁতে যি গোজ পুতিছিল।

২য় জন—আনন্দ ফুকন, বকৱা আৰু পাছুৰি সকলৰ চেষ্টা নহলে কেম্বেল চাহাবে যিটো কৰিলেহেঁতেন জনা আছিল।

৩য় জন—কেম্বেল চাহাবেও থাটিছে দিয়া। পঢ়াশালী, আদালতৰ পৰা বঙালী ভাষা উঠিল যেতিয়া সিহঁতৰ আধিপত্য

গ'ল। এতিয়া আমাক কোনে পাই। চাহাব সকলে আমাৰ হকে বিনা বেতনে ভাল খাটিছে বুলিছো দিয়া।

৪র্থ জন— মই এতিয়া যাওঁ দিয়া। সন্ধিয়া বৰ চাহাবে মাতিছে। জানোচা এটি ভাল চাকৰিৰ দিহাকে কৰিব পাৰো। আগৰ চাকৰি যদি এই বেলিও দিযে নলওঁ, গুচি আহিম। মই খাটা কৈ কৈ দিম। ডাঙৰ চাকৰি নহলে নকৰো বুলি। কি কোৱা ?

৫ম জন— সেইটো হযেই। বঙালীক যদি দিব পাৰে আমাক নো কিয দিব নোবাৰে ?

৩য জন—ভাই, আমাৰ পিনেও চকু মেলি চাবা।

২য় জন—আমিও যাওঁৰেই ব'লা।

৫ম জন—ব'লা।

* * * *

[ গুৱাহাটীৰ হেমচন্দ্ৰ বৰুৱাৰ ঘৰ। ঘৰৰ আগত চাইনবোৰ্ড ৰাখিছে, "কাৰ্য্যালয়, অসম নিউজ" বৰুৱাদেৱে লিখি আছে। টেবুলৰ ওপৰত বহুতো কিতাপ আৰু কেইটামান ফাইল ]

হেমবৰুৱা— কোন ? ( বাহিৰলৈ গুলাই ) অ' তুমি। আহা ভিতৰলৈ। মাইচাখনতে বহা। ( নিজেও বহে ) পিছে ৰমেশ বোপা, কিয় আহিলা কোৱা।

ৰমেশ— আপোনাৰো খবৰ লব আহিলো আৰু "অসম নিউজ"ৰো খবৰ লব আহিলো।

হেমবৰুৱা—কিনো কৰিবা কাৰো সহায় নাই। আনপিনে দেশৰ ভাষা সাহিত্যক নকৈ গঢ় দিব লগা হ'ল। হওক, কথা নাই, পিছে অকলে নো কিমান কৰিবা। তোমালোকৰ ওপৰতে দেশৰ ভৱিষ্যৎ। তোমালোকৰ ওপৰতেই অসমীয়া জাতিৰ জাতীয়তা, ভাষা সকলো নিৰ্ভৰ কৰিছে। তোমালোক দেশৰ সেৱাত নামি যোৱা। মই আলোচনী খনতে লাগি থাকিব লগীয়া হৈছে। বাহিৰা কাম কৰিবৰ সময়ে নেপাওঁ।

ৰমেশ—আমি যি পাৰো আপোনাক সহায় কৰিম। আহিছিলো "অসম নিউজ"ত এই বাতৰিটো দিবলৈ। (ছোলা জেপৰ পৰা এখন কাগজ উলিয়াই) যদি ঠাই হয় দিলে ভাল হয়।

হেমবৰুৱা—বাৰু মই চাই-চিতি দিম।

ৰমেশ—এতিয়া মই যাও। (নমস্কাৰ দিয়ে)

হেমবৰুৱা—বাৰু যোৱা।

[ প্ৰস্থান ]

হেমবৰুৱা—(নিজকে নিজে কবলৈ ধৰে) আৰু যে কিমান দূৰ বাকী। এতিয়াও অসমীয়া জাতিৰ, অসমীয়া সাহিত্যৰ ভেটি বন্ধাৰে আয়োজন হৈ উঠা নাই। ভাষা, সাহিত্য, কলা, কৃষ্টি সকলো বৃথা। আজি

অসমীয়া জাতিক নকৈ গঢ়িব লাগিব। এনেদৰে কোন দিন উধাব ? ( লিখিব ধৰে )

*   *   *

[ নগাওঁ চহৰ। গুণাভিৰাম বৰুৱাৰ ঘৰ। ঘৰৰ বেৰত চাইনবোৰ্ড "কাৰ্য্যালয় অসম বন্ধু' আঁৰি থোৱা আছে। বৰুৱাদেৱে এখন চাহাবৰ লগত কথা বতৰা পাতি আছে। মাজতে টেবুলখন। টেবুলৰ ওপৰত কিতাপ কাগজ আছে। টেবুলৰ চাৰিও ফালে চাৰিখন চকী আৰু কাষত এখন বেঞ্চ আছে ]

( বাহিৰৰ পৰা মাত দিলে ) ঘৰত আছে নে কি ?

বৰুৱা—আছো, কোন ? ভিতৰলৈ আহক।

[ মানুহজন ভিতৰলৈ সোমাই আহে ]।

বৰুৱা—বহক। কি সকামত আহিল ?

মানুহজন—মই যোৰহাটৰ পৰা আহিছো। "অসম বন্ধু"ৰ গ্ৰাহক হবলৈ ইচ্ছা কৰিছিলো। মই মোৰ বৰঙণি দিওঁ। কাগজখন ডাকত পঠিয়ালে মই পাম।

বৰুৱা—( এখন কাগজ লয় ) আপোনাৰ ঠিকনাটো দিয়ক। ( লিখিবলৈ ধৰে ) এতিয়া আপোনালোক অসমীয়া জাতিৰ জাতীয় প্ৰতিষ্ঠাৰ কাৰণে লাগিব লাগে। তেতিয়া

হলে আমাৰ দেশৰ মঙ্গল হব। অকল যদি দুই চাৰি জন মানুহে এনে কামত লাগি থাকিব লগীয়া হয়, তেনেহলে অসমীয়া জাতি নৰব। আপোনালোক লাগিলে সকলো হয়। বাৰু তেনেহলে যাওক।

[ মানুহজন নমস্কাৰ কৰি যায় ]

[ কলিকতাৰ কলেজ হোষ্টেলৰ এটা কম। অসমীয়া ছাত্ৰ কেইজন মান শুই পৰিছে, কেইজনমান বহি মেল পকাই আছে। কোঠাৰ ভিতৰলৈ ৰবীন বৰুৱা সোমাই আহে ]।

ৰবীন বৰুৱা—শুইছে চৌধুৰী ?

চৌধুৰী—কি ?

বৰুৱা—জগন্নাথ বৰুৱাই বি-এ পাচ কৰিলে নহয়।

চৌধুৰী—সচা ? কেতিয়া খবৰ ওলাল ?

[ শুই থকা কেইজন উচপ খাই উঠে। ] আটাই কেইজনে কয় সচা সচা ?

বৰুৱা—মই এই চাই আহিলো।

খাউন্দ—আজি বৰুৱাৰ থানা উলিয়াব লাগিব।

[ আটাই কেইজনে একেলগে—থানা লাগিবই ]।

বৰা—জগন্নাথ বৰুৱা অসমৰ প্ৰথম বি-এ। কি তেওঁৰ যশস্যা।

চৌধুৰী—বৰুৱাৰ কপাল ফলিল।

দাস—বৰুৱাৰ চাকৰিৰ তো কথাই নাই। হাকিমৰ পদটো অনায়াসে পাব। যি চাকৰি পূৰ্ব্বে অসমীয়াৰ ভাগ্যত ঘটা নাই, তেনে চাকৰি তেওঁ নিশ্চই পাবই পাব।

[ জগন্নাথ বৰুৱা ফুৰি আহি কোঠালৈ সোমাই আহে। লগৰ অসমীয়া কেইজনে সাবত মাৰি ধৰে গৈ ]

জগন্নাথ বৰুবা—মই বহু দূৰলৈ ফুৰিবলৈ গৈছিলো। এতিয়া ভাগৰ লাগি আছে। অলপ ৰওকচোন ? মোক জিৰণি লব দিয়ক। ( সকলোৱে নিজৰ নিজৰ ঠাইত বহিল। বৰুবাই কোটটো সোলোকাই থয় )।

দাস—বৰুবা, আপোনাৰ পৰীক্ষাৰ ভোজ আজিযেই চলক। দেৰি হলে বেয়া, জানেই নহয় দিনটো যায় ক্ষণটো নেযায়।

জগন্নাথ বৰুবা—আপোনালোক অধীৰ হৈছে কিয় ? বাৰু আজিযেই হব। বাৰু, এতিয়া চাহ খোৱা যাওক।

[ চাকৰ জনক মাতি চাহ আনিবলৈ দিয়ে ]।

চৌধুৰী—পিচে বৰুৱা, বি এ তো পাচ কৰিলেই, এতিয়া চাকৰিতে সোমাই নে পঢ়িব ? আপোনাৰ তো যেনিই যায় তেনিই জয় জয় ময় ময়।

জগন্নাথ বৰুৱা—মই যি কৰিবলৈ মনস্থ কৰিছো, তাক আপোনা লোকে শুনিলে হাঁহিব। আপোনালোকে শুনিলে কব পটি শুনি বৰি পাগল হ'ল', মোৰ কাম অসমীয়া জাতিৰ আদৰ্শনীয় হব। তথাপিতো আপোনালোকে হাঁহিব, সকলোৱে হাঁহিব।

খাউন্দ—পাতনি মেলিব নেলাগে, কওঁকচোন কি কৰিব খুজিছে ?

চৌধুৰী—কৰিলে তো মানুহে কৰা কামকে কৰিব, তাতনো আচৰিত হব কি ?

জগন্নাথ বৰুৱা – মানুহে কৰা কাম হলেও আচৰিত হব।

বৰুৱা—হওঁ যদি হুম দিযক। আপুনি যদি আচাৰ্য্য কাম কৰিব পাৰে আমি আচৰিত হোৱা একো টান নহয়।

জগন্নাথ বৰুবা—খেতি কৰিম।

[ আটাই কেইজন আচৰিত হৈ একেলগে—খেতি! ]

জগন্নাথ বৰুবা—হয, চাহৰ খেতি কৰিম। অসমীয়াই নকৰা কাম। মযেই প্ৰথম কৰিম। অসমৰ মাটি চাহৰ খেতিৰ কাৰণে উপযুক্ত।

চৌধুৰী—আপুনি এই মত এৰক। হয় বিদেশত গৈ পঢক নহয় ডাঙৰ চাকৰিতে সোমাওক।

দাস—হযতো, যাৰ যি কাম। আপুনি খেতি কৰিলে মুশুৱাব।

খাউন্দ—খেতি কৰিবলৈ তো ইমান দূৰ পঢিব নেলাগিছিল। আপুনি এজন ডাঙৰ বিষয়া হৈ অসমৰ মঙ্গল সাধিব, তাকে আজি সকলোৱে চাই আছে।

বৰুৱা—আপুনি যদি চাকৰি নকৰি খেতিত লাগি থাকে সমাজেই বা বুলিব কি ?

জ° বৰুৱা—চাওক, সাত সাগৰ তেৰ নদীৰ সিপাৰৰ চাহাব সকলে আহি চাহ খেতি কৰি উন্নতিৰ জখলা সাঁজিব ধৰিছে। ক'ত অসম আৰু বিলাত ? আমি তেওঁ লোকক এনেবোৰ কামত অনুকৰণ কৰিম। যদি আমি সকলোৱে হাকিম, মনচুপ, পেচকৰ, কেৰাণী কামত

সোমাই থাকো তেনেহলে বিদেশীয়ে বেহা-বেপাৰ দখল কৰি আমাৰ আগৰ বাঢ়া ভাত কাঢ়ি লৈ যাব। দেশ এখনৰ উন্নতি কৰিবলৈ গলে অকল চাকৰি কৰিলেই নহব, বেহা-বেপাৰ আদি হাতত লব লাগিবই। আজি কোনটো ব্যবসাযত অসমীয়া মানুহ আছে? আমাৰ মানুহে জানিছে চাকৰি কৰিব, ব্যবসায কৰা আমাৰ লাজৰ কথা। মই প্ৰথমে কৈছো নহয় যে মোৰ কথাত হাঁহিব আৰু আচৰিত হব। আপোনা লোকে হাহক, আচৰিত হওক, মোৰ কাম মই কৰিম। বলক এতিয়া সেইবোৰ কৈ থাকিলে নচলিব। খানা খাবলৈ বজাৰ আদি কৰা যাওক।

* * *

[ মাণিক চন্দ্ৰ বৰুৱাৰ ঘৰ। মাণিক বৰুৱাক মাজত লৈ পিতাক মা'কে চাকৰি কৰিবলৈ বুজাইছে। আত্মীয় কুটুম্বও কেইজন মান আহি বৰুৱাক আহি উপদেশ দিছে ]

পিতাক – বোপা মাণিক। যি কৰিবলি কৰিলি, তোৰ ভাগ্যত যি আছিল সি হ'ল। এতিয়া চাকৰিতে সোমাই যা। বৰচাহাবেও ভাল চাকৰিকে দিব খুজিছে।

মাক—বোপা, তই বেপাৰ বণিজ কৰি আমাক আৰ্জ্জি খুৱাব নেলাগে। পিতাৰৰ কথা শুন।

১ম আত্মীয়—হয় বোপা! এইবোৰ এৰা। আমাতকৈ তোমা লোক শিক্ষিত, তথাপি আমি মুকখ হলেও চাকৰি কৰাটো ভাল দেখো।

মাণিক বৰুৱা—পিতা, তোমালোকে বেপাৰৰ মোল বুজা নাই। চাকৰি কৰিলে যি দৰমহা পায় তাতকৈ বেপাৰত লাভ। চাকৰি কৰি পৰৰ তলত থকাটো মোৰ পক্ষে টান। মই স্বাধীন ভাৱে থাকিবলৈ হে ইচ্ছা কৰো।

মাক—বোপা, বংশত নোহোৱা কাম কিয় কৰিব যাৱ?

মাণিক বৰুৱা—নহয় মাই, মোৰ আশা আকাঙ্ক্ষাক, মোৰ কাৰ্য্যক বাধা নিদিবা মই যি কাঠৰ কাৰবাৰ কৰিম তাত মুনফা বহুত মোৰ কাঠৰ বেপাৰ গোটেই ভাৰত দেশ খনতে চলিব। মোৰ কাৰবাৰক বহুতে, জ্ঞানী মানী লোকে আৰু বহু চাহাবেও প্ৰশংসা কৰিছে। তোমালোকে মোক আশীৰ্ব্বাদ কৰা মই যাতে কম দিনৰ ভিতৰতে উন্নতি কৰিব পাৰো। (কিছু সময় আটাই কেইজন মনে মনে থাকে) এতিয়া মই যাও। বৰচাহাবে আজি মোক মাতিছে। (কোট চোলাটো গাত লৈ বাহিৰলৈ ওলাই যায়)

পিতাক—আজি কালিৰ লৰাবোৰক পঢ়ুৱাতো বেয়া হে। বেচি শিক্ষা পালে পিতাক মাকৰ অবাধ্য হয়।

১ম আত্মীয়—সেয়ে তো হৈছে, উজনিৰ কোনো এজনে বোলে বি, এ পাচ কৰি চাহৰ খেতিত ধৰিছে।

পিতাক—এনেদৰে দুখেৰে আৰ্জ্জা ধন ভাঙি লৰাক পঢ়ুৱাব নোৱাৰি। (মাকে তামোল কাটি দুয়োজনকে দুখন দিয়ে)

পিতাক—মই অলপ বাৰীৰ পিনে যাওঁ। আপুনি বহক, খাই বই যাব।

* * * *

[ উত্তৰ গুৱাহাটীৰ মজিন্দাৰ বৰুৱাৰ ঘৰ। আনন্দৰাম বৰুৱা বিলাতৰ পৰা ঘূৰি আহি ঘৰলৈ আহিল। বৰুৱাদেৱে ব্ৰহ্মপুত্ৰৰে নাৱেৰে আহি উত্তৰ গুৱাহাটীত নামে। বৰুৱাক আদৰি আনিবলৈ ঘৰৰ পিতাক, ভায়েক কেইজন আৰু গাওঁৰ মানুহ কেইজন মান আহিল। আনন্দ বৰুৱাই পিতাকক সেৱা কৰিবলৈ আগবাঢ়ি আহে। ]

পিতাক—বোপা আনন্দ, তুমি সেৱা কৰা যদি দূৰতে কৰা। আমাক এতিয়া নুচুবা। আগতে পৰাচিত হোৱা। মই পুৰুহিত মতাই আনিছো।

আনন্দবৰুৱা—পিতা, কিয় মই পৰাচিত হব লাগে ?

পিতাক—বিলাতলৈ গলা, তাতনো গোমাংস খোৱা নাই জানো ? তাত তুমি বিজাতি লোকৰ লগত খোৱা বোৱা কৰিছা। গতিকে তোমাৰ জাতি গৈছে। পৰাচিত হলেই তুমি উদ্ধাৰ হবা। আমিযো তেতিয়া তোমাক সমাজত লব পাৰিম।

আনন্দবৰুৱা—পিতা, মই তেনেবোৰ কাম কৰা নাই। মই ভাবো বিলাতলৈ গলে জাত নেযায়।

পিতাক—হলেও বোপা এইটো দস্তুৰ। সমাজৰ নিয়ম মানিবই লাগিব।

আনন্দবৰুৱা—পিতা, মই পৰাচিত হব নোৱাৰো। মোৰ বিবেকে পৰাচিত হবলৈ নকয়।

পিতাক—তেনেহলে তুমি মোৰ ঘৰত সোমাব নোবাৰা। তোমাক মই ত্যাজ্য পুত্র বুলি ধৰি ললো।

আনন্দবৰুবা—তেনেহলে পিতা, বিদায়। ভাই, বিদায়। আত্মীয় স্বজন সকল বিদায় ( সকলোকে সেবা জনায় )। লোবা, লোবা, কানি কাপোৰ সকলো মাল বস্তু নাৱত তোলাগৈ।

[ কেইজন মান মানুহে মাল বস্তুবোৰ লৈ যাব ধৰে, বৰুবাদেৱে ব্রহ্মপুত্রৰ পাৰলৈ এখোজ দুখোজকৈ যাব ধৰে। বৰুবাদেৱে নিজৰ জন্মভূমি সমাজ জাতি, কুটুম্ব সকলো এৰি যোৱাত, তেওঁৰ পিনে 'থ' লাগি চাই থাকে। বৰুবাদেৱে নাৱত উঠাত নাও গুৱাহাটীৰ মুখে এৰি দিলে। নৈৰ মাজত কৈ যাব ধৰিলে ]

এই সমাজ বুস স্কাৰেৰে পৰিপূর্ণ। ইয়াৰ ফলত মানুহে নিকাৰ ভুগিছে, মানুহ প্রকৃত জ্ঞানৰ পৰা বঞ্চিত হৈছে। আজি মই মোৰ পিতা মাতাক, ভাই ভনীক, আত্মীয় স্বজনক এৰিব লগা হ'ল। সমাজৰ কুসংস্কাৰৰ কাৰণত সমাজৰ কর্ণধাৰ সকল নিজেই কুসংস্কাৰত পোঁত যোৱা। তেওঁলোকে এই সমাজ সংস্কাৰ কৰা সপোন মাথোঁ, নিজৰ স্বার্থ সিদ্ধিৰ কাৰণে সমাজক কুসংস্কাৰেৰে ঢাকি ৰাখিছে। এই সমাজ ভাঙি নতুন ধৰণে সমাজ গঢ়ি তুলিব লাগিব।

[ উত্তৰ গুৱাহাটীৰ মানুহে সকলে নাও মনিব পৰালৈ চাই থাকি নাও নেদেখা হোৱাত, চকুলো টুকি টুকি নিজ নিজ ঘৰলৈ যায় ]

* * *

[ ডিব্রুগড় নগৰৰ এচ্ ডি অ' চাহাবৰ বাঙলা। এচ-ডি অ' আৰু পাঁচজন বঙালী ভদ্ৰলোক বহি দেশৰ ৰাজনৈতিক পৰিস্থিতিৰ বিষয় আলোচনা কৰিছে ]

সৰকাৰ—অত চেষ্টা কৰলুম কিন্তু বাঙ্লা ভাষা ৰাখ্তে পাৰলুম না।

চেটাৰ্জ্জী—হতাশ হলে চল্বে না। আমৰাও বাঙালী, দেখ্ব একবাৰ আসামীৰাকে।

সৰকাৰ—একা আসামীৰা কিছু কৰতেই পাৰত না। মিচ নাৰীৰা আসামীদেৰ সাথে মিলে সবতাই পণ্ড কৰে দিল।

গাঙ্গুলি—মিচনাৰীৰা না আস্লে আসামীদেৰ স্থান কোথাই থাক্ত।

সৰকাৰ—আমি আজ কাল অফিছে কোনো লোক ভৰ্ত্তি কৰ্তে হলে, বাঙালী কেই সৰ্ব্বপ্ৰথম আহ্বান কৰি। আমি আমাৰ অফিছে কোনো একজন আসামীকে ঢুক্তে দেই না।

চেটাৰ্জ্জী—সেটা তো আমাদেৰ প্ৰবাসী বাঙালীদেৰ কৰ্ত্তব্য। এটা না কৰ্লে আম্ৰা বৰ ভুল কৰ্ব।

গাঙ্গুলি আমি আজকাল সব বাঙালীলোককে বল্চি, যেমন কৰেই হউক আসামীদেৰ দোকান, ব্যৱসায় বৰ্জ্জন কৰতে। আমি কোন দিনই ঐ সব দোকানে যায়

না। এই বয়কোট যদি আমরা করি, তা হলে আমরা আসামে শিল্প ব্যবসায় করতে পারব।

সরকার—আমরা গুপ্ত ভাবে বাঙালীদের ভিতর একটা আসামী বিদ্বেশী আন্দোলন সুরু করতে হবে।

গাঙ্গুলি—সে টা করতেই হবে।

চেটার্জ্জী—আসামের বাঙালী গরিষ্ঠ চহরে কয়েকখান বাঙালী হাইস্কুল প্রতিষ্ঠার প্রযোজন হয়ে উঠেছে।

সরকার—আমি এই সম্বন্ধে বাঙলার অনেক বিজ্ঞলোকর সাথে আলোচনা হইয়েছি।

(এজন অসমীয়া মানুহে সরকারক মাত দিয়ে)

অসমীয়া—সরকার ঘরত আছে নে কি?

সরকার—(তারা তারিকৈ বাহিরলৈ ওলাই আহে) অ' আপনি। আশুন, ভিতরে আশুন।

(ভিতরলৈ সোমাই আহে আরু বহে)।

চেটার্জ্জী—আমি এখন যায়। নমস্কার।

সরকার—আচ্ছা, নমস্কার।

সরকার—আচ্ছা, বকরা বাবু। কেন আচলেন বলুন।

বকরা—কাম বুলিবলৈ একো নাই। এই পিনে ফুরিবলৈ আহোঁতে আপোনার ঘর পালো। এবার মাত দি যাওঁ বুলি ভাবিলো।

সৰকাৰ—আপ্‌নি তো আজ কাল আসতে ভুলে গেছেন। আসা যাওয়াতা প্রায নেই বল্‌লেই চলে।

বৰুৱা—কিয, মই তো মাজে মাজে আহি থাকো। আজি কালি বহুতো কাম, বাহিৰ হবৰ সমযে নেপাওঁ। আহুক নৈৰ পিনে ফুৰিবলৈ যাওঁ।

সৰকাৰ—আমাৰ শৰীৰটা খাৰাপ, অসুখেৰ জন্য আজ অফিচেই যাযনি।

বৰুৱা—কি হৈছে?

সৰকাৰ—ইনফ্লুয়েনঞ্জা।

বৰুৱা—অহা ৰবিবাৰৰ দিনা আমাৰ তালৈ যাবচোন। সৰু লৰাটিৰ ভাত মুখত দিবলৈ খুজিছো। আপুনি যেনে হলেও যাব দেই। মই এতিয়া যাও হে। নমস্কাৰ।

সৰকাৰ—আচ্ছা যাম। (বাহিৰত আগবঢাই লৈ আগৰ চকিখনত বহেহি)। দেখ্‌ছেন গাঙ্গুলি, এৰা বাঙ্‌লা বলেনা। মানুসটা কিন্তু বেচ ভদ্র। তাৰ বাৰীৰ সবাই ভদ্র।

গাঙ্গুলি—ভদ্রতা এদেৰ অনেকৰ আছে।

সৰকাৰ—মুষ্টিমেয লোক কয়েকটি, তাৰাও পৃথক জাতি কৰতে চাই।

গাঙ্গুলি—কি কৰবেন। এদেৰ মধ্যে নেই একজন শিক্ষিত লোক, নেই একজন বৰ চাকৰিয়ালী, নেই তাদেৰ সাহিত্য, তাৰাও আবাৰ গৌৰব কৰে যে তাৰা এক

ভিন্ন জাতি; তাদের ভাষা আছে। আমি মাঝে মাঝে দুই একজন আসামীকে তাদের ভাষা, সাহিত্য কোন খানে আছে জিজ্ঞাসা করি।

( সকলরা একনে এখন থানত কিছুমান চুকাবি আমি দিয়ে )

াঙ্গুলি—তোমার নাম কি?

'রা—আমার নাম শ্রীরবীন্দ্রনাথ সরকার।

াঙ্গুলি—আচ্ছা বেচ। তা হলে আমি যায়।

রকার—আচ্ছা, সময় পেলে আস্‌বেন। নমস্কার।

াঙ্গুলি—নমস্কার।

[ গুহাহাটীর প্রবাসী উকীল রমেশ ঘোষের ঘর। [illegible] থা শুনি সকলো বাঙালীর মুখর পানী লোহোরা হ'ল। [illegible] ত্স্থানীয় লোকসকল কাহ ঘোষর ঘরত আলোচনা করিছে। আলোচনা করা কোঠাটোর দুৱার খিৰিকি বন্ধ; বাহিরত দুজন [illegible] ঘূরা ঘূরি করি থাকে ]।

দন—আমাদের আশা আকাঙ্ক্ষা সব টুকুই নষ্ট হয়ে গেল। আজ বৃটিছ সাম্রাজ্যবাদ বঙ্গের ওপর ফেচিষ্ট নীতি আরম্ভ করেছে।

ঘোষ—সাম্রাজ্যবাদ আজ বাঙালীদের ওপর নির্য্যাতনের ষ্টিম রোলার দিয়ে শোষন কর্‌তে সুরু করেছে।

েনার্জী—সমগ্র বাঙ্‌লা এবং প্রবাসী বাঙালীরা একত্রিত হইলে বাঙ্গলা খণ্ডিত করতে পার্‌বে না।

ঘোষ—এই বিপদের সময় আমারা একত্রিত হইব না কেন?

সেন—কি করবেন। অনেক বাঙালীলোক সাম্রাজ্যবা[
এজেণ্ট হয়ে তাদের সহায় হয়েছে।

বসু—যারা গবর্ণমেণ্টের চাকুরি করে জীবন ধারণ করে
তারা নিশ্চয় বাঙ্‌লার বিশ্বাসঘাটকতা কর্‌বে।

ঘোষ—গেল, গেল, বাঙ্‌লা গেল, থাকবে না।

বসু—আচ্ছা সেন, আপনি তো আইনজ্ঞ লোক। আপ
বলুন তো, কেমন করে বাঙ্‌লাকে খণ্ডিত করবে।

সেন—সেটাতো আইনের কথা নয়। লণ্ডন পার্লিয়ামে
এসম্বন্ধে একটা আইন পাচ করেছে। সেট
"বঙ্গ ভঙ্গ।" বাঙ্‌লার এক অংশ বিহারের ওপর এ
অপর অংশটা অর্থাৎ পূর্ব্ব বঙ্গ আসামের ওপর জাপি
দিবে।

ঘোষ—এর ফলেই একটা কথা পরিষ্কার দেখা গেছে,
বৃটিছ সাম্রাজ্যবাদ বাঙ্‌লা তথা সমগ্র ভারত চারি
হবে, আর তা না হইলে বাঙ্‌লা খণ্ডিত হয়ে
কালের জন্য ধ্বংশ হয়ে যাবে।

বসু—সাম্রাজ্যবাদের এই কুট নীতি ধ্বংশ করবার জন্য অ
বাঙ্‌লাই অনেক টৈররিষ্ট দল প্রতিষ্ঠা হয়েছে। এর
যদি সাম্রাজ্য বাদকে হানা দিতে পারেন, তাহলে ত
কেউ পারবে না।

সরস্বতী—টৈররিষ্ট দল বেচ অস্ত্র-শস্ত্র নিয়ে স্থাপিত হয়েছে
তাদের ওপর সাম্রাজ্যবাদের কত অত্যাচার চলছে

তাৰা এমন লোক যে এগুলিকে বিন্দু মাত্র ভ্রুক্ষেপ কৰছে না।

সেন—শুনেছি তাৰা অনেক চাহাবেৰ প্ৰাণ নিয়েছে, এবং অনেক স্থানেৰ ট্ৰেজাৰী লুট কৰছে।

(বাহিৰত পহৰা দি থকা এজন মানুহে দৌৰি আহি "আলোচনী সভাও" চি,আই,ডি অহা বুলি কয়।)

ঘোষ—কি! চি, আই, ডি?

চকিদাৰ—হ্যা।

ঘোষ—কয় জন?

চকিদাৰ—তিনিজন এসেছিল। এখন ছুজন কোথাই চলে গেছে।

ঘোষ—(থিয় হৈ) সৰ্ব্বনাশ! আমাৰ আলোচনাৰ কথা চি আই, ডিৰ কাণে পৰেছে। আপনাৰা চলে যান। সৰ্ব্বনাশ! সৰ্ব্বনাশ ঘটবে।

(সকলোৰে তাৰা ভাবিকৈ ওলাইগুচি গল)

(আঁৰ কাপোৰ)

* * * *

(নেপথ্যত) খোকা! অ' খোকা, আন্দোলন সম্বন্ধে কোনো কিছু কাগজ পত্ৰ ৰেখ্না)

# ৪ৰ্থ অঙ্ক

## ১ম দৃশ্য

[ ৯২১ খৃঃত মহাত্মা গান্ধীৰ আহ্বানত সমগ্ৰ ভাৰত জুৰি অসহযোগ আন্দোলনৰ ফিৰিঙতি জ্বলি উঠিল। অসহযোগ আন্দোলনৰ ঢৌৱে অসমকে চুলে। শ'শ নৰনাৰীয়ে সাম্ৰাজ্যবাদৰ গুলি, লাঠিৰ কোব, অত্যাচাৰ নিৰ্য্যাতন সকলো হাঁহি মুখে বৰণ কৰিলে ]

*　　*　　*　　*

[ দেশভক্ত তৰুণ ৰাম ফুকনৰ ঘৰৰ সন্মুখ। বিৰাট জনতাৰ আগত ফুকনদেৱে বক্তৃতা দিব ধৰিছে।]

ৰাইজ সকল। সাম্ৰাজ্যবাদৰ অত্যাচাৰ নিপীড়ন আৰু সহ্য নকৰিম। আমি বৃটিছৰ লগত সহযোগ নকৰোঁ। আজিৰ পৰা আমাৰ অসহযোগ আন্দোলন আৰম্ভ হ'ল। আমাৰ সকলোৱে প্ৰতিজ্ঞাবদ্ধ হওক, বিদেশী বস্ত্ৰ বৰ্জ্জন কৰি কুটীৰ শিল্প গঢ়ি তুলিব লাগিব। নিজে নিজৰ ভৰিৰ ওপৰত থিয় দিবলৈ যত্ন কৰিব লাগিব। আমি প্ৰত্যেক জন ভাৰত বাসীয়ে যদি বিদেশী বস্ত্ৰ বৰ্জ্জন কৰে

তেনেহলে ইংৰাজ শাসন অচল হৈ পৰিব। আমি বিদেশী সকলৰ কাপোৰ বৰ্জন কৰি হাতে কটা সূতাৰ কাপোৰ পিন্ধিব লাগিব। সকলোৱে আগবাঢ়ি আহক। আমি সকলোৱে একে লগে বৃটিছ শাসন জলাঞ্জলি দিওঁ।

[ ফুকনদেৱে নিজেই প্ৰথমে কাপোৰৰ দম জ্বলাই দিয়ে। লগে লগে সকলো মানুহে নিজৰ নিজৰ গাৰ কাপোৰ খুলাই জুইত দলিয়াই দিয়ে। জুই দপ দপকৈ জ্বলি উঠে। ধ্বনি উঠে—"বন্দে মাতৰম"—ভাৰত মাতা কি জয় স্বাধীন ভাৰত কি জয় ]

[ ফুকনদেৱক গ্ৰেপ্তাৰ কৰাৰ কাৰণে পুলিচ চুপাৰিন্টেন্‌ডেন্টৰ পুলিচৰ সৈতে আগমন ]

ফুকন—অ' আপোনালোক আহিছেই। বাক বৰ।

[ ফুকন ওলাই আহে ]

পুলিচ চুপাঃ—আপোনাক ভাৰত ৰক্ষা আইনৰ নিৰ্দ্দেশমতে গ্ৰেপ্তাৰ কৰা হ'ল।

( ফুকনৰ হাতত হেণ্ডকাফ দিয়ে )।

ফুকন – দেশ মাতৃৰ আহ্বান। যাবই লাগিব। ব'লক।

[ ফুকনক আগত লৈ কনিষ্টবল জেল অভিমুখে যায়। ফুকনৰ পত্নী কেইজনমান ভলাণ্টিয়াৰক হাতকেৰেয়া দি লৈ যায়। জনতাই ফুকন দেৱৰ গ্ৰেপ্তাৰত বিহ্বল হৈ পিছে পিছে যায় আৰু জয়ধ্বনি দিয়ে বন্দে মাতৰম। ফুকনৰ জয়।

( অতীব ৰ্যাকোনো )

[ স্কুল কলেজৰ ছাত্ৰও জনসাধাৰণৰ সভা  নবীনচন্দ্ৰ বৰদলৈ দেৱ সোমাই অহাৰ লগে লগে জনতাৰ মাজৰ পৰা ধ্বনি উঠে—বন্দেমাতৰম,—ভাৰতমাতা কি জয় মাহাত্মা গান্ধী কি জয় নবীন বৰদলৈ কি জয়। সমূহ ৰাইজক সম্বোধন কৰি বৰদলৈ দেৱে বক্তৃতা দিয়ে ]

সমবেত ৰাইজ, আৰু মোৰ মৰমৰ ছাত্ৰ বন্ধুসকল আজিৰ পৰা আপোনালোকে স্কুল কলেজ ত্যাগ কৰক ইংৰাজ শাসনৰ অধীন হৈ আমি আৰু নেথাকো উকীল, মহৰী সকলে আদালত বৰ্জ্জন কৰক ছাত্ৰ সকলে স্কুল কলেজ ত্যাগ কৰক, আৰু সকলে চৰকাৰী বিষয়াই চৰকাৰী কাম এৰি দিয়ক। খাজনা দিয়া বন্ধ কৰক। বিদেশী বস্ত্ৰ বৰ্জ্জন কৰি আমি আমাৰ কুটীৰ শিল্পালয় সমূহ উন্নত কৰিব লাগিব। আহক সকলোৱে আগবাঢ়ি আহক। আজিৰ পৰা আমি বিদেশী বস্ত্ৰ নলওঁ বুলি প্ৰতিজ্ঞাবদ্ধ হওঁ। আহক, আজিৰ পৰা বিদেশী বস্ত্ৰ বৰ্জ্জন কৰো। ( কাপোৰত জুই দিয়ে)

[ সশস্ত্ৰ পুলিচ বাহিনী লৈ পুলিচ চুপাৰিণ্টেনডেণ্ট উপস্থিত

পুলিচ চুপা:—ভাৰত ৰক্ষা আইনৰ নিৰ্দ্দেশমতে আপোনাক গ্ৰেপ্তাৰ কৰা হ'ল।

[ বৰদলৈ দেৱৰ হাতত হেণ্ডকাপ দিয়ে। জনতাৰ মাজৰ পৰা ধ্বনি উঠে বন্দেমাতৰম। স্বাধীন ভাৰত কি জয় ]

( পটীক্ষেপ )

## ২য় দৃশ্য

[ ১৯৩৭ খৃঃ অসমবাসীৰ মাজত বঙালী বিদ্বেষী ভাব, প্ৰবল হৈ উঠে। অসমত গোজ পোতা বঙালী সকলে অসমীয়া জনসাধাৰণৰ স্বাৰ্থৰ বিৰুদ্ধে অসমত ভৰি দিয়াৰ দিনৰে পৰা আন্দোলন কৰি আহিছিল। অসমক বৃহত্তৰ বঙ্গত পৰিণত কৰিবলৈ গুপ্ত ষড়যন্ত্ৰ চলাইছিল। বঙালীৰ কূট কৌশল অত্যাচাৰ অসমীয়া মানুহে সাহব নোৱাৰাৰ মূৰ দাঙি উঠিল ]

( গুৱাহাটীৰ বঙালী উকিল সেনৰ ঘৰত প্ৰবাসী বঙালী সকলৰ খকৰা মেল। মেলৰ উদ্দেশ্য অসমক বৃহত্তৰ বঙ্গত পৰিণত কৰা।)

ন—আমৰা চিলঙে কালকে যেতে হবে।

হিডী—হ্যা, কালকে বিকালে গেলে সুবিধা হবে।

নাৰ্জ্জী—আমৰা পাঁচজন গিয়ে প্ৰধান মন্ত্ৰী চাহুল্লা চাহেবেৰ সঙ্গে দেখা কৰলেই ভাল হবে। যা দেখেছি তিনি আমাদেৰ মতকেই সমৰ্থন কৰবে। চাহুল্লাকে নিয়ে গৱৰ্ণৰেৰ কাছে আমাদেৰ নিবেদন জানাইতে হবে।

হিড়ী—আমৰা সৰ্ব্ব প্ৰথম ছিলেটৰ নেতৃবৃন্দকে সঙ্গে নিতে হবে। তাহাদিগকে আমাদেৰ মত জানাইতে হবে। তাহাৰা আমাদেৰ উদ্দেশ্য সাফল্যমণ্ডিত কৰবেই কৰবে। কেননা তাদেৰো আমাদেৰ সাথে একমত।

ন—আমৰা গিয়ে আমাদেৰ লাইন প্ৰথাটা তুলে দেবাৰ জন্ত বলব। তাঁৰপৰ বাঙালী স্থান বিকশাত্‌ কৰবাৰ জন্ত [illegible]।

সে—কনকলাল বৰুৱা লোকজন ভাল। তিনি আসামী লোক হইলেও বেচ ভদ্র।

[ সেন আৰু চেটাৰ্জীৰ আলোচনা। সেনে টেবুলত লেখৰ পোহৰত কিবা কিবি লিখি থাকে, এনেতে চেটাৰ্জীৰ প্ৰবেশ।)

চেটাৰ্জী—নমস্কাৰ!

সেন—অ' নমস্কাৰ, আসুন, বসুন। (চকিখন আগবঢ়াই দিয়ে)। আমৰা কালকে চিলঙে যাত্ৰা কৰব।

চেটাৰ্জী—আপনাদেৰ যাত্ৰাৰ খবৰ পেয়ে সুখ পেয়েছি। সেইজন্য ৰাত্ৰি এসে আপনাকে জুলুম কৰলাম।

সেন—না, না কিছেৰ জুলুম।

চেটাৰ্জী—লাইন প্ৰথা তুলে দিলে যদি আসামে বঙালী মুছলমানে সংখ্যা বৃদ্ধি হয়, তা হইলে খাৰাপ হইবে। চাদুল্লা তো আসামে মুছলমান প্ৰধান কৰবাৰ চেষ্টাই কৰিয়াছে।

সেন—সেখানে আপত্তি কৰবাৰ কি আছে। মুছলমান হইলেও তো বাঙালী? আমৰা প্ৰথম চাই বাঙালী, হিন্দুই হওক বা মুছলমানেই হওক বাঙালী হলেই কাজ হইবে। এই সময় যদি চাদুল্লাকে হাতে নিয়ে লাইন প্ৰথা বন্ধ কৰি না দেই তাহলে আমাদেৰ কিছুই হবে না। এক্ষেত্ৰে কূটনীতি চালাইতে হইবে।

চেটাৰ্জী—(হাঁহি) আপনি আইনজ্ঞ লোক, আপনাৰ বুদ্ধি কে পাৰবে? আমৰা আপত্তি কৰবাৰ কিছুই নেই।

আসামের পতিত মাটি দখল করাই আমাদের লক্ষ্য। যদি আপনারা জয়ী হয়ে আছেন তাহা হলে দেখব আসাম বৃহত্তর বাঙালার অন্তর্ভুক্ত হবে কি না।

সেন—আমরা যদি জয়ী হতে পারি, তা হলে আমরা বাঙালা থেকে হিন্দু লোক আনবার প্রথম চেষ্টা করবো। তার পরে যদি নাহয়

চেটার্জী—আপনার রাজনৈতিক বুদ্ধি কৌশল আমাদের কেউ স্বীকার না করতে পারবে না। আমাদের স্কুল সম্বন্ধে কি ভাবছেন।

সেন—ডিব্রুগড়, তেজপুর এবং গৌহাটীতে বাঙালী স্কুলের প্রয়োজন। এই তিন স্থানের কথাই উল্লেখ করব। আমি এই তিনি স্থানের বাঙালী ছাত্রের এবং বাঙালী বাসিন্দার হিচাব পত্র সংগ্রহ করেছি। আমি এই হিচাব দাখিল করব।

চেটার্জী—এয়ের জন্য তেজপুর এবং ডিব্রুগড়ের স্থানীয়লোক কায়কজন আছলে ভাল হইত।

সেন—সে সব ঠাকঠিক হইয়াছে। আমি বাঙালী হইলেও আমার ভিতরে যাই থাকুক বাইরে আমার নাম অনেক। আসামীদের মধ্যেতো আমি তাদের ভগবানের মত। (হাঁহে)।

চেটার্জী—তারা বোকা লোক। তাদের মধ্যেতো শিক্ষিত জাতী

লোক নেই। তাৰাও আমাদেৰ সাথে যুজ দিতে আছে। তাদেৰ বোকামি দেখে মাজে মাজে হাসি! (হাঁহে)।

সেন—আসামীৰা গোবাৰ। তাৰা এক কথা বুজে। সৰ্ব্ব প্ৰথম যদি আপনি তাদেৰ সাথে ব্যৱহাৰ ভাল না কৰেন তা হইলে তাৰা জন্মে জন্মে আপনাৰ সাথে বন্ধুত্ব কৰবে না। তাৰা আমি যা বলব তা কৰবেই কৰবে। আচামীৰা তাদেৰ যেই কোনো কাজেই হউক বা তাদেৰ যেই কোনো উৎসবেই হউক আমাৰ নিমন্ত্ৰণ সৰ্ব্ব প্ৰথম থাকবেই। যখনি তাৰা আমাৰ কাছে হাজিৰ হয় তখন তাহাদেৰ আসামী থাকেনা।

চেটাৰ্জী—আপনাৰ পলিচি নেওয়াই উচিত। তা না হলে তাহাদিগকে বশ কৰা যাই না। "আচ্ছা তাহলে আমি যাই। আপনাদেৰ যাত্ৰা মা কামাখ্যা মঙ্গল কৰুক। আচ্ছা নমস্কাৰ।

সেন আচ্ছা নমস্কাৰ।

(আঁৰ কাপোৰ)

## ৩য় দৃশ্য

[অসমীয়া বাইজ বঙালীৰ অত্যাচাৰত অধীৰ হৈ উঠিছে। অসমৰ ওপৰত চলোৱা অত্যাচাৰ, আক্ৰমণ ৰোধ কৰিবলৈ আগবাঢ়ি গল। বঙালী সকলে অসমীয়াৰ ভাষা, কৃষ্টি, জাতীয়তাৰ অস্তিত্ব লোপ পেলাবলৈ চলোৱা ষড়যন্ত্ৰক দমন কৰিবলৈ সাজু হল। প্ৰত্যেক অসমীয়াই ভাবিছে, চিন্তিছে কি দৰে বাঙালী সকলৰ কাৰ্য্যক বাধা দিয়া যায়।]

[ গধূলি সময়ত গুৱাহাটীৰ দেশপ্ৰিয় চৌধুৰীৰ ঘৰত বঙালী সকলৰ ষড়যন্ত্ৰৰ বিষয় আলোচনা কৰিবলৈ [illegible] মানুহৰ সমাগম ]।

বৰুৱা— নাই, নাই সেইবোৰ বাজে কথা এৰি দিয়ক। এতিয়া আমি কি দৰে আন্দোলন চলালে জয়ী হম তাকেহে আলোচনা কৰা উচিত।

চৌধুৰী—কিনো আন্দোলন কৰিবাহে? বঙালীৰ বিৰুদ্ধে কি দৰে আন্দোলন কৰিবা, নাই টকা, নাই কৰ্ম্মী, নাই সমৰ্থক। তেনেস্থলত বঙালী দমোৱা আন্দোলন কৰিলে হিতে বিপৰিত হব।

দাস—প্ৰত্যেক ক্ষেত্ৰতে দেখিছো আপুনি আগেয়ে হতাশ হয়। কিন্তু আমাৰ কৰ্ম্মী বা সমৰ্থক লোকৰ [illegible]। টকাৰে

বা অভাৱ কি ? কাম কৰিলে সকলো ওলাই পৰিব। ঘৰত বহি থাকিলে কোনে আহি টকা দিব বা আন্দোলন কৰিবলৈ মাতি নিবহে ?

বকৰা—সেইটো ঠিক দাস। কামত নমাৰ আগতে হতাশ হোৱা উচিত নহয়। আমি সোনকালে এখন আঁচনি কৰি কামত লাগি যোৱা উচিত।

চৌধুৰী—তোমালোক ডেকা! তোমালোকৰ গাত ডেকা তেজ। এতিয়াতো আমাৰ কথা উৰায়ে দিবা; পিচত পোষ্টাবা।

বকৰা—মুঠতে আমাৰ আপোনাৰ লগত কাম কৰা নহব। আপোনাৰ লগত আন্দোলন কৰিলে আপোনাৰো একো কৰা নহব আমাৰো একো কৰা নহব। কিবা কৰিলে আমি দহ বাৰজন লগ লাগিয়ে কৰিব লাগিব।

চৌধুৰী—মোক এৰিব নেলাগে। ময়ো তোমালোকৰ পিচে পিচে যাম। (হাঁহি কয়) মই যে তোমালোকক কৈছো, ভয় খায় নতুবা হতাশ হৈ কোৱা নাই, মই মোৰ বাস্তৱ অভিজ্ঞতাৰ পৰা হে কৈছো। প্ৰত্যেক কাম কৰাৰ আগতে দকৈ ভাবি চিন্তি চাব লাগে। হুৰাই মুৰাই কৰিলে নচলে। টকাৰ কথা যে কৈছো, কোৱাচোন বাৰু কোনজন সদাগৰে দিব ? কি কেইজন অসমীয়া ধনী মানুহ আছে, তেওঁলোকো বঙালীৰ মিতিৰ। তেওঁলোকে জানো মদ খাব এৰি, [illegible] অপব্যয় খৰচ কৰিব এৰি দি দেশৰ কামত দিব?

আমাৰ অসমীয়া ধনী কেইজনে বঙালীক লাই দিছে। নহলে আমাৰ এনে দশা হয়নে ?

দাস—সেইটো তো হয়েই। পিছে

চৌধুৰী—আক চোৱা, আমাৰ মানুহে বঙালী মানুহ পালে বঙালী কৰলৈ মতলীয়া হৈ পৰে। অসমীয়া মানুহে অসমীয়াৰ লগতে বঙালী কৰ খোজে। পিছে বঙালীয়ে অসমীয়া জানিলেও নকয়। অসমীয়া মানুহৰ দোষতে বঙালীয়ে সাতপুৰুষ কাল অসমত [illegible] অসমীয়া নিশিকিলে। আমাৰ জাকত জিলিকা সাজ পাৰ থাকোতেই আমাৰ মহিলা সকলে লৈছে বঙালী সাজ পাৰ।

বকৰা—এতিয়া আমি

চৌধুৰী—কি কৰিবা, আমাৰ জাতি আমাৰ দেশ তললৈ গল। জাতিক শক্তিবান কৰা টান হৈ উঠিছে। আমাৰ যদি এজন লিখকে খুজি মাগি এখন কিতাপ ছপা কৰে, তাৰো এহেজাৰ কপি বিক্ৰী নহয়। কিতাপৰ মূল মুঠতেই উয়ে, পোকে ধৰে। কিতাপ কিনাৰ কথাই নকওঁ এনেহে সমালোচক, কিতাপ নেদেখাকৈয়ে কব, অসমীয়া কিতাপত কি আছে, নাইবা কব, অমুকাৰ কিতাপত কি পাবা ; সি কি লোপাহে লিখিছে ? ইত্যাদি। আমাৰ শিক্ষিতৰো সংখ্যা কম, যি কেইজন শিক্ষিত লোক আছে,

তেওঁলোকে বঙালী কিতাপৰ প্ৰেমত বলিয়া। যেই সেই কিতাপেও আকৌ মন মুহিব নোৱাৰে। তেওঁ-লোকক লাগে প্ৰেমৰ কাহিনী নতুবা মোহন ছবিৰ। কোনোৱে তো সাহিত্য লিখিবৰ যত্ন নকৰে, সাহিত্য চৰ্চ্চা কৰাও ন বোৱাৰীৰ দৰে লাজ।

ভেকা—আপোনাৰ কথা কেই আষাৰ আখৰে আখৰে সত্য। আপোনাৰ কথাবোৰ মনত লাগিছে। অইনৰ কথাকে নকও দয়াৰাম মহাজন হৈ পৰাত আমি তাৰ কাষলৈ যাবই নোবাৰো। সি আমাৰ বাধ্যত পৰি হে মাত দিয়ে। এদিন তাৰ দোকানলৈ গৈয়ে সিদিনাৰ পৰা বাদ দিছো, চাওকচোন তাৰ ব্যবহাৰ, মই মাল কিনিবলৈ গলো, প্ৰথমে সি মাত দিবই নোখোজে। আমি গ্ৰাহক যেতিয়া মাল সস্তাত পাবলৈ বিচাৰো। মই সিদিনা দাম কমোৱাৰ কথা কওঁতে সি ঘপহকৰে কৈ উঠিল, সি বোলে মাৰোৱাৰী নহয়। সি নোৱাৰো বুলি নৰম সুৰত কব পাৰে?

চৌধুৰী—চোৱাহে উমেশ, ভেকাৰ কথা শুনিলা? বঙালীৰ বা কেঞাঁৰ দোকানলৈ গলে তাত জানো ভাল ব্যৱহাৰ পাবা?

[illegible]—আমাৰ জাতিটোৰ এইবোৰেই তো দুৰ্ব্বল। সেই বুলি জাতিটো ৰসাতললৈ যোৱাৰ নে? আমাৰ এই দোষবোৰ সংস্কাৰ কৰিব লাগিব।

শম্মা — মিচা, মিছা । বঙালী খেদা বা বধ কৰা সহজ নহয় । চাওকচোন মই সিদিনা ভাগিন জনকলৈ ডি, চি অফিচলৈ গ'লো । মোৰ ভাগিন জনে আই-এ পাচ কৰি ঘৰতে বহি আছে । চাকৰি ওলোৱা খবৰ পাই লৰা-লৰিকৈ গলো, পিচে হতাশ হৈ ঘৰলৈ উভতি আহিলো । ডি, চি চাহাবে টকা লৈ এজন মেট্রিক পাছ বঙালীক সুমুৱাই দিলে । ডি চি জানো অসমীয়া নহয় ? অসমীয়া বঙালীৰ কথাই নকও, টকাৰ আগত আই-এ পাচো ফেল মাৰিলে ।

চৌধুৰী — চাওকচোন এনেবোৰ চৰিত্ৰৰে আমাৰ জাতিটো গঠিত । গতিকে এই জাতিৰ উন্নতি কি হব ? আপুনি যদি, নিজৰ কথা নধৰোৱেই, দহৰ মঙ্গলৰ হকে কিবা কৰিবলৈ যায় সকলোৱে আপোনাক আগত তুলি দি গুৰিত কাটিব । মই পাইছো নহয় ।

বৰুৱা — এইবোৰ আমি নেজানো নে ? আমি এই আন্দোলনৰ মাজেৰে আমাৰ জাতীয়তা ৰক্ষা কৰিব লাগিব । আন্দোলনৰ মাজেৰে আমাৰ কুসংস্কাৰবোৰ ভাঙিব লাগিব । হাত সাবতি বহি থাকিলেতো সংস্কাৰ কৰা নহব ।

চৌধুৰী — বুজিছো দিনেশ । তোমালোক ডেকা, তোমালোকৰ স্বাৰ্থ নাই । তোমালোকে যি ইচ্ছা হয়, তাকে কৰিব পাৰা । তোমালোকৰ উদ্দেশ্য মহৎ । মই তোমালোকৰ একা-

প্ৰভাত বিশ্বাস কৰো যে, গতিকে তোমালোকৰ লগত যোগ দিম বুলি ভাবিছো। মই নিৰৱ ভাৱে কাম কৰি যাম। পিচে, তোমালোকে আমাৰ নিচিনা বয়সস্থ মানুহক বাদ দিয়াই ভাল দেখো। কিয়নো আমাৰ দৰে মানুহৰ পৰা তোমালোকৰ লাভ একো নহব বৰং লোকচান হে।

দাস—নহয়, সেইটো হবই নোৱাৰে। আপোনাক লাগিবই।

চৌধুৰী—তোমালোকে যদি কিবা কৰা তেনেহলে কওঁ শুনা। তোমালোক কিছুমান ডেকা লগ হোৱা, এশ জন হলে কথাই নাই। ডেৰকুৰি দুই কুৰি যদি কৰ্ম্মী একাগ্ৰতা আৰু দৃঢ়সঙ্কল্প লৈ ওলায় সেয়ে যথেষ্ট হব। তোমালোকৰ মাজত এখন মিটিং পতা। এজন উপযুক্ত চাই সম্পাদক আৰু এজন সভাপতি বাচি লোৱা। ইয়াৰ উপৰিও এঘাৰজন মানেৰে এটি কাৰ্য্যকৰী কমিটি গঠন কৰা। মই বাৰু, তোমালোকৰ কামৰ আঁচনিখন আজি ৰাতিয়ে ঠিক কৰি থম। বুজিছা ৰমেশ, যদি তোমালোকে এনে এটা দল কৰিব পাৰা, তেনেহলে বঙ্গালীৰ পিলাই কুছি যাব।

দাস—হয় আপোনাৰ কথাটো যুক্তি পূৰ্ণ হৈছে। এতিয়া ৰাতি হল। উঠা উঠি কৰাই ভাল।

বৰুৱা—তেনেহলে আমি যাওঁৱেই। মই কালি ৰাতিপুৱা আহিম। আপুনি আঁচনিখন ঠিক কৰি থব।

চৌধুৰী—বাক, মই কৰি থম। যোৱা দেই। মোৰ কথাত বেয়া নাপাব।

ডেকা—কিহৰ বেয়া আছে।

## আঁৰ কাপোৰ

— (•) —

## চতুৰ্থ দৃশ্য

[ ডিব্ৰুগড নগৰ। পথ্‌্যালগৰত কেইজনমান ডেকা লুইতৰ পাৰলৈ ফুৰিবলৈ আহিছে। বঙালী বিৰোধী, আন্দোলনৰ বিষয়ে আলোচনা কৰিছে। ]

ৰাম—বুজিছা ৰবীন্দ্ৰ, যিবিলাকে প্ৰকৃত কাৰ্য্যৰ পথা বিৰত থাকিব খোজে, সি সকলৰ প্ৰকৃততে কাম কৰিবলৈ সাহস নাই। নাইবা যি সকল নাম কৰাৰ তালত থাকে, তেনেবোৰ মানুহে হে মেল মিটিং বিচাৰে। বাক, কাইলৈ এখন মিটিং কৰিলো, তাতে আমি কেইজনমান উঠি বৰ গৰম গৰম বক্তৃতা দিলো, লাগে দুই এটি বৰ মূল্যবান প্ৰস্তাৱো দিলো, তাত কি হব হে।

ৰবীন্দ্ৰ—তুমি কোৱা কথাটো ঠিকেই। কিন্তু।

ৰাম—কিহৰ কিন্তু হে ? যি সকলে কাম কৰিবলৈ অক্ষম তেওঁলোকেহে মিটি কৰে।

হৃৰেন—মিটিং কৰিব লাগে কিযনো মিটিং কৰি জনসাধাৰণক সংগঠন কৰিব পাৰি। মিটিং কৰি কাৰ্য্যত নামিলে সহানুভূতি পায়।

ৰাম—বৰ্ত্তমানে বঙালীৰ বিৰুদ্ধে সকলো অসমীয়াই, বঙালী বিদ্বেষী অকল অসমীয়াই নহয় বিহাৰ উৰিষ্যাও। এই ক্ষেত্ৰত কিহৰ মিটিংৰ দৰকাৰ সংগঠনৰে বা দৰকাৰ কি ?

ফনীন্দ্ৰ—বৃটিছক খেদা কথাত ভাবিবৰ দৰকাৰ, তেনে ক্ষেত্ৰত লাগে মিটিং লাগে সংগঠন, কিন্তু এই ক্ষেত্ৰত সেইবোৰ একেবাৰে প্ৰয়োজন নাই।

ৰাম—মিটিংৰ আৱশ্যক কতো নাই হে। ময়োতো কংগ্ৰেছৰ এজন কৰ্ম্মী। মিটিং কৰো মানে কৰো, সংগঠন কৰো মানে কৰো, কিন্তু সময়ৰ পৰত আমি ভলন্টিয়াৰ কেইজন মাথো।

দীন—তোমালোকে ভুল বুজিছা। এতিয়া গৰম নহবাচোন।

ৰবীন্দ্ৰ—কিয় গৰম নহম হে ? বঙালী সকলে বঙ্গ ভঙ্গ আন্দোলন কৰোতে কেইখন মিটিং কৰিছিল ? দলৰ সংগঠনৰ বাহিৰে জনসাধাৰণৰ মাজত ক'ত সংগঠন কৰিছিল ? একালৰ পৰা চাহাব মাৰিব ধৰাত ইংৰাজে তেওঁলোকৰ আইনকে বদলাই পেলালে।

ফনীন্দ্ৰ—আমিও সেই একে পন্থাকে লব লাগিব। এই খিনিকে যদি কৰিব নোৱাৰো, কিহৰ অসমীয়া মানুহ হে ?

ৰমেশ — ৰবাহে, সিমান দূৰ নেযাবা। ঠাণ্ডা হোৱা।

ৰবীন্দ্ৰ — বাদ দিয়া ভাই। আমি মিটিঙৰ প্ৰচাৰ কৰি তোমা-লোকৰ পিচে পিচে ভেড়া হৈ ফুৰিব নোৱাৰো। আমি মিটিং পাতিম, আমি কৰিম সংগঠন, কেইজন মানে গৰম গৰম বক্তৃতা দি নাম কৰিব। আমি তেনে কথাৰ পক্ষপাতি নহওঁ। আমি তোমালোকৰ পৰা বাদ। যি হয় আমাক আমিয়েই কৰি যাম।

জীৱন — মেল মিটিং বাদ দিয়াই ভাল। এনেবোৰ অনৰ্থক চেষ্টা কৰি হতাশ হৈ গৈছো। ৰবীনৰ পন্থাই লব লাগিল।

ৰবীন্দ্ৰ — বলা ভাই। এই বিলাক কৰি থাকিলে ৰবত তো ভাত নিদিয়ে, তাতে ৰাতি হোৱা দেখিলে নিস্তাৰ নাই।

( আঁৰ কাপোৰ )

— —

## পঞ্চম দৃশ্য—

[নগাওঁ চহৰৰ খ্যাতনামা উকীল বৰাৰ ঘৰ। বৰা আৰু নগৰৰ বিশিষ্ট কেইজনমান ভদ্ৰলোক প্ৰত্যেকে চাহৰ কাপ আগত লৈ নানা ধৰণৰ কথা বতৰা হৈছে ]

বৰা—সুজলা, সুফলা শস্য শ্যামলা অসম দেশ নহয়, কমলা কান্তৰ ভাষাত ই শ্মশান। যি জাতিয়ে নিজৰ জাতিৰ বিষয় উপলব্ধি কৰিব নোৱাৰে, এই জাতি কেনেকৈ টিকি থাকিব হে। মিছাকৈয়ে আন্দোলন কৰিলে কি হব? দেশ পূজা কৰিবলৈ আমাৰ মানুহে শিকা নাই কি সাহিত্যিক, কি দাৰ্শনিক, কি দেশসেৱী সেইবোৰ একেবাৰে আমাৰ মানুহে মোল বুজা নাই। লক্ষ্মীনাথ বেজবৰুৱা, নবীনচন্দ্ৰ বৰদলৈ চন্দ্ৰ শৰ্ম্মা, তৰুণৰাম ফুকন হাতি বৰুৱা, ঢেকিয়াল ফুকন, আনন্দৰাম বৰুৱা, হেম বৰুৱা, গুণাভিৰাম বৰুৱা আদি মহাপুৰুষৰ জন্ম হল অসমত। তেওঁলোকে আজীৱন কাল কটালে অসম মাতৃৰ সেৱাত। অসমীয়া জাতিক থিয় কৰালে মাতৃ সেৱাকে তেওঁলোকৰ জীৱনৰ ব্ৰত কৰি লৈ নিজ পিনে কিবি নাচালে। তেওঁলোকে অসমীয়া জাতি কি নকৰিলে, কিন্তু আজি তেওঁলোকৰ স্থান কত অন্তপক্ষে তেওঁলোকে স্মাৰ বিচাৰি কাম কৰিবলৈ যোৱা

নাছিল। আমাৰ দুই এজন মানুহৰ ঘৰত তেওঁলোকৰ ফটো আঁৰি থোৱা আছে, তাৰ বাহিৰে তেওঁলোকৰ স্মৃতি স্তম্ভ ক'ত? কিবা এটি ভাল কাম কৰিব ওলাব, তাত নানা বিধি পথালি। কামৰ আগত খোচামোদ কৰি কোনো ৰকমে মাষ্টি কৰিলেও কামৰ বেলিকা কাৰো দেখ' দেখি নাই। আমাৰ এই জাতিটো বৰ ঠেক মনৰ। নিজৰ তো কাৰো একো কৰিবৰ নায়েই আনে কৰিব গলেও বাধা দিয়ে। কপটতাৰে মানুহবোৰৰ অন্তৰ পৰিপূৰ্ণ।

ভূঞা—কি কৰিব বৰা। অসমীয়া জাতিৰ কথা ভাবিলে বৰ দুখ লাগে।

ৰাজখোৱা—মই ৰাজহুৱা কামত ফুৰি পৰিয়ালক ৰসাতললৈ নিলো। বুজি শুনি এতিয়া ইস্তফা দিছো। প্ৰত্যেকেই স্বাৰ্থপৰ ভাল কাম কৰিবলৈ যাব প্ৰত্যেক ভাবিব কেনেকৈ নিজৰ স্বাৰ্থ সিদ্ধি হয়। ফলত একোৱেই নহয়।

বৰা ময়ো বহুতো সভা সমিতি কৰিলো। জীৱনটো নানা কষ্টৰ মাজেৰে কটালো। মই এইবোৰৰ পৰা বুজিলো, নিজক নিজে গঢ়ি তুলিব নোৱাৰিলে আনে আহি গঢ়ি নিদিয়ে। এইবিলাকত নামিধৰ হলে ধনী মানী লোক হব লাগে, নহলে মমাই ভুল। ছাত্ৰসকলক নানা ভুৱাৰে ওপৰত তুলি দি চাবিওফালে :খুৱাই

ফুৰাই নেতাসকলে নিজৰ কাম সিদ্ধি কৰি লয়। ইয়াৰ পৰাতো দেশৰ কাম নহয়, ছাত্রসকলৰ জীৱন নাশ কৰাৰ বুধি হে। নেতা সকলে আগতে নিজৰটো থিক কৰি, পিচে আনৰ পিনে ভাবিবই পাহৰে। (চাকৰজনক মাতে) অ' নিধি। পিয়লা কেইটা লৈ যা। (চাকৰজন পিযলা কেইটা লৈ যাবলৈ উদ্যত) তামোল কেইখনমান লে আহ গৈ যা।

ভূঁঞা—মই দেখিছো এই বেলিৰ আন্দোলনো সফল নহব।

বৰা—সেইটোতো দেখা দেখি কথা। আন্দোলনৰ গুৰি ধৰিবৰ কোনো এজন উপযুক্ত নেতা নাই। তাৰ বাহিৰেও জানে নহয়, অসমীয়া মানুহৰ মতি গতি আন্দোলন অকৃতকার্য্য হবই হব। (চাকৰজনে তামোলৰ বঁটা আনি টেবুলৰ ওপৰত থয়। বৰাই নিজে এখন ভৰাই বঁটাতো ভূঞাৰ পিনে আগবঢাই দিয়ে)

ৰাজখোৱা—এনেবোৰ আন্দোলন কৰিবলৈ হলে উপযুক্ত নেতাৰ দৰ্কাৰ। তাৰ উপৰিও গুৰিত কেইজনমান মোট মহাজন লাগিব, তেতিয়াহে একৰকম।

বৰা—আমাৰ দেশৰ নেতা। লঙ্কাত গলে ৰাৱণ হোৱা লক্ষ আমাৰ নেতাসকলৰ গাত ফলে।

ভূঁঞা—মই এতিয়া উঠোহে। মোৰ লাহিড়ীৰ ঘৰত কাম আছে। যাওঁ দিয়ক, থাকক। (প্রস্থান)

ৰাজখোৱা—দেখিলে বৰা। বঙালী খেদিব আছে আনপিনে লাহিড়ী নহলে নচলে। এনেকুৱা ভাৱাপন্ন মানুহে কি কৰিব পাৰে ?

বৰা—কি কৰিব। আমাৰ জাতিৰ দোষ। সেয়েহে মই মন মাৰি আছো।

ৰাজখোৱা—মযো যাওঁৱেই। আপোনাক দিগদাৰিহে দিলো। কাইলৈ পাৰে যদি আমাৰ পিনে এবাৰ যাবচোন।

বৰা—বাৰু চাও দিযক।

* * *

[ '৪২ চনৰ ৯ আগষ্টৰ মহাবিদ্ৰোহৰ ঢৌৱে অসমকো চুলে। সমগ্ৰ ভাৰত জুৰি ভীষণ আন্দোলন দেখা গল। আন্দোলনৰ গৰ্জনিত বৃটিছ সিংহ কঁপি উঠিল। ভাৰতৰ ইমূৰৰপৰা সিমূৰলৈ সভা সমিতি হল। গাঁৱে গাঁৱে পঞ্চাযত গঠিত হল। স্কুল কলেজবোৰত ধৰ্ম্মঘট হল। বগীযা হাতীৰ নিচিনাকৈ বৃটিছে দেশকৰ্ম্মীসকলক জেলত সোমাই থলে। জনতাৰ মাজত সাম্ৰাজ্যবাদে চলালে লাঠি, গুলি, বেয়নেট আৰু গেচ ]

[ কটন কলেজৰ সন্মুখত কিছুমান ছাত্ৰই চিঞৰি আছে—বন্ধুসকল, ওলাই আহক,—গোলামী শিক্ষা বৰ্জন কৰক। ছাত্ৰসকলৰ জুম হোৱাত দুজনমান ছাত্ৰই সকলোকে বহিবলৈ কলে আৰু একজনে বক্তৃতা জুৰিলে ]

উপস্থিত বন্ধুসকল। যোৱা আঠ আগষ্টৰ দিনা বোম্বাই মহা নগৰীত গান্ধীজী, পণ্ডিত নেহৰু প্ৰভৃতি ভাৰতীয় জাতীয় নেতৃবৃন্দক গ্ৰেপ্তাৰ কৰিছে। জনতাই যেতিয়া গ্ৰেপ্তাৰৰ প্ৰতিবাদ কৰে, তেতিযা সাম্ৰাজ্যবাদে নিৰীহ নৰনাৰীৰ ওপৰত গুলি চালনা কৰে। যোৱা ৮ আঠ তাৰিখে আমাৰ নেতা সকলে ভাৰতৰ স্বাধীনতা ঘোষণা কৰিছে। এতিয়া আমি স্বাধীন। ভাৰতৰ পৰা বৃটিছক খেদিবলৈ সকলোবে ওলাই আহক। আমি বৃটিচক খেদিবই লাগিব। কংগ্ৰেচ কমিটিত লোৱা প্ৰস্তাব "ভাৰত ত্যাগ" এতিয়াও কাৰ্য্য কৰী হোৱা নাই। আহক আগ বাঢ়ি জয় কিম্বা মৃত্যু পণ কৰি কাৰ্য্য ক্ষেত্ৰত নামি যাও।

[ ছাত্ৰসকলে হাত চাপৰি দিযে। তাৰ পিচত ধ্বনী উঠে—ইনক্লাব—জিন্দাবাদ, বন্দে-মাতৰম্,—স্বাধীন ভাৰত কি জয। আন এজন থিয় হৈ বক্তৃতা দিয়ে ]

বন্ধুসকল। আমাৰ ববৰ সময় নাই। আজি আমি গুৱাহাটীৰ স্কুল কলেজ সমূহত ধৰ্ম্মঘট কৰাও। ইয়াৰ পিচতে আমি গাৱে গাঁৱে গৈ পদদলিত কৃষক শ্ৰেণীক জাগ্ৰীত কৰিব লাগিব। কৃষক শ্ৰেণীয়ে হৈছে জাতিৰ মেৰুদণ্ড। মাটিৰ খাজনা দিয়া বন্ধ কৰিব লাগিব। যদি কোনো কৰ্ম্মচাৰীয়ে চাকৰি এৰি নিদি বৃটিছৰ

লগত সহযোগিতা কৰি থাকে তেনেহলে আমি তেওঁ লোকৰ লগত সহযোগিতা ত্যাগ কৰিব লাগিব। কৰ্ম্মচাৰীসকলৰ খোৱা লোৱা দ্ৰব্য বন্ধ কৰিব লাগিব। তেওঁলোকে যাতে চাকৰি এৰিবলৈ বাধ্য হয় তাৰ বাবে প্ৰথমে আমি অফিচবোৰত পিকেটি কৰিব লাগিব। এই পিকেটি কালিৰ পৰা এটা এটা দল হৈ কৰিব লাগিব।

[ ছাত্ৰসকলে হাত চাপৰি দিয়ে—। ধ্বনী তোলে—ইনক্লাব-জিন্দাবাদ আন এজনে থিয় হৈ বক্তৃতা আৰম্ভ কৰে ]

ছাত্ৰবন্ধু সকল। এই যে মহাসমৰ আৰম্ভ হৈছে, ইয়াক কমিউনিষ্টে জনযুদ্ধ বুলি প্ৰচাৰ কৰি যুদ্ধত সহায় কৰিবলৈ ৰাইজক আহ্বান কৰিছে। ইহঁত সাম্ৰাজ্যবাদৰ দালাল। দালাল সকলৰ প্ৰচাৰত ভোল নেযাব। এই যুদ্ধ সাম্ৰাজ্যবাদী যুদ্ধ। এই যুদ্ধত আপোনালোকে ধনে জনে সহায় নকৰিব। সাম্ৰাজ্যবাদী যুদ্ধই আমাৰ সৰ্ব্বনাশ সাধিব। এই যুদ্ধত বাধা জন্মাবলৈ কোনেও যাতে খোৱা লোৱা দ্ৰব্য নিদিয়ে। বৃটিছ শাসন উচ্ছেদ কৰিবলৈ হলে বৃটিছৰ শাসন যন্ত্ৰবোৰ বন্ধ কৰি দিব লাগিব। ৰেল লাইন টেলিগ্ৰাফ তাঁৰ কাটি দিব লাগিব। বিবোৰ দলজৰ সহায়েৰে সাম্ৰাজ্যবাদে পুলিচ ফৌজ আদি পঠায়

তেনে দল বোৰ আমি ভাঙিব লাগিব। আমি জয় কিম্বা মৃত্যুও পণ কৰি আমাৰ দশৰ স্বাধীনতা লাভ কৰিবলৈ আগবাঢ়িব লাগিব। ইনক্লাব—জিন্দাবাদ ইনক্লাব—জিন্দাবাদ। সাম্রাজ্যবাদ ধ্বংস—হওক।

[ সৰভোগ বিমাণঘাটি ধ্বংস কৰিবলৈ গধূলি কেইজন মান ডেকাৰ আলোচনা ]

শৰ্ম্মা—দাস, আজিযেই যদি কৰা নহয় তেনেহলে সকলো পণ্ড হৈ যাব।

দাস—আজিৰ ভিতৰত কৰিবই লাগিব।' মই বৰনগৰ, হাউলি, বৰপেটা আৰু সৰভোগৰ ডেকা সকলক খবৰ দিছো। তেওঁলোক যেনে তেনে আহিব।

শৰ্ম্মা—চাব ভাই। ভাল মানুহ আহিলে তো, ভালেই। ভালৰ লগত যদি কোনোবা

দাস—আপুনি ভাবিবই নেলাগে। মই যি কেইজনক কৈছো সিহঁত পাকৈত। জীবন গলেও বিশ্বাসৰ কথা ভাঙি নকয়।

শৰ্ম্মা—পাঠক। তুমি ডিনামাইটৰ কথা কি কৰিলা? আজি হব তো?

পাঠক—মোক ভাৰ দিছে যেতিয়া আপুনি নিসন্দেহে থাকক।

শৰ্ম্মা—হলেতো আমাৰে মঙ্গল।

চৌধুৰী—আমাৰ ৰাতিৰ প্লেন কিবা কৰিছোন? উগ্ৰা মথাকৈ কাম কৰিবলৈ গলে আমাৰ বিপদ আহিব। কাযো একো নহব।

দাস—থিক কৈছে। আমাৰ প্লেন কৰাটো দৰকাৰ।

শৰ্ম্মা—কওক চোন চৌধুৰী, কি দৰে কৰিলে ভাল হব।

চৌধুৰী—আমি চাৰিটা দল কৰোঁ। চাৰি দলে চাৰি পিনৰ পৰা একে লগে আক্ৰমণ কৰিম। প্ৰথমে আমি অলপ দূৰৈত সকলোবোৰ গোট হৈ তাৰ পৰা দল বান্ধি ওলোবাটো ভাল হব।

পাঠক—ঠিক এনেদৰে কৰিলে ভাল হব। আমি সকলোৱে একসময়তে যাতে কাম আৰম্ভ কৰিব পাৰো সেই টোকে চাব লাগিব। আগ পিচ হলেই বেমেজালি হব।

শৰ্ম্মা—প্ৰত্যেক দলকে পৰিচালনা কৰিব হুইচেলে। প্ৰথম হুইচেলত বন্দেমাতৰম্ ধ্বনীৰে কাম আৰম্ভ কৰিব লাগিব। দ্বিতীয় হুইচেলত শেষ কৰিব লাগিব। তৃতীয় হুইচেলত সকলোৱে বন্দেমাতৰম্ ধ্বনীৰে কাৰ্য্য স্থান ত্যাগ কৰিব লাগিব। কাৰ্য্যস্থান পৰিত্যাগ কৰাৰ লগে লগে বিভিন্ন বাটেৰে প্ৰত্যেক দল যাব লাগিব।

দাস—এই বিষয় ঠিকেই হৈছে। পিছে কোন দলে কেনে ধৰণেৰে কাম কৰিব?

শৰ্ম্মা—আমাৰ দল হব চাৰিটা। প্ৰত্যেক দলৰ একোজনৰ হাতত একোটাকৈ ডিনামাইট আৰু বোমা আঠটা মানকৈ দিম। প্ৰথম হুইচেল পৰাৰ লগে লগে ডিনামাইট আৰু বোমাত জুই দিব লাগিব। দলৰ বাকীবোৰে ঘৰত জুই দিব লাগিব।

চৌধুৰী—এতিয়া আমি বেকিৰ পাৰলৈ যোবাটোৱে ভাল হব। খবৰ দিয়া মানুহবোৰ আহিবৰ হৈছেই। (ঘড়ীৰ পিনে চাই) উঠক, উঠক। নওটা বাজিল।

[ আঁৰ কাপোৰ ]

---

[ বেকি নদীৰ পাৰৰ সামান্য জঙ্গলৰ মাজত বেকি ঘাটি পোৰাৰ ষড়যন্ত্ৰ ]

দাস—শুনকচোন, শুনক। সেইযা মানুহৰ শব্দ নহয়নে?

পাঠক (আটাই কেইজনে কাণ পাতি শুনে) মানুহেই। বোধকৰো আমাৰ দলৰে।

দাস—যিমান দূৰ সম্ভৱ হাউলীৰ দং

শৰ্ম্মা—বেকি ঘাঁটি পুৰিবলৈ অতি কমেও দুশমান মানুহ লাগিব। এৰোড্ৰম এখন ধ্বংস কৰা সহজ কথা নহয়। যদি কৰিব পাৰো বৃটিচৰ কম লোকচান নহব?

চৌধুৰী—ভাৰতৰ ভিতৰত বেকি এৰোড্ৰম ধ্বংস কাৰ্য্য চিৰ স্মৰণীয় হৈ থাকিব।

দাস—দুশ মানুহ হবই, কথা নাই।

শৰ্ম্মা—আজি যদি বেকি ঘাটি ধ্বংস কৰিব পাৰো কোনে পায়! আজি প্ৰায়বোৰ অফিচাৰকে পাম। ঠিকাদাৰৰ তো

কথাই নাই। দেশদ্ৰোহীতাৰ মজা আজি বাহিৰ হব।

দাস— আজি পালে কাকো নেৰিম। দেশজুৰি মহা আন্দোলন লাগিছে। কত মানুহে দেশৰ হকে গুলি,লাঠিৰ কোব, কাৰাবৰণ কৰিব লাগিছে, ইহঁতে ইয়াত দেশদ্ৰোহীতা আচৰণ কৰি ধনৰ দোল বান্ধিব আহিছে। দেখিম আজি কোন কিমান পানীৰ মাছ।

চৌধুৰী—বৰপেটাৰ দলটো বোধকৰো মটৰেৰে আহিব। তেওঁ লোক একেবাৰে সুসজ্জিত ভাবে আহিব। যি কেইজন আহিব আটাই কেইজনে উগ্ৰ সাহসৰ।

শৰ্ম্মা—ক'ত আহি লগ লাগিব, তেওঁলোকক কৈছে নহয়নে?

চৌধুৰী—হয়, মই কৈ আহিছো।

শৰ্ম্মা—ইযাত কেইজন মান মাত্ৰ থাকক। আমি কেম্পৰ চাৰিও দিগ্ চাই আহো। তেতিয়াহলে আমাৰ কোনো অসুবিধা নহব।

দাস—তাত এতিয়াই কেনেকৈ যাব? চাকদাৰ আছে নহয়।

শৰ্ম্মা—চকিদাৰতো থাকিবই। সিহঁতৰ চকুত ধূলি মাৰি আমাৰ কাম কৰি আহিম। সিহঁতে কি বুজেহে?

পাঠক—তেনেহলে পলম নকৰাই ভাল।

শৰ্ম্মা—চৌধুৰী, আপুনি ইয়াতে থাকক। মই, দাস আৰু পাঠক তিনিওজনে ঘূৰি মেলি আহো। আপুনি মানুহ-বোৰ আহিলে ৰাখিব। আমি এঘণ্টাৰ ভিতৰতে

আহি পাম। অ' এটা কথা দেই, কোনো ৰকম হাই উৰুমি নহয় যেন।

পাঠক—বলক। চৌধুৰী ওষ্টাদ আহক।

*  *  *  *

[ '৪০ ৰ গণ আন্দোলনৰ ঢৌৱে অসমৰ প্ৰত্যেক গাঁও ভুই শিপালে। প্ৰত্যেকজন গাৱঁলীয়াই বিচাৰিছে সাম্ৰাজ্যবাদৰ দাসত্ব শিকলি চিঙি, স্বাধীনতা অৰ্জ্জন কৰি নিজৰ সুখ শান্তি। স্বাধীনতা বিচাৰি সাম্ৰাজ্যবাদৰ অত্যাচাৰ নিৰ্য্যাতন আকোৱঁালি গ্ৰহণ কৰিলে, তথাপি বিচাৰিছে স্বাধীনতা—নতুন শাসন তন্ত্ৰ। ]

[ পাট্টাছাৰকুছিৰ জন সাধাৰণে গণ আন্দোলনত যোগ দি, স্বাধীনতাৰ অৰ্থে এক বিৰাট শোভাযাত্ৰা কৰিছে। মদন ৰাউতাই জাতীয় পতকা লৈ আগত আহিছে। জনতাই জয়ধ্বনি তুলিছে—সাম্ৰাজ্যবাদ ধ্বংস হওক, স্বাধীন ভাৰত কি জয়, মহাত্মা গান্ধী কি জয়। ]

[ সাম্ৰাজ্যবাদৰ এজেণ্ট পুলিচ কৰ্ম্মচাৰী তুলাৰাম কেওঁটে সশস্ত্ৰ পুলিচ বাহিনী লৈ শোভা যাত্ৰাক বাধা দিলে। পুলিচ দলৰ আগভেটাক জনতাই অগ্ৰাহ্য কৰি জয়ধ্বনী কৰি আগবাঢ়ি গ'ল। ]

দাৰোগা—ফায়াৰ। ( তেও প্ৰথমতে আকাশৰ পিনে এবাৰ গুলি কৰি জনতাৰ বুকুত বন্দুকৰ গুলি বৰষিলে। কেইজনমান মাটিত ঢলি পৰিল। কিছুমান আহত হল। জনতাৰ মাজত হুলস্থুল লাগি উঠিল। পুলিচ বাহিনী পলাই পত্ৰং দিলে)।

( আহত হোৱা সকলক শুশ্ৰূষা কৰিবলৈ জনতাই শোভা যাত্ৰা বন্ধ কৰি দিলে। এজনে কৰ ধৰিলে)।

ৰাইজ। মদন ৰাউতাৰ মৃত্যু হ'ল। মদন ৰাউতাৰ বুকুত গুলি লাগি মৃত্যু বৰণ কৰিলে। এতিয়া আপোনালোকে আহত হোৱা কেইজনক তোৰা তোৰিকৈ কেম্পলৈ লৈ যাওক।

( আহত কেইজনক দুই তিনি জনে ধৰি নিলে। মদন ৰাউতাক সাঙি কৰি লৈ গ'ল। ধ্বনী উঠি—মদন ৰাউতা—জিন্দাবাদ)।

* * * *

[ যোৰহাট জেইল। প্ৰায় তিনি শ মান দেশকৰ্ম্মী কাৰাৰুদ্ধ। মাজনিশা কুশল কোঁৱৰক ফাঁচি দিব। কোঁৱৰৰ ফাঁচিৰ খবৰ জেইলৰ সকলোৱে পালে। একো কৰিবলৈ কাৰো একো শক্তি নাই। প্ৰত্যো কেই কাৰাৰুদ্ধ। তুথ সামৰিব নোৱাৰি চকুলো টুকি নিজৰ বিছনাত পৰি সাম্ৰাজ্যবাদৰ পাশবিক কাৰ্য্যৰ কথাকে ভাবি আছে ]।

[ এটা আবদ্ধ ঘৰ। ঘৰৰ ভিতৰত কেবাখনো বিছনা। প্ৰত্যেক খনতে 'চি' ডিভিজনৰ ৰাজনৈতিক কৰ্ম্মী শুইছে। ঘৰৰ ভিতৰ পোহৰ কৰিবলৈ এডাল কেণ্ডেল লগাই পোহৰত মুখ দেখা দেখি কৰি দুখৰ বিলাপ কৰিছে ]।

গগৈ—ভাই চা। দেশ সেৱাৰ মজা। দেশৰ কাম কৰাৰ পুৰস্কাৰ ৰূপে কুশল কোঁৱৰৰ আজি ফাঁচি।

চোতিয়া—ইহঁত কি নিৰ্দ্দয়। ইহঁতৰ দয়া মমতা একো নাই।

চলিহা—দয়া মায়া? সিহঁতে জীৱন লৈ খেলা কৰে মানুহ বধ কৰি আনন্দ পায়। দয়া মমতা থাকিলে নিৰ্দ্দোষী প্ৰাণী এজনক ফাঁচিত দিয়ে নে?

গগৈ—হামফ্ৰিক মাৰে।তো মানুহ অসমত নোলাল। সিয়েই গুৱাহাটীত ৬ ডিচেম্বৰৰ দিনা কলেজ আৰু স্কুলৰ নিৰ্দ্দোষী ছাত্ৰ ছাত্ৰী সকলক লাঠি বেয়নেটেৰে কোবায়।

চলিহা—কি কৰিব, পৰাধীন জাতি। যেতিয়ালৈ ভাৰতে স্বাধীনতা অৰ্জ্জন কৰিব নোৱাৰে তেতিয়ালৈ আমি বৃটিচৰ অত্যাচাৰ অনাচাৰ ভুগি থাকিব লাগিব। জালিয়ানাবাগৰ হত্যা কাণ্ডৰ পৰা চাওক বৃটিচে ভাৰতীয়ক বনৰীয়া জন্তুৰ দৰে বধ কৰিছে। চৌৰি চৌৰা কৰ্ম্মীসকলক এটা এটাকৈ ফাঁচী কাঠত দিলে। বৃটিছৰ বৰ্ব্বৰতা ভাৰতত চূড়ান্ত সীমা পাইছেগৈ।

হিমালয় পৰ্ব্বতৰ গহ্বৰত লুকাই থাকিও সাৰিব নোৱাৰি ।

চেতিয়া—গান্ধীজীৰ নেতৃত্বত অহিংসা বাদেৰে স্বৰাজ অনাটো টান । এই বেলিও '৪২'ৰ আন্দোলনে এনে বিৰাট আকাৰ ধৰি ইংৰাজৰ হাতত খৰ্ব্ব হৈ গ'ল । ভাৰতীয়ই স্বৰাজ পোৱাতো মই ভাবিব নোৱাৰাত পৰিছো ।

চলিহা—সুভাষ বসুৰ দ্বাৰা ভাৰতে স্বাধীনতা নেপালে আৰু নেপায় । বসুৱে ইংৰাজক ভাল শিকনি দিব ।

(ওৱাৰ্ডাৰ এজনে জোতাৰ শব্দ কৰি আহে ।
দুৱাৰত টক টক শব্দ কৰে )

ওৱাৰ্ডাৰ—বাত্তি কোন লাগায়া হ্যায় ? তোম্‌লোক্ সব দিন গণ্ডগোল কৰ্‌কে ৰাহা ।

( ভিতৰত এজনে চাকি নুমাই দিয়াত ওৱাৰ্ডাৰ গুচি যায় )

( আঁৰ কাপোৰ )

— — — —

[ শেষৰাতি। কুশল কোঁৱৰক ফাঁচিত দিবলৈ জেইল চুপাৰিণ্টেনডেণ্ট, ডেপুটি কমিচনাৰ আদি কেবা জনো কৰ্ম্মচাৰী উপস্থিত হলহি। জেইল কৰ্ম্মচাৰীয়ে কোঁৱৰক হাতত বান্ধি ক'লা কাপোৰ পিন্ধাই লৈ আহিল ]

জে° চুঃ—আপোনাৰ কবলগীয়া কি আছে কওক। ভগবান নাম যদি লয় লওক।

( কুশল কোঁৱৰ নিমাতে থাকে। কোঁৱৰক লৈ ফাঁচি মঞ্চত তুলিলে )

জে. চুঃ—ইয়েচ।

(কুশল কোঁৱৰৰ মৃত্যু হ'ল। জেইলৰ কৰ্ম্মচাৰী সক গুচি গ ল )

□ □ □ □

(নেপথ্যত) ৰক্ত পিপাসু বৃটিছ। তইঁতৰ সাৰণ নাই। ভাৰ তীয়ৰ প্ৰাণলৈ আজি তইঁতে খেলা কৰিছ? ভাৰ তীয়ৰ ধৰ্ম ৰত্ন চুচি নিলি, তথাপিও তইঁতৰ হুতা নপলাল। এতিয়া তইঁতে বিচাৰিচ ভাৰতীয়ৰ তেজ ভাৰতীয়ৰ প্ৰাণ। ইয়াৰ পৰিণাম তইঁতে ভুগিব লাগিব পিয়লি ফুকন, মণিৰাম আদিৰ প্ৰাণলৈ তইঁত ক্ষা নহলি। শেষত কুশল কোঁৱৰৰো প্ৰাণ ললি। হাজাৰ হাজাৰ ভাৰতীয়ৰ প্ৰাণ বন্দুকৰ গুলিৰে নাশিলি

আজি দেশতো দেশকৰ্ম্মী সকলক কাৰাৰুদ্ধ কৰি দেশত অৰাজকতাৰ সৃষ্টি কৰিলি। অকল সেয়েও তহঁতক শান্ত কৰিব পৰা নাই, নাৰীৰ প্ৰাণ লৈ আজি তহঁতে বৰ্ব্বৰতাত উপচিচ। কনকলতা, ভোগেশ্বৰীৰ প্ৰাণ লৈ হাঁহিছ। হাঁহ আৰু কিমান হাঁহিবি। তহঁতৰ দিন চমু চাপি আহিছে। ভাৰত ত্যাগ কৰিবই লাগিব।

[ ৪২'ৰ আন্দোলনৰ প্ৰতিক্ৰিয়া গোটেই ভাৰত জুৰি পৰিল। যুদ্ধৰ তাণ্ডৱ লীলাই মানুহৰ মন, আদৰ্শ, আশা আকাঙ্খা, নৈতিক বল, চৰিত্ৰ সকলো মষিমূৰ কৰিলে। চোৰা বেপাৰীৰ কাৰ্য্যই, সৈন্যৰ ব্যভিচাৰে মানুহৰ মনোবৃত্তি কলুষিত কৰি নিচতালৈ নিছে ]

[ ৪২'ৰ আন্দোলনত হোৱা ধ্বংস কাৰ্য্যৰ পোতক তুলিবলৈ সাম্ৰাজ্যবাদে গাঁৱলীয়া জনসাধাৰণৰ ওপৰত পাইকাৰী জৰিমনা বহুৱালে। পাইকাৰী জৰিমনা আদায় কৰাৰ চেলু লৈ সৈন্যবোৰে গাঁৱলীয়া ৰাইজৰ ওপৰত অত্যাচাৰ চলালে। হাজো মৌজাৰ ডাক বঙলা পোৰাৰ বাবদ উক্ত মৌজাৰ অন্তৰ্গত গাঁৱলীয়া জনসাধাৰণৰ পাইকাৰী জৰিমনা আদায় কৰিলে। সৈন্য সকলে গাওঁ ঘেৰি ধৰি প্ৰত্যেক ঘৰৰ পৰা জোৰ জুলুমকৈ জৰিমনা আদায় কৰিলে ]

১ম সৈন্য - হেৰা মানুহ ! ডাক বঙলা পোৱাৰ পাইক জৰিমানা নিবলৈ আহিছো। দিবা নে নিদিবা ?

গাঁৱলীয়া—ৰজা ঘৰৰ দায় কৰিছো যেতিয়া, টেক্স নহয় ত কিবা হলেও দিব লাগিব।

১ম সৈন্য—ডাক বঙলা যিদৰে পুৰিছিলা, টকাও সেই মানে জ্ঞানে উলিয়াই দিয়া।

গাঁবলীযা—দেউতাসকল। টকা ক ত পাম। এই দুৰ্দি খাবলৈ নেপাও, টকা আৰু ক ৰ পৰা জমা কৰি

১ম সৈন্য - তোমাৰ গৰু কেইটা আৰু ঘৰৰ ভিতৰত বাচন বৰ্ত্তন খিনি বাহিৰ কৰি দিয়া, পলম নকৰি ভালে ভালে যোৱা।

[ ঘৰৰ ভিতৰত গৃহস্থৰ ঘৈণীয়েকে তৰিৰৰ উ নেপাই কান্দিব ধৰে ]

১ম সৈন্য—কান্দিলে নহয়। কি কি আছে উলিয়াই বা কৰা।

[ দুজন সৈন্য ঘৰৰ ভিতৰলৈ সোমাই যায় ]

২য় সৈন্য—আমি আহিম বুলি জানি আগতে সকলো ৰাইছা, নহয় ? ভালে ভালে উলিয়াই দিয়া। নহ কথা বেয়া হব।

গাঁৱলীয়া—দেউতা ঈশ্বৰ, মোৰ সম্পত্তি বুলিবৰ একো নাই। মই বাটৰ ভিকহু। খুজি মাগি খাওঁ।

( হুক্ হুকুকৈ কান্দিব ধৰে )

সৈন্য—এতিয়া কান্দিছা। ঘৰ অলাকৰ সময়ত কেনেকৈ গৈছিলা? (বন্দুকৰ নালেৰে কোবাই) ইয়াক বাঁন্ধ। মজা বাহিৰ কৰিব লাগিব ভালকৈ কলে সুগুমে।
(দুজন সৈন্যই হাতত ৰচাৰে বান্ধি লৈ যায়)।

[নৰ্লবাৰীৰ বৰুৱাৰ ঘৰত গধূলি সময়ত মাহুহবোৰ আছি বহি দেশৰ পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিছে। কেইজন মান মাটিত ধাৰি পাৰি বহিছে, কেইজন মানে পিড়াত বহিছে আৰু দুজন ভঙা সাতামপুৰীয়া খাট-চাত বহিছে। মাজত তামোলৰ বঁটা। হোকাত ধঁপাত লগাই গুৰ্ গুৰ্ কৰি টানি মেলৰ জেউতি বঢ়াইছে]

জন—গান্ধী, জৱহৰলালে এই বিলাক আন্দোলন চান্দোলন নলগালে আমি শান্তিত থাকিব পাৰিলো হৈ। লোণ, কাপোৰ, কেৰাচিন দেশত নোপোৱা হল।
জন—হয়তো এওঁবিলাকে এই আন্দোলন বিলাক লগাই দি আমাক দুখীয়া গৰীৱক মাৰিলে। লোণৰ সেৰে আঢৈ টকাকৈ কেনেকৈ খাবা।
জন—আঢ়ৈ টকাই হওকচোন পাবলৈ থাকিলে। মোৱা তিনিদীজ লোণ নোহোৱাকৈ আধাং টিকৈ খালো। কতো লোণ বিচাৰি নেপালো। এনেহেন নলবাৰী বজাৰ, লোণ পাবৰ নোহোৱা হল। কলিৰ কাল আছিল, নহলেনো এনে দশা হয়নে?

৪র্থ জন—আন্দোলন কৰি ৰজাৰ ঘৰৰ লগত আমাকো কৰিলে। নহ'লেনো এনে দুৰ্গতি হ'ল হয় নে ?

৫ম জন—সদায় আমাৰে মৰণ। ভলণ্টিয়াৰহঁত আছিলে চ দিয়া, পইচা দিয়া, ৰজাঘৰ আছিলে জৰিমনা দি এইবোৰেই হৈছে আমাৰ কাম। ভলণ্টিয়াৰহঁতক চ পইচা দিয়াৰ মজা এয়ে হ'ল। এতিয়া দুখত দেখি কোনো ক'তো নহা হ'ল।

৬ষ্ঠজন – ভলণ্টিয়াৰ নহয় চলণ্টিয়াৰ হে। চাকৰি বা পোৱা নাই, পালে এইবোৰ কৰিব নাহেই।

৭মজন—ঠিকেই কৈছা। চাকৰি পালে সিহঁতৰ গপ চাবা, দেখিলেও নেদেখা হ'ব, চিনিলেও নিচিনা জুৰিব। জানো দিযা ইহঁতৰ কাৰবাৰ। থৰ (হোকাটো আগবঢাই দিয়ে)।

৩য়জন—মিছা হে। আন্দোলন কৰিলে কি হ'ব। সক স্বাৰ্থপৰ।

২য়জন—ইংৰাজক খেদা সহজ কথা নহয়। ইহঁতে ইংৰা লগত যুদ্ধ নকৰি আমাৰ আগত আন্দোলনৰ ব ইংৰাজ খেদা কথা কৈ চাউল কেইটা শেষ কৰি হে।

৫মজন—ভলণ্টিয়াৰে বগৰাদে বেল, সিহঁতে পুৰিলে ঘ এতিয়া দিয়া চৈত্ৰ বাপুহঁত ভয়তে পলাব দি এতিয়া লগ পালে—।

৪র্থজন—নদীৰ ঘাটত যি কেম্প আছিল, তাত সিহঁতৰ খোৱাৰ ধুম কি চাবা। পাৰ, হাঁহৰ মাংস নহলে সিহঁতৰ ভাত খোৱাই নহয়।

৫মজন—বিধৰ্ম্মীৰ দৰে সিহঁতে হাঁহৰ ডিমাবিলাক উঠাই লৈ চাহুৰ লগত খাইছিল কি চাবা সিহঁতৰ ম'জা।

১মজন—সিহঁতক নো এইবোৰ দিছিল কোনে ?

৪র্থজন—দিবনো কোনে ? তুমি মৰেই দিছিলো। সিহঁতে তো হাঁহ পাৰ বিচাৰি নাহে, সিহঁতে বিচাৰে চাউল, পইচা। তাৰেই সিহঁতে খায়।

৫মজন—নহয় হে নদীৰ ঘাটৰ। ফালুতিবোৰে যিবোৰ কুকুৰা হাঁহ পাৰ ডিমা লৈ পকটাৰীক দিব নিছিল, তাকে খেদি খেদি ধৰি আনি খাইছিল। তাৰ বাহিৰেও কেতিয়াবা কা'নি চুৰ কৰে বুলি শুনিছো।

৬ষ্ঠজন—হব পাৰে দিয়া। গাৰত শান্তি সেনা হৈ গাঁও ৰখিব গৈ গছৰ ডাব নাৰিকল এটাও এৰিলে জানো। ইহঁতে চুৰ কৰা কি টান হে ? (হোকা টানি কাছে)

২য়জন—চৰকাৰৰ ঘৰৰ পৰা যি কাগজ আহিছে, তাত লিখিছে বোলে, যে ভলন্টিয়াৰ বিলাক গুণ্ডাৰ দল। ইহঁতে বোলে চুৰো কৰে। ইহঁতক সহায় কৰিবলৈ আমাৰ গাৱঁলীয়া ৰাইজক হাক দিছে। মৌজাদাৰ আৰু গাঁওবুঢ়ালৈ সিহঁতক ধৰাই দিবলৈ হুকুম আহিছে।

৩য়জন—সঁচাই ইহঁতক ধৰাই দিয়াই হে যুগুত।

৫মজন—গাঁৱত খোলে চি-আই-ডি বহুতো ৰাখিছে। ই ভাল কাণ্ড কৰিছে দিয়া। গাঁৱৰ মানুহকে দৰমহা দি এইবিলাক কামত লগাইছে। আমি গমে পোৱা নাই। জানা নে হে?

২য়জন—আমি দেখো কবই নোবাৰো। টামথুও পুৰিল আৰু এচিলিম অনিব কওক। (চিলিমটো আগ বঢ়াই দিয়ে)।

৬ষ্ঠজন—ৰাতি হ'ল, নোযোবা নে হে? 'হ'ল বুলিনো টামথুকে আৰু কিমান টানা। উঠা যাওঁ। (নিজে উঠে)।

৩য়জন—অ' যোৱাই ভাল এন্ধাৰ ৰাতি।

(বাকী কেইজন যাবলৈ উঠি আৰু বাহিৰলৈ যায)।

৩য়জন—পিছে বকৰাথেৰ ঘৰৰ পৰ, ছুঁসাজ মানৰ লোণ দিব নোবাৰে নে? নহলে আমাৰ ভাৰস্তত বৰ্ত্তি থকাই টান হ'ল।

বকৰা—এ মোৰো নাই। চাওঁ ৰ চোন। (ভিতৰলৈ গৈ এটা টোপোলাত নিমখ আনি দিয়ে) ধৰ, আমাৰো নাইয়েই। এইখিনি নি।

৩য় জন—আজি বৰ ৰক্ষা কৰিলে। দামনো কিমান লাগিব।

বকৰা—দাম দিব নেলাগে যা। ছবেলা ধানকে কাটি দিবি।

৩য় জন—বাক ভাল আগদি নাই থৰৰটো দিলে কই আহিম। এতিয়া যাওঁ, থাকক। (লাঠিডাল হাতত লৈ যায়)।

বকৰা- অ' বাপাৰ মাক।

ঘৈণীয়েক—কি ? ( ভিতৰৰ পৰা মাত দিয়ে )।

বকৰা—ধঁপাত এচিলিম আনা। (

(ধঁপাত আনি দিয়াত বকৰাই হোকা টানিব ধৰে )।

বকৰা—আমাৰ লোণ কিমান আছে ?

ঘৈণীয়েক— তিনি বস্তাৰ ওপৰ আছে।

বকৰা—তেনেহ'লে আৰু পাঁচ বস্তামান আনিব লাগিল লোণ দি এইবাৰ হাল বোৱাব, ধান কটাব পৰা হৈছে অইন বেলিৰ দৰে এইবাৰ কাকো খাটিব কৰিব নেলাগে।

ঘৈণীয়েক—ভাত হৈছে খাটিম নে ?

বকৰা—বাঢ়াগৈ! কেইটাম। খাই পৰি থাকিব লাগিল।

——(:০:) —

# পঞ্চম অঙ্ক

## প্ৰথম দৃশ্য ।

[ '৪২ ৰ আন্দোলনৰ প্ৰতিক্ৰিয়াই সমগ্ৰ ভাৰত বাসীৰ
মাজত অবসাদ আনি দিলে। এই সময়ত অস
মত জেলৰ বাহিৰত ৰাজনৈতিক কৰ্ম্মী
নাই বুলিলেই হ'ল। মানুহৰ নৈতিক
বলো কমি গ'ল। বঙ্গদেশত
আকালে ৰুদ্ৰ মূৰ্ত্তি ধাৰণ
কৰিছে ]

[ খাবলৈ নেপাই বঙ্গৰ দুৰ্ভিক্ষ গ্ৰস্ত হিন্দু মুচলমান সোপাই
চাকৰি, ব্যৱসায় চোৰ লুচ্ছামী আদি কৰিবলৈ
অসমলৈ আহিল ]

( লালমণিহাত জংসনত মৈমনচিঙিয়া, ঢাকেয়া হিন্দু মুছলমান
সকলে অসম মেইলক বাট চাই কথা বতৰা পাতি আছে )

১ম জন — অ' মিঞাৰ, কই যাও ?

২য় জন — আমি আসামে যাইমু।

১ম জন—আসামের কোন জেলায় ?

২য়—নগাও জেলায়। সেখানে আমার লোক রয়েছে।

১ম জন—আমি যাব মু রবপেটায়।

২য় জন—আসামে না আসলে বাঙলাই না খেয়ে মরতুম।

১ম জন—হ্যা আমরা সে জন্যই আসছি। আমি আর ফিরব না।

২য় জন—আজকে দেখছি লোক অনেক বেশি। সবটা আমার দেশেরেই লোক।

১ম জন আজ নয়। অনেক দিন থেকে আসামে অনেক বাঙালীলোক এসছে।

২য় জন—তা হলে আসামেতো পতিত মাটি থাকবে না।

( দূরৈত রেলর ডকি শুনি যাত্রীবোরর দৌরা দৌরি লাগিল )

( পর্দ্দা পরে )

— — — —

[ বৰদলৈ, চৌধুৰী আৰু চাহুল্লা চাহাবৰ চুক্তিৰ পিচত চাহুল্লা
চাহাবে চুক্তি নেমানি লাইন প্ৰথা বন্দ কৰে। চাহুল্লা
চাহাবৰ চুক্তি ভঙ্গত অসমলৈ পমুৱা জাকে-
জাকে আহিব ধৰে। অসমৰ ভবিষ্যত
অন্ধকাৰ ডাবঁৰে আবৰি ধৰাত
অসমৰ গাবেঁ ভূঞেঁ
চাঞ্চল্যৰ সৃষ্টি
হয় ]

[ তেজপুৰ চহৰৰ নৈৰ দাতি। চাহুল্লা চাহাবৰ চুক্তি
ভঙ্গত অসমীয়া ৰাইজ আগন্তুক বিপদৰ সন্মুখীন
হব লগীয়া হোৱাত কেইজনমান
ভদ্ৰলোকৰ আলোচনা ]

চৌধুৰী—অসমক খালে। অসমীয়াৰ মৰণ অনিবাৰ্য্য। চাহুল্লা চাহাবে অসমক মুছলমান গৰিষ্ঠ কৰি হে এৰিব। তেওঁ যে কি কল্পনা লৈ অসমৰ সৰ্ব্বনাশ কৰিবলৈ ওলাইছে নেজানো।

বকৰা—বৰদলৈ চাহুল্লা চাহাবৰ চুক্তিমতে যিটো সিদ্ধান্ত কৰিছিল, সেইটো তো চাহুল্লাই নকৰিলেই। ১৯৩৮ চনৰ পিছত অহা পমুৱা সকলক মাটি নিদিবলৈ যি চুক্তি কৰিছিল সেইটোত পূৰ্ণ নকৰিলে। এতিয়া চাওকচোন, মৈমন চিঙীয়াৰ অসম অভিযান।

মেধি—নকব হেৰি। অসমীয়া মানুহৰ সংখ্যা নিতৌ বৃদ্ধি পাই গৈছে। জন সংখ্যা বঢ়াৰ লগে লগে আমাৰ সতি সন্ততি সকলে অসমীয়া হৈও মাটি এডোখৰ নেপাব।

চৌধুৰী—দিনে দিনে যেনেদৰে মৈমনচিঙীয়াৰ আগমন চলিছে মাটি আৰু ক'ত ৰব? অসম মুছলমান গৰিষ্ঠ হবই হৰ।

বৰুৱা—বৃহত্তৰ বঙ্গ নহব বুলি ভাবিছেনেকি?

মেধি—আমাৰ দেশ, আমাৰ জাতি, আমাৰ ভাষা, কৃষ্টি সকলো গল। যিমানেই অসম পৰাধীনতাৰ নাগপাশত বান্ধ খালে, তেতিয়াই অসমীয়াৰ অস্তিত্ব গল। পৰাধীন অসমে নিতৌ বিদেশীৰ নির্য্যাতন, উৎপীড়ন ভূগিবই লাগিছে। তথাপিতো অসমীয়া মানুহৰ নিজক ৰক্ষা কৰিবলৈ কাণসাৰ নাই।

চৌধুৰী—আজিৰ সমাজ যিমান নীচ'ল নামিছে, নিজৰ জাতিৰ উন্নতি বা মঙ্গলৰ কথা ভবা অবাস্তৱ হৈ পৰিছে। মানুহে দেশৰে নহয় নিজৰ সুখ, উন্নতিৰ কথা ভবা কল্পনাৰ বিষয় বস্তু হৈ উঠিছে।

বৰুৱা—এই সময়ত যদি কংগ্রেছে মন্ত্রীত্ব ললেহেঁতেন বোধ কৰো দেশৰ অৱস্থা এনে দুখময় নহলহেঁতেন। কংগ্রেছে নিশ্চয় দেশৰ মঙ্গলৰ হকে কাম কৰিলেহেঁতেন।

চৌধুৰী—কংগ্রেছৰ কথা কিমান কম! এনেদ্বেন মহৎ অনুষ্ঠান এখন জহান্নামে গল। গান্ধী, জৱহৰলালৰ নামত

হে কংগ্ৰেছখন আছে। গাত মোটা খদ্দৰ, মুৰত গান্ধী টুপি পিন্ধি কানি বেপাৰ কৰা কংগ্ৰেছীসকলৰ দস্তুৰ হৈ পৰিছে। এই সময়ত লাগিছিল ফুকনক। ফুকন থাকিলে অসমীয়াৰ গতি শোচনীয় নহলহেঁতেন।

মেধি—ফুকন, বৰদলৈ থাকিলে অসমক কোনে পাতা দিয়ে? বৰদলৈদেৱে যেমন সিঙৌযাক লাচিতৰ দৰে মানাহুৰ সিপাৰে খেদি থৈ আহিলহেতেন। অসমীযাৰ ভাগ্য নহল এই দুজন মহাপুৰুষক ৰাখিবলৈ—ফুকনৰ দৰে বক্তা, তেওঁৰ নিচিনা ৰাজনীতিজ্ঞ পুৰুষ কেইজন আছে হে? আজি তেওঁলোকৰ শাৰীত থিয় দিবলৈ কোন ওলাইছে?

চৌধুৰী অৱলা নাৰীৰ গৰাকী হোৱাৰ নিচিনা আজি আমাৰ নেতা হ'ল চাহুল্লা আৰু চৌধুৰী। দুয়োজনে নিজৰ ভবিষ্যত গণি পিটি চাই সৰহকাল অসমত নেতৃত্ব নাথাকিব বুলি জানি ঘৰৰ ভেটি পকা কৰিলে। কাঠৰ কাৰবাৰ দিলে বিদেশীক, কমাৰচিয়েল কেৰিং কোম্পানী দিলে বিদেশীক। অসমীয়াই পাব লাগে বুলি চিঞৰ বাখৰ কৰা এনেই গ'ল।

মেধি—বেহা বেপাৰৰ তো কথাই নাই। চাকৰিৰ অৱস্থাকে চাওকচোন। শিলঙত বিচাৰি চাওকগৈ, অসমীয়াই চাকৰি কেইটা পাইছে? ডাঙৰ চাকৰীৰ তো কথাই নাই। চাকৰিৰ ক্ষেত্ৰত ডাঙৰৰ পৰা সৰুলৈ সকলোতে

বঙালী। অসমীয়া মানুহৰ স্থান নাই। বঙালী বিলাক সকলে সিহঁতৰ দেশৰ পিনে চাব এৰি আমাৰ পিনে কিয় কি গৰজত চাব হে? বঙালী সকল অসমীয়াৰ দৰে নহয়।

চৌধুৰী—অহা নিৰ্ব্বাচনত যদি অসমৰ ভৱিষ্যত ভাগ্য বিপৰ্য্যয় ঘটে, তেনেহলে অসমীয়া জাতি খিয়ই খিয়ই মৰিব।

বৰুৱা—নিৰ্ব্বাচনত কি হব জানে? চিলটীয়া সকল, পমুৱা, বঙালী, হিন্দু আৰু মুছলমান সকল এক হব। গতিকে আমাৰ অসমীয়াৰ টানাটানি লাগিব। আমাৰ অসমীয়া যি কেইজন নিৰ্ব্বাচিত হব, তেওঁলোকৰ দ্বাৰা অসমীয়াৰ একো নহয়।

মেধি—কাউন্সিলৰ কথা কি কব। ইংৰাজৰ মন্ত্ৰনাগাৰত আমাৰ মাজৰ পৰা যোৱা সভ্যসকল মুগ্ধ হয়। কথাতে কয় লঙ্কালৈ গলে সকলোৱে ৰাক্ষস হয়। শিলঙত কাউন্সিল বহাৰ সময়ত গলে আমাৰ নেতাসকলৰ কাৰ্য্য কলাপ দেখা পাব।

চৌধুৰী—সেইটো ঠিকেই। কি কৰিব। দিন কাল বেয়া হলে এদিনৰ পৰা নহয় চাৰিও দিনৰ পৰা হয়। কাৰো ওপৰতেই ভৰসা কৰিব নোৱাৰি। জীৱনৰ বাকী দিন কেইটা কটাই যাব পাৰিলেই ৰক্ষা পাবো।

বৰুৱা—সন্ধ্যাই হল। আমাৰ পিনেই যাওঁ বলক।

চৌধুৰী—বাক বগক। (থিয হৈ লাঠিডাল হাতত লৈ যাব ধৰে।) ৰাতি হলে যুৰা চকা বন্ধই কৰিব লগা হৈছে। ৰাস্তাৰ খালত হামুকুৰি খাই কেতিযাবা পৰি ছমহীয়া হব লাগিব।

বকৰা—সেই দিন গল। ফলত পানী এটোপ পাবলৈ নোহোৱা হ'ল। খালৰ কাৰণে ৰাস্তাত ফুৰিব নোৱাৰি, দুৰ্গন্ধত ৰাস্তাৰে যাব নোৱাৰি।

মেধি—কিমাননো নিকাৰ সহিব। (আটাইয়ে বকৰাৰ ঘৰলৈ যায)।

**আঁৰ কাপোৰ।**

## তৃতীয় দৃশ্য

বৃটিছ সাম্রাজ্যবাদৰ শেষ। ১৯৪৭ খৃষ্টাব্দত ভাৰতীয় জন নেতা

সকলৰ ওপৰত শাসন ভাৰ জাপি দিলে। ইন্‌ট্রিম্‌ কেবি

নেট গঠন হল। ভাৰত বাসীক নানা কূট কৌশলৰ পাক

চক্ৰত পেলালে। ভাৰতক ক, খ গ শাখাত

বিভক্ত কৰিবলৈ যো জা কৰি প্ৰদেশ সমূহৰ

ভাষা কৃষ্টিৰ ওপৰত কুঠাৰাঘাট কৰি-

বলৈ ওলাল। কিন্তু বৃটিছৰ মেৰ

পাকত ভাৰতবাসী

নোসোমাল ]।

[ অসমক গ সমষ্টিত সুমুৱাই পাকিস্তানৰ গৰাহত পেলাবলৈ

কূট কৌশল চলোৱাত অসমৰ চাৰিওপিনে নগৰে

চহৰে, গাৱেঁ ভূঞে প্ৰতিবাদ উঠিল ]

[ গুৱাহাটীৰ পানবজাৰৰ এখন দোকান। দোকানৰ ভিত-

ত বাহিৰা ভদ্ৰলোক কেইজন মানৰ সমাগম। কেইজন

মান চকীত, কেইজন মান গাদিত আৰু কেইজন মান বেঞ্চত বহি

থাকত হোকা লৈ দেশৰ পৰিস্থিতিৰ বিষয় আলোচনা কৰিছে ]।

বৰ্ম্মন—আজি মিটিঙত বেচ গৰম বক্তৃতা হৈছিল। মেখিয়ে কোৱা কথা ঠিকেই। ভোট বিচৰাৰ সময়ত কংগ্রেছে আমাক ওপৰলৈ তুলি দি ভোট সংগ্রহ কৰে, ভোট লোৱা শেষ হলেই তেওঁলোকৰ কথা, গপালাপ সকলো যাত্রা পাটিৰ ভাওনাৰ দৰে শেষ হয়।

তালুকদাৰ—আমাৰ অসমৰ নেতাসকল অসমতহে বৰ নেতা। বিদেশত গলে তেওঁলোকৰ স্থান নাই। অসমক যদি গ্রুপিঙত সোমায, তেনেহলে নেতাসকলৰ মাত মাতি বৰ মুখে মৰিল। দেশখন যে কি হল?

লহকৰ—অসম বৃটিছৰ অধীনলৈ যোবাৰ লগে লগে সদায় ভাৰতৰ তল হৈয়ে থাকিব লগা হল। সদায় ভাৰতৰ পিনে চাওঁতে চাওঁতে আমাৰ অসমৰ অস্তিত্ব লোপ পাব যেন লাগে। এনেদৰে সৰ্ব্বতি কাল লোকৰ মুখলৈ চালে আমাৰ কি হব হে?

বৰ্ম্মন—নিখিল ভাৰত কংগ্রেছৰ এনেকুৱা মতি-গতি হোবাতো অপ্রীতিকৰ হৈছে। অসমৰ জাতীয় স্বাৰ্থৰ পিনেও চাব লাগিছিল।

তালুকদাৰ—অসমৰ পিনে চাবতো লাগিছিলেই। পিচে আমাৰ নো কোন জন নেতাই কংগ্রেছৰ সভাত গ্রুপিঙৰ বিৰুদ্ধে কলেহে? আমাৰ অসমৰ পৰা যি দুজন প্রতিনিধি গৈছিল, তাৰে এজনে অন্তৰ্জাতীয়তাবাদী বুলিয়েই নে ভুলতেই নে কথাটো নুবুজিয়েই অসমৰ বিৰুদ্ধে গৈ

গ্ৰুপিঙত ভোট-দিলে। আৰু জনে জুৰি মুখিৰ দৰে জপত বহিল।। ভোটৰ দিনে পাছৰি মাজতে থাকিল তেনেস্থলত ভাৰত কংগ্ৰেছে, কি কৰিব?

ৰাইকীয়া—মহাত্মা গান্ধীয়ে হলে অসমক গ্ৰুপিঙত নিদিবলৈ খুব চেষ্টা কৰিছে। গান্ধীয়ে গ্ৰুপিং কথাটো ভাল পোৱা নাই।

শৰ্মন—গান্ধীয়েতো যি কৰে ভালকে কৰে। পিছে তেওঁবো কথা বহুতে মুশুনে নহয়।

তালুকদাৰ—এনেদৰে মিটিং, প্ৰচেচন আদি হৈ থাকিলে অসমক পাকিস্থানৰ গৰাহত পেলাবলৈ কংগ্ৰেছে মুখুজিব।

ৰাইকীয়া—মিটিং, প্ৰচেচন কৰিলে কি হব? কোনে অসমৰ খবৰ পাব? তাতে আকৌ ৰৰঘৰীয়াই পা পাতি লগা নাই, সৰু ঘৰীয়াই হে আন্দোলন' কৰিছে। কৰ নোৱাৰি সৰু ঘৰীয়াৰ জয় হয় নে নহয়?

[ বাকী কেইজনে শৰ্মকীয়াৰ কথাত হাঁহে ]

তালুকদাৰ—কংগ্ৰেছৰ বাহিৰেও বিভিন্ন দল সংঘে অসমৰ স্বত্ব ৰক্ষাৰ্থে লগাত বৰ ভাল হৈছে

চৌধুৰী—মই হলে ভাবিবই পৰা নাই আমাৰ স্বৰাজ কেনে হব।

দাস স্বৰাজ তৰাজ একো নহয় হে। এইবিলাক বৃটিছৰ ভুৱা মাথো। মহাসমৰৰ পৰা উঠি থিয়দি লবলৈ ভাৰতীয়ৰ হাতত শাসন ভাৰ গতাই দি বাইজক

আনন্দত মত্ত হৈ থাকিবলৈ দিছে। আকৌ কেই দিনমান পাচত বৃত্তিহ আছি ওলাব।

তালুকদাৰ—আপুনি অস্থিৰ হৈছে কিয় ? আমাৰ এইয় স্বাধীনতাৰ প্ৰথম খোজ হে।

দাস—আপোনালোকৰ মুখত সদায় এখোজ দুখোজৰ কথাহে শুনো, তিনি খোজৰ কথা শুনা হলে কৰ নোৱাৰো যোৱা '২১ খৃষ্টাব্দৰ কাপোৰ পোৰাতো এখোজ '৪২ খৃষ্টাব্দৰ বেল বগৰোৱাতো ঘৰত জুই দিয়াতে এখোজ। দুখোজ বা কেতিয়া দিব ?

( বাকী কেইজনে হাঁহে )।

তালুকদাৰ এটোপা এটোপাকৈ সাগৰ হয়। বা ৰোম ওৱাজ নট্ বিল্ট্ ইন্ এ দে। একেদিনে বিচাৰিলে কত পাব ?

দাস—এহ থৈ দিয়ক। দুকুৰি বচৰতো দুখোজ লৈ নাছিল নে ? কিয় কৈছিল তেনেহলে আগতে এখোজ পোৱা বুলি। আপোনালোকৰ স্বৰাজৰ খোজ কেনে আমি নাজানো দিয়ক।

( বাকী কেইজনে হাঁহে, তালুকদাৰ বঙা পৰিল )

বৰ্দ্ধন—এৰক। এৰক। সেইবোৰ কথা। সেইবোৰৰ পৰা আমাৰ একো লাভ নহয়।

দাস—নহয় বৰ। দিনৰ দিন কাম কৰি সদ্দিয়া পৰত ওলাই আহিছোঁ। এই সময় খিনিতো যদি দেশৰ কথা

আলোচনা নকৰো, তেনেহলে খবৰ দিয়াতো আৰু কিমান কৰিব ?

ধুবী—মই হলে লৰা ছোৱালীৰ হাহাকাৰত দেশৰ হাল কোন দিনে গৈছে নেজানোৱেই। অফিচত থকা সময় খিনিতো সময়ে নাপাওঁ, ঘৰত বিকল জিবলি পাওঁ তাকো লৰা ছোৱালীৰ কাজিয়া তাঙোতে যায়। খবৰ কাগজ পধুলি বাহিৰত নপাচিলে খা—খবৰৰ পৰা দূৰৈত থাকিব লগাত পৰো।

দ—দেশৰ কামত নেলাগিলো বুলি আলোচনাতো ভাগ লব নোৱাৰো নে ?

ান—ভাগ লবলৈ হাক দিলে কোনে ?

ঁকীয়া—দাসে কোৱা কথাটো মোৰো মনত লাগিছে। চাওকচোন '৪২ ৰ আন্দোলনৰ বৰ বৰ ভলন্টিয়াৰ হৈ বাইজৰ পৰা পাৰে মানে টকা তুলিছে। সেইবোৰ টকা কোনে হজম কৰিলে ? আৰু চাওকচোন দেশৰ কথা স্বাধীনতাৰ কথা, বৃটিছক খেদাৰ কথাকৈ নেতাসকলেই কৰে কানি, মদ, ভাঙৰ বেপাৰ। এইবোৰ কথাত কাৰনো গা জ্বলি নুঠে হে ? তেওঁ লোকেই কয় কানি খোৱা বেয়া ; তাক খাব নেলাগে সেই বিষয়ে গল ফালি বক্তৃতাও দিয়ে। পিছে দেখো তেওঁলোকেই মদৰ বেপাৰী। সেইবোৰ কাদিল কৰিলে পায় বেয়া।

বৰ্ম্মন—সেইবিলাক* কথা এৰক। মদ—কানি কোনে খা( কোনে বেপাৰ কৰিলে আমাক কিয় লাগে ?

চৌধুৰী—দেশৰ কাম কৰি থাবতো লাগিল ? আপুনি দি জানো ?

তালুকদাৰ—উঠক ৰেডিও' শুনিব যাওঁ।

বৰ্ম্মন—(ঘড়ীৰ পিনে চাই) বহু সময় বাকী। এতিয়াও আধাঘণ্টা

চৌধুৰী—আজি বা দিল্লীৰ আলোচনা কি হল ? অসম বিধবা হল নে সধবাই হল ?

বৰ্ম্মন—অ মহেন্দ্ৰ। (মহেন্দ্ৰ সোমাই আহে) যা তামোলৰে কেইখন মান লৈ আহ।

দাস—এইবেলি অসমীয়াৰ নিস্তাৰ নাই।

চৌধুৰী—আমাৰ মানুহ গৈ দেশোদ্ধাৰ কৰিব থৈ দিয়ক

তালুকদাৰ—দেশোদ্ধাৰ কৰাৰ কথা থৈ দিয়ক। দেশ মাতৃ আৰাধনা কৰি বিদেশী বঙালক টকা লৈ মাটি দিয়া বিদেশীক টকা লৈ বেপাৰৰ সুবিধা কৰি দিয়া, আমাৰ দেশ নেতা সকলে শিকিলে। উকীল কে জনমান যে হৈছে মৈমনচিঙীয়াৰ মোকৰ্দ্দমাৰ ক শুনিলে নৰয়ে, আগেয়ে দৌৰ দিয়ে। অন্যায় অধ কৈ মৈমনচিঙীয়াইঁতে আমাৰ মানুহ মাৰি খুন্দি পেলালে আমাৰ উকীল কেইজন মানে আকৌ সিহঁতক বচাব যায়। মৈমনচিঙীয়াৰ দুৰৱস্থা হলে আমাৰ উকী সকলৰ প্ৰাণ কান্দি উঠে।

চৌধুৰী—আমাৰ দেশৰ উকীল কেইজনেই দেশ নেতা নহয় নে ?

দাস—দেশ নেতা সকলৰ কাৰ্য্য এয়ে। আজিৰ দিনত কাকনো বিশ্বাস কৰিব ?

( এজন লৰাই এখন বটাত তামোল দি যায়। বৰ্ম্মনে প্ৰত্যেককে তামোল দিয়ে )।

বৰ্ম্মন—চেনী ময়দাৰ দৰে তামোল খাবও এৰিব লগা হল। তামোলৰ টেক্স লগোৱাৰ পৰা তামোলৰ দাম উৰ্দ্ধতম্ সীমা পাইছে গৈ। পইচাত এটা তামোল কি দৰে খাব ?

চৌধুৰী—তামোলৰ ওপৰত টেক্স লগাই আমাৰ খাইকক বধিলে।

দাস—বস্তুৰ দৰত আমাৰ দৰে মানুহ বাচি থকাই টান হৈছে। মাছৰ দৰত নিৰামিষ পালন কৰিব লগা হৈছে। দৰমহাৰ টকাৰে খাবলৈ নাটে।

চৌধুৰী - জীৱন কটোৱা নহয় নিকাৰ ভুঞ্জা হে হৈছে।

বৰ্ম্মন—উঠক। ৰেডিঅ'ৰ সময় হৈছে।

তালুকদাৰ—ৰেডিঅ'ৰ বাতৰি লৈ সান্ত্বনা লওঁগৈ বলক।

[ আঁৰ কাপোৰ ]

## ৪র্থ দৃশ্য

[ ১৯৪৬ চনৰ ১৬ আগষ্ট তাৰিখে কলিকতাত সাম্প্ৰদায়িক সংঘৰ্ষ আৰম্ভ হয়। সাম্প্ৰদায়িকতাৰ বীজাণুৱে সমগ্ৰ ভাৰতকে সংক্ৰামিত কৰিলে। সাম্প্ৰদায়িক বিদ্বেষৰ ভাবে ভাৰতৰ বিশেষ এক শ্ৰেণীক মতলীয়া কৰি তুলিলে। আৰু ক্ৰমে ই জঘন্যতৰ হত্যা কাণ্ডৰ ৰূপত পৰিণত হল। কলিকতাৰ সাম্প্ৰদায়িকতাই গোটেই ভাৰতক এক অবাঞ্ছিত হত্যাকাণ্ডলৈ আহ্বান কৰিলে ]।

[ হিন্দু মুছলমানৰ মাজত অসমৰ বাহিৰে ভাৰতৰ প্ৰায় ঠাইতে হত্যাকাণ্ড চলিল। হাজাৰ হাজাৰ নৰ-নাৰী প্ৰাণৰ আত্ৰানিত আশ্ৰয় বিচাৰি নিজৰ ঘৰ, নিজৰ গাওঁ, নিজৰ দেশ এৰি পলাল। নোৱাখালীৰ হত্যাকাণ্ডৰ পৰা ৰক্ষা পৰিবলৈ নোৱাখালী মানুহে অসমৰ কেইবা ঠাইতো আশ্ৰয় ললেহি ]।

[ গুৱাহাটীৰ নোৱাখালী ভগনীয়াৰ কেম্প দৰ্শন কৰিবলৈ
নগৰৰ কেইজনমান ভদ্ৰলোক যায়। কেম্পত
ভগনীয়া সকলৰ লৰা ছোৱালী, তিৰোতা আৰু
সা সম্পত্তি তাৰ বাহিৰে বাহিৰে
ভদ্ৰলোক বহুতৰ সমাৱেশ ]।

বকৰা—তোম্‌ৰা কি হাঙ্গামাই ছিলা ?

১ম ভগনীয়া—না আমৰা দূৰে ৰয়েছিলাম্‌।

বকৰা—তা হলে তোম্‌ৰা কেন্‌ আচ্‌লা ?

ভগনীয়া হাঙ্গামাৰ ভয় পেয়ে আছলুম।

বকৰা—চাওক হে চৌধুৰী, ইহঁতৰ কাণ্ড কাৰখানা। দহ
মাইল নিলগৰ পৰা খবৰ শুনি পলাব লাগে নে ?

চৌধুৰী—মিছা হে। ইহঁত খাব নেপাই তিলকে তাল কৰি
অসমলৈ পলাই আহিছে লুটিবলৈ।

বকৰা—ইহঁতৰ অৱস্থা দেখি দুখ লাগে। পিছে ইহঁতৰ কাৰ্য্য
কলাপ দেখিলে খঙে মূৰৰ চুলি পায়গৈ।

মেধি—বেচ্‌ বুজিছে বকৰা। মই ইহঁতক দেখিবই নোৱাৰো।
ইহঁতৰ মুখখন যদি নাথাকিলহেঁতেন তেনেহলে জীয়াই
জীয়াই কাউৰ শগুণে খালেহেঁতেন।

বকৰা—ইহঁতক কোনে দেখিব পাৰে। খবৰৰ কাগজৰ গুণ
বত এই জাতিটো বাচি আছে।

মেধি—সেইটোবেতো। ইহঁত নিৰ্ব্বলীৰ ওপৰত বীৰ। যদি নিৰ্ব্বলীও চমক দি উঠে তেনেহলে শিয়ালৰ দৰে পলায়।

কলিতা—কংগ্রেছে ইহঁতক আশ্রয় দি অসমৰ ভবিষ্যত এন্ধাৰ কৰিবহে খুজিছে।

মেধি—কংগ্রেছক নো কিহে ধৰিছে কবই নোৱাৰো। বঙালীযে কগ্রেছক ঢোকে ঢোকে পানী খুৱাই তথাপি কংগ্রেছৰ লাজ নাই। ইহঁতক আশ্রয় দিবলৈ আমাৰ কিহৰ দৰকাৰ। যদি ইহঁত জখমী হ'লহেঁতেন তথাপিতো আশ্রয় দিব পাৰি। এইবোৰতো দহ—বাৰ মাইল দুৰৈৰ পৰা পলাইছে। ইহঁত যে কি মতলবত আহিছে কব নোবাৰি।

ভুঞা—ইহঁত থাবলৈ অহা নাই। গোজেই গজালি হৈ বহিব নহয়? এতিয়াই নেদেখিছে নে? কমলাৰ বেপাৰ, তামোল পাণ, বিড়ি, চিগাৰেটৰ বেপাৰ।

ফুকন—চাকৰি বিচাৰি পিয়াপি দ ঘুৰিছে, দুদিন পিচতেই চাকৰি জোটাই লৈ একোজন অসমবাসী হৈ পৰিব।

মেধি—কংগ্রেছৰ দেশ প্রেম কি আমি হলে ততকে ধৰিব নোৱাৰো। চৰকাৰে এইবোৰ টকা ইয়াত গাখীৰ খুৱাই সাপ পুহি অপব্যয় খৰচ নকৰি যদি নগাওঁৰ বানপানীত ক্ষতিগ্রস্ত লোক সকলক দিলেহেঁতেন তথাপিতো কামত আহিলহেঁতেন।

ফুকন- কেনেকৈ দিব ? বঙ্গদেশক সহায় কৰিলে যে নেতা সকলৰ মান যশস্যা বাঢ়িব ।

মেধি—যি ডাঙৰ যশস্যা পাব জনা গৈছে । মান, যশ পাবৰ উপযুক্ত হলেও অসমীয়া মানুহ হিচাবেই নেপায় । বিহাৰ পঞ্জাব আদি হলেও কথা নাছিল । সেইখন বঙ্গদেশ । সিহঁতৰ দেশৰ মানুহৰ বাহিৰে, বাকীবো প্ৰদেশৰ মানুহক মান কৰা বঙালীৰ ধৰ্ম্ম নহয় । যদি দৰকাৰ হয় ঘটিৰাম বাটিৰামকো ডাঙৰ কৰি তুলি দি মান কৰিব, যশ পাব । দেখা নাইনেহে কেনেকৈ বঙালীয়ে ঢোটোকে বৌটো কৰি দি সামান্য বুদ্ধি বৃত্তিৰ মানুহকো ডাঙৰ বুলি প্ৰচাৰ কৰে ।

ভূঞা—বঙালীয়ে মাকৰ পেটতে শিকি আহে কেইটামান নীতি শ্লোক , বঙালীৰ দৰে ডাঙৰ জাতি নাই, বঙালী ভাষাৰ দৰে চহকী ভাষা কতো নাই , বঙালীৰ নিচিনা কৃষ্টি সভ্যতা আন কোনো দেশৰ নাই । বঙালী নিজক নিজে গৌৰৱ কৰি বঙ্গদেশ ধ্বংস কৰিলে ।

মেধি—বঙ্গদেশৰ পৰা পেটৰ ভাত বিচাৰি ইহঁতে ভাৰতৰ প্ৰায় ঠাইতে বিয়পি পৰিছে । কৰবাত যদি বঙালী ভুকন লগ লাগিল, তেতিয়া সিহঁতৰ খলকনিত কোনেও ৰব নোৱাৰে । যতে যায় ততেই সিহঁতে বঙালী জাতি কৃষ্টিৰ সৃষ্টিৰ পাতনি মেলে ।

[ তগদীয়াৰ কেম্প দর্শন কৰিবলৈ আৰু তিনিজন
ভদ্ৰলোক হাতত লাঠি আৰু কান্ধত চাদৰ
লৈ সোমাই আহে। কেম্পলৈ
আহোঁতে চাৰিও পিনে
চকু ফুৰায়। ]

মেখি - অ' বড়া দেখোন। আপোনালোকো এই তুৰ্ডগীয়া বোৰক চাব আহিল নেকি ?

বড়া — ফুৰিবলৈ আহোঁতে এখেত সকলক লগ পালো। এখেত সকলক লগ পাই এই পিনে আহিলোঁ। আপোনালোক যায়ে নেকি ?

মেখি — নেযায়নো কি চাব ? ইমান সময় বঙালীৰে গুণ কীৰ্ত্তন কৰি আছো।

বড়া — কৰই নোবাবোহে, ইহঁতক আমি কিয় সহায় কৰিব লাগে। সৌ নগাওঁ, শিৱসাগৰৰ বানপানীত ইহঁতে জানো সহায় কৰিছিল ? বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ কাৰণে কি মাৰোৱাৰী, কি হিন্দুস্থানী, কি নেপালী, কি পঞ্জাৱী সকলোৱে সহায়ভূতি দেখুৱাই টকা পইচা দিলে, কিন্তু বঙালীসকলেতো সহায়ভূতি নেদেখুৱালেই আনকি বিশ্ব বিদ্যালয় কিয় লাগে, কলিকতাত দেখো আছেই, এই বুলিহে প্ৰচাৰ কৰে। চাওঁকচোন বঙালীসকলে আমাৰে খাইছে আকো আমাকে

তৃঞা—আমিও ইমান পকে এই বিলাককে আলোচনা কৰিলো। ইহঁতক সহামুভূতি দেখুওৱা মানে অসমীয়াৰ মৰণ।

বক্তা—কথাটো সেইটোৱে হব।

মেধি—কংগ্রেচখনো যে হৈছে শত্রু নে মিত্র একো ভাবিয়েই নেপাই।

তৃঞা—বঙালীয়ে আমাক চোকে চোকে পানী খুৱালে, তথাপি বঙালীৰ লগত আমি মিতিআলি কৰাতে আছোনে?

বক্তা—বঙালীসকলে অসমীয়া ভাষা লুটি মৰীয়ুখ কৰিব খুজিছিল। ভাগ্য ভাল হেমবৰুৱা ঢেকিয়াল ফুকন, গাঁচৰী চাহাব সকলৰ যত্নত অসমীয়া ভাষা ৰক্ষা পৰিল। নহলে আজি আক অসমীয়া ভাষা কত থাকে?

মেধি—এতিয়াও নেচায় কিয়? অসমৰ বুকুৰ ওপৰত স্থাপন কৰিলে বঙালী হাইস্কুল, বঙালী ক্লাব ঘৰ। এতিয়াও বঙালীয়ে অসমীয়া ভাষাক অস্বীকাৰ কৰে অসমত বঙালী ভাষা প্রচলন কৰাৰ চেষ্টাত?

বৰুৱা—বঙালীয়ে অসমীয়াক ইমানে ঘিণ কৰে যে, অসমীয়া জানিলেও নকয়, আমাৰ কিছুমান থেকাৰ খোৱা আছে নহয়, উপযাচি হলেও বঙালীহে কব যায়। নিজৰ মাতৃ ভাষা অসমীয়াক হলে ফিৰিয়ে নেচায়। আমাৰ অসমীয়া ভদ্রলোক সকলে বঙালী কয়, যেন ভেওঁলোকে অসমীয়া ভাষা পাহৰিছে গৈছে।

বড়া—নকৰ হেৰি। আমাৰ মানুহ, আমাৰ জাতি ভাল হলেনো এনেকুৱা হয় নে? আমিয়েই বঙালীক প্ৰশ্ৰয় দিছো। নহলেনো বঙালীয়ে আমাৰেই খাই আমাৰে লৈ আমাৰ ওপৰত দপ্‌দপনি দিব পাৰেনে?

ফুকন—আজি কালি আমাৰ অসমীয়া মানুহে নিজৰ যে কিবা ভাষা কৃষ্টি আছে, সকলো পাহৰি গল। প্ৰায়বোৰ শিক্ষিতলোকে, ডেকাসকলৰতো কথাই নাই, বঙালা আৰু ইংৰাজী ভাষা কৃষ্টি গ্ৰহন কৰিছে। আমাৰ মানুহৰ ঘৰে ঘৰে দেখিব বঙালী গান, বঙালী সাজ পাৰ, বঙালী ভাষা।

বড়া—মোৰমতে বঙালী সকলতকৈ অসমীয়া সকলহে বেছি দাযী। আমাৰ শিক্ষিত সম্প্ৰদাযৰতো বহুতেই

বৰুৱা—লাহে লাহে গৈ থাকো বলক।

বড়া—বলক ইয়াত আৰু কিমান সময় থাকিব।

ফুকন—দীঘলী পুখুৰীৰ পিনে যাওঁ বলক।

বড়া-কিয় দুৰ্গন্ধ লবলৈ নেকি? কেনে পুখুৰী আছিল, আজি কেনে হল। মেটেকাই একেবাৰে ঢাকি থৈছে।

(আঁৰ কাপোৰ)

— —

[ নোবাখালী ভগণীয়াৰ কৈম্পত কেগৰাকী মান ভদ্ৰ মহিলা ]

শাছয়েক — আই ঐ দেহি। সিহঁতেনো মানুহক এনেকৈ মাৰেনে? সিহঁতৰ দয়া মৰম নাইনে?

বোৱাৰীয়েক — মুছলমান গুণ্ডাহঁতে বোলে তিৰোতাৰ ওপৰতো অত্যাচাৰ কৰিছে। মোৰ শুনিলেই গা শিকাৰ খাই উঠে।

শাছয়েক — পাষণ্ডহঁতে তিৰোতাৰ ওপৰত যে অত্যাচাৰ কৰে, সিহঁতক কি কৰিব গৈছিল।

জীয়েক — আজি বাতৰি কাকতত দিছে বোলে এশ হিন্দু তিৰোতাক মুছলমান গুণ্ডাই পলুৱাই নিছে।

বোৱাৰীয়েক — আই ঐ। সিহঁতৰ বা কি অৱস্থা হৈছে।

জীয়েক — কলিকতাতকৈয়ো নোৱাখালীত বেছি দৰে আক্ৰমণ হৈছে। নোৱাখালীত বেছিকৈ তিৰোতাৰ ওপৰত অত্যাচাৰ কৰিছে।

শাছয়েক — চোৱাচোন এই গাভৰু কেইজনীৰ অৱস্থা। জীউৰ আত্ৰানিত ভাত-পানীৰ আশা এৰি পলাইছে।

জীয়েক — এওঁলোক ইমান দিন তাতে থাকিলে মৰিল হেঁতেন।

শাহয়েক—মানব দিনতো বোলে এনে আক্রমণ হৈছিল।
তিবোতাবোবক ঘবৰ ভিতবত বান্ধি ঘৰত জুই দিছিল।

জীয়েক—মুছলীম্ লীগে অসমতো গণ্ডগোল লগাবলৈ চেষ্টা কৰিছে।

বোৱাৰীয়েক—আমাৰ ইয়াত লাগিলে আমাৰ বা দশা কি হয়!

শাহুয়েক—এনে নহবলৈ ঈশ্বৰক খাটা মোৰ আই।

জীয়েক—আই যাওঁ বলক।

আঁৰ কাপোৰ।

---

[ নোৱাখালী ভগনীয়াৰ কেম্পৰ পৰা ওলাই আহি কেইজন মান ডেকাই কথা বতৰা পাতিছে ]।

নাৰায়ণ—বেঙ্গল খনেই হৈছে ভাৰতৰ ভিতৰত কেলেঙ্কৰীয়া প্ৰদেশ। বেঙ্গলৰ কাৰণে কোনো প্ৰদেশে একো কৰিব নোৱাৰে। বঙালী জাতি হল ইংৰাজৰ কৃষ্টি সভ্যতাত গঢ়ি উঠা জাতি। নিজৰ বুলিবৰ একো নাই। ইংৰাজক অনুকৰণ কৰি বঙালীসকল কল্পনা বিলাসী হৈ ভাৰতবৰ্ষ খনক মহা সমস্যাত পেলাইছে।

হৰেণ— সেইটোতো জানা কথ । বঙালী সকল মানুহক ভাণ্ডৰ কৰাতো পাৰ্গত, সক কৰাতো পাৰ্গত । বাতৰি কেই খনে যদি ডাঙৰ ডাঙৰ আখৰেৰে ফটোৰে সৈতে কাৰোবাৰ নাম প্ৰচাৰ কৰে , তেতিয়াৰ পৰা হল এজন মহাপুৰুষ ।

জীবন—বঙালী জাতি যিমান সোনকালে উধাইছে ; সিমান সোনকালে পতনো হব । যিমানেই বৃহত্তৰ বঙ্গৰ পৰিকল্পনা নকৰক, জাৰ্ম্মাণ জাতিৰ দৰে পতন অনিবাৰ্য্য ।

নাৰায়ণ—ঠিক তেনেই । প্ৰত্যেক কাৰ্য্যতে তেওঁলোকৰ এনে কথা । ভাৰতবৰ্ষ খণ্ড বঙালীক কোনেও দেখিব নোবাৰে । বঙালী সকলৰো কল্পনা হৈছে বৃটিচ সাম্ৰাজ্য-বাদৰ দৰে বৃহত্তৰ বঙ্গ স্থাপন কৰা । ইয়াৰ ফলতে সকলো বঙালী বিদ্বেষী হৈ উঠিছে । বঙ্গদেশ প্ৰথমতে বৃটিছৰ তলতীয়া হৈ, বৃটিছৰ আলপৈচান ধৰি, বৃটিছৰ নিচিনা কূটনীতিজ্ঞ হৈ পৰিল , চোৱাচোন বঙালীৰ মাজত ৰাজনৈতিক দল কিমান ?

হৰেন — সেইটো কিনো কব লাগে আক ? দুজন মানুহ হলেই এটা নিখিল ভাৰত দল গঠন হয় । দুজন যে লাগে, সভাপতি আৰু এজন সম্পাদকৰ কাৰণে । দল স্থাপন হোৱাৰ লগে লগে বাতৰি কাকতত বিবৃতি দিব ধৰিলে হলেই এটা শক্তিশালী দল ।

নাৰায়ণ — দল বিলাকৰ যে কত ইজিম্, কত বাদ !

জীৱন—সিহঁতৰ ইজিমবোৰৰ নাম মনত নাথাকে দিয়া। ফেচিজিম্, নাজিজিম্, কমিউনিজিম্, চোচিয়েলিজিম্, ষ্টেলিনিজিম্, গান্ধীজিম্ ৰায়ীজিম্ ইত্যাদি কিমাননো মনত ৰাখিবা ?

নাৰায়ণ—দলবোৰে নিজৰ নিজৰ মত বা ইজিম্ চাহ দোকান বা ৰেষ্টুৰেণ্টত আড্ডা মাৰি বা তর্ক কৰিয়েই খটায়। দলৰ নেতা সকলে সুৰলা ভাষাৰে, অর্থনৈতিক কথাৰে বিপ্লবৰ ধ্বনী তুলি দুই এটা বিবৃতি নাইবা বক্তৃতা দি নেতা নাম জাহিৰ কৰে।

জীবন—এনে কৰোতেতো বঙালী সকল মৰিল। '৪৩ চনত খাব নেপাই কত লখা মানুহ মৰিল কাপোৰৰ অভা঱ত পৰি বা কতই আত্মহত্যা কৰিলে তাৰ তো ইয়ত্তাই নাই। বেমাৰ আজাৰৰতো কথাই নাই। এই বেলিতো হাঙ্গামাতে হাজাৰ হাজাৰ মৰিল। পিচে দলবোৰে কি কৰিলে ?

নাৰায়ণ—তাতেই বুজিবা যেতিয়া দলবোৰ একোটা গুৰুতৰ সমস্যাৰ সম্মুখীন হল, তেতিয়া কাৰো কতো খবৰ নোহোৱা হল।

হৰেন—বঙালী দলবোৰৰ প্ৰৰোচনাত পৰি অসমীয়া ডেকা কিছুমানো নষ্ট হল।

নাৰায়ণ—ডেকাবোৰৰতো ব্যক্তিগত জীৱনত অনিষ্ট হলেই, লগে লগে অসমীয়া জাতিটোৰো অনিষ্ট হল। অসমীয়া

কেইজনক শিকাইছে বিশ্ব ভ্ৰাতৃত্ব, মানৱ প্ৰেম।
আমাৰো ডেকা সকলে বিশ্ব ভ্ৰাতৃত্ব, মানৱ প্ৰেমৰ
মহান আদৰ্শত ভোল গৈ তাকে সাৰথি লৈছে।

জীৱন—এওঁলোকৰনো কাণ্ড-জ্ঞান অলপো নহল নে?

হৰেন—(ঘড়ীলৈ চাই) নাৰায়ণ! চিনেমা চাব যাবা নেকি?
যোৱা যদি যাওঁ বলা।

নাৰায়ন—যাব পাৰো, পইচা নহব।

(ওঁৰ কাপোৰ)

---

## পঞ্চম দৃশ্য

[১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতবাসীয়ে আংশিক
ৰূপে ঔপনিবেশিক স্বায়ত্ব শাসনৰ ভাৰ পালে। স্বৰাজ
পোৱাৰ আনন্দতে ভাৰতবাসীৰ উলহ মালহ
লাগিল। স্বাধীনতা পোৱাৰ উৎসব তিনিদিন
পালন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে
নিৰ্দ্দেশ দিলে। নগৰে চহৰে,
গাৱেঁ ভুঞে তিনিদিন
ধৰি বিৰাট ভাৱে
উৎসব পালন
হল]।

[ ত্ৰিবৰ্ণ পতাকা উৰি আছে , সমবেত জনতাৰ আগত
ক'ংগ্ৰেছ সভাপতিয়ে বক্তৃতা দিয়ে ]

ৰাইজসকল ! আজি ১৫ আগষ্টৰ পৰা আমি স্বাধীন হলো । বৃটিছ শাসন ভাৰতত আজিৰ পৰা উঠিল । এতিয়া জন সাধাৰণৰ ভোটৰ দ্বাৰা নিৰ্ব্বাচিত হোবা প্ৰতিনিধিৰ দ্বাৰা আমাৰ শাসন চলিব । ক'ংগ্ৰেছ মহাসভাৰ যোগেদি একেৰাহে ষাঠি বছৰ অহিংস নীতিৰে আন্দোলন চলাই আজি আমি স্বাধীনতাৰ দুৱাৰ দলিত উপস্থিত হৈছো । বৃটিচৰ বান্ধোন চিঙিবলৈ লক্ষ লক্ষ নৰনাৰী ত্ৰিবৰ্ণ পতাকাৰ তলত সমবেত হৈ এক গতিত অবিৰাম ভাৱে অহিংসাৰ মাজেৰে আন্দোলন চলাই আহিছে । যি সকল দেশ সেবকে দেশৰ হকে প্ৰাণ বিসৰ্জ্জন দিলে তেওঁলোকক মই সকলোৰে হৈ স্বাধীন ভাৰতৰ পৰা নমস্কাৰ জ্ঞাপন কৰিলো । আহক সকলোৱে নতুন উৎসাহ, উদ্দীপনা লৈ স্বাধীন ভাৰতৰ ভেটি স্থাপন কৰো । যিজন মহা মানৱে তেওঁৰ জীৱন দেশৰ হকে অৰ্পণ কৰি আমাৰ গুৰি ধৰি স্বাধীনতা আনিলে সেইজন মহামানৱ মহাত্মা গান্ধীৰ প্ৰতি আমাৰ সকলোৰে শ্ৰদ্ধা জ্ঞাপন কৰোঁহক ।

[ তুজনী সৰু ছোৱালীয়ে গান গায়
জন সাধাৰণ থিয় হয় ] ।

বন্দে মাতৰম !

বন্দে মাতৰম !!

বন্দে মাতৰম্ !!!

[ এজনে চুঙা এটাৰে চিঞৰি কয় ] বাইজ সকল । এতিয়া আমি ছুজন ছুজনকৈ শাৰী পাতি শোভা যাত্রা কৰিম । আহক আপোনালোক । শাৰি পাতক হি । আগত ত্রিবর্ণ পতাকা লৈ শোভা যাত্রা বাহিৰ হয় । ধ্বনী উঠে, বন্দে মাতৰম । ]

( আঁৰ কাপোৰ )

———

## ষষ্ঠ দৃশ্য ।

[ দেশ নেতা শ্রীযুত দাসৰ ঘৰ । দাস আৰু কেবাজনো দেশকর্মী বাহিৰৰ বাৰান্দাত বহি ভাৰত বিভাজন সম্বন্ধে আলোচনা কৰিছে । ]

দাস— যি হল এক প্রকাৰ ভালেই হল । হিন্দুস্থান পাকিস্থান হোৱাৰ পৰা ছুয়োটা জাতিৰে শান্তি হল । প্রকৃততে মুছলমান ধর্ম্ম কৃষ্টি হিন্দুৰ লগত নিমিলে । হিন্দু মুছলমান ছুয়োটা জাতিক এক কৰি যি এটা বিৰাট জাতি প্রতিষ্ঠা কৰাৰ আমাৰ উদ্দেশ্য আছিল, সি

আৰু নহল। যিয়ে নহওঁক সদায় দুয়োটা জাতিৰ মাজত কাজিয়া পেচাল হৈ থকাতকৈ দুয়োটা জাতি স্বকীয়া ভাবে প্ৰতিষ্ঠা হোৱাই, ভালেই হৈছে।

বকৰা—যদিও এক প্ৰকাৰ ভালেই হল, তথাপি দুয়োটা জাতিৰ মাজত চিৰকাল সাম্প্ৰদায়িক বিদ্বেষ থাকি গল।

নেওঁগ—ভাৰত বিভাগ গল কিন্তু কোনোটোৱে সুবিধা নহল। পাকিস্থানতো হিন্দু মানুহ ৰৈ গল, হিন্দুস্থানতো মুছলমান মানুহ ৰৈ গল। আন পিনে দুয়োটা বিভাগৰে স্বকীয়া সীমা নির্দ্ধাৰণৰ একো সুমিমাংসা নহল, কিয়নো হিন্দুস্থানেও পাকিস্থানৰ ওপৰেদি আৰু পাকিস্থানেও হিন্দুস্থানৰ মাজেদি অহা যোৱা কৰিব লাগিব।

বকৰা—কি হব দিয়ক! ভাৰতবৰ্ষখন একহোৱা বুৰঞ্জীৰ ফালৰ পৰাই টান। চাওঁকচোন, অতীত বুৰঞ্জীৰ পাতে আমাক দেখুৱায়, ইটো জাতিয়ে সিটো জাতিক আক্ৰমণ সিটো জাতিয়ে ইটো জাতিক আক্ৰমণ। কত যুগ বাগৰি গল, কিন্তু কোনোটো ক্ষেত্ৰত শেষ নিষ্পত্তি নহল। আমি যদিও কওঁ ভাৰতীয় এক জাতি কিন্তু প্ৰকৃততে কোনো পিনৰ পৰা নহয়। প্ৰত্যেক জাতিৰে ভাষা স্বকীয়া, কৃষ্টি, আচাৰ, ব্যৱহাৰ ধৰ্ম্ম সকলো স্বকীয়া। আমাৰ হিন্দুৰে চাওঁক, কত বিভাগ গোসাই, ব্ৰাহ্মণ, কলিতা, বৈশ্য, কোচ, হাড়ি কৈবৰ্ত্ত ইত্যাদি। প্ৰত্যেক সম্প্ৰদায়ৰে সম্প্ৰদায়। কৈ

কান্দিয়া। ইয়াৰ ফলত সনাতন হিন্দু ধৰ্ম্মৰ অৱনতি হৈছে। হিন্দু ধৰ্ম্মত আজি কেবোনে ধৰিছে। হিন্দু ধৰ্ম্ম আজি উদাৰতা, সত্যতাৰ পৰা আঁতৰি আছিছে। হিন্দু ধৰ্ম্ম ব্ৰাহ্মণসকলে নিজৰ হাতৰ মুঠিত ৰাখি থৈ নিজৰ হাতৰ পুতুলা কৰি সমাজত ধৰ্ম্মৰ নামত ব্যভিচাৰ আনিছে গ্লানি আনিছে। এইবোৰৰ প্ৰতিক্ৰিয়াতে হিন্দু ধৰ্ম্মৰ অৱনতি। হিন্দু ধৰ্ম্মৰ লোকৰ সংখ্যা দিনক দিনে হ্ৰাস পাই গৈছে।হিন্দু ধৰ্ম্মৰ পতন অনিবাৰ্য্য। যি ধৰ্ম্ম সত্যৰ ওপৰত প্ৰতিষ্ঠা হোৱা নাই আৰু যি ধৰ্ম্মৰ ধৰ্ম্মাৱতাৰ সকলে কূট চক্ৰান্তৰ যুদ্ধ-কৌশল কৰি ধৰ্ম্ম প্ৰতিষ্ঠা কৰিছে সি প্ৰকৃততে সত্য হব নোৱাৰে।

নেওঁগ—আপুনি ঠিক কথাকে কৈছে।

বৰুৱা—আৰু চাওঁকচোন, যিটো ধৰ্ম্মৰ ধৰ্ম্মাৱতাৰ সকলৰ চৰিত্ৰ নাই, আদৰ্শ বা নীতি নাই, সেই ধৰ্ম্মৰ প্ৰতিষ্ঠা কেনেকৈ হব? হিন্দু ধৰ্ম্মই শিকাইছে যুদ্ধ কৰিব, শিকাইছে কুটিলতা, কিন্তু উদাৰতা, মহত্ব, সত্য শিকোৱা নাই। আজি কিয় হিন্দু বুলি কোনো ক্ষেত্ৰত আহ্বান কৰিলে সমগ্ৰ হিন্দু জাতি থিয় নহয়? ইচ্‌লাম ধৰ্ম্মৰ পিনে চাওঁক,খৃষ্টিয়ান ধৰ্ম্মৰ পিনে চাওঁক। আজি যে সসাগৰা পৃথিবীত খৃষ্টিয়ান ধৰ্ম্ম বিস্তাৰিত, হিন্দু ধৰ্ম্ম কিয় বিস্তাৰ হোৱা নাই? আজি কিয় হিন্দু মাত্ৰহে হিন্দু ধৰ্ম্ম এৰি আন ধৰ্ম্ম লব গৈছে?

গগৈ—আমাৰ ধৰ্ম্মৰ কথা নো কি কব ? ধৰ্ম্ম পুথি ব্ৰাহ্মণৰ বাহিৰে আনেতো চুব নেপাযেই দেখাওঁ নেপায়। ধৰ্ম্ম জানো ব্ৰাহ্মণ সকলক ৰেজিষ্টাৰী কৰিহে দি গৈছে।

দাস—এৰক বকৰা ! ধৰ্ম্মৰ কথা এৰক। তামোল খাওক।

( বটাতো আগ বঢাই দিযে )।

বকৰা—ৰাতি পুৱাইনো তামোল কি খাব ? চাহৰ ব্যৱস্থাহে কৰা ভাল আছিল।

( বাকী কেইজনে হাঁহে )

নেওঁগ—বক্তৃতা দিওঁতে বকবাৰ গল শুকাল। এতিযা গলটো তিয়াবলৈ লাগে চাহ। (হাঁহে)

দাস—কণ্ট্ৰলৰ দিন, চেনী পাবৰ নাই। চাহনো কেনেকৈ দিব ?

গগৈ—উপায় নাই দিয়ক। কণ্ট্ৰল উঠাবৰ অভিযান নচলালে নহৈছে।

( দাস ভিতৰলৈ যায় )

নেওঁগ—গৱৰ্ণমেণ্টে কণ্ট্ৰল ৰাখি চোৰাং কাৰবাৰীক প্ৰশ্ৰয় দিছে।

গগৈ—কণ্ট্ৰল উঠাই দিলে কৰ্ম্মচাৰী সকলে কি কৰি খায় জে ?

( দাস ভিতৰৰ পৰা আহি বহে )

দাস—ভাৰতক বিভাগ কৰা বৃটিছৰ চল চক্ৰান্ত। লীগে পাকিস্থান কৰিম বুলি যেতিয়াই হাতৰ মুঠি মাৰিলে

নেওঁগ—বৃটিছ লীগৰ সহায় হৈ আছে। নহলেনো যি হত্যা কাণ্ড হ'ল তাক দমাবলৈ বৃটিছৰ সৈন্য নোহোৱা হৈছিলনে? নিশ্চয় বৃটিছে লীগক উচটনি দিছে।

দাস—অনাহকতে হাজাৰ হাজাৰ নিৰীহ নৰ নাৰী মৰিল

গগৈ—যোবা কথা বাদ দিয়ক। যি হৈছে ভাল হৈছে। সাম্প্ৰদায়িক হত্যাকাণ্ডৰ পৰা আমাৰ দেশত এটা পৰিবৰ্তন আহিল।

দাস—পৰিবৰ্ত্তন হলেও মানুহ মৰাটো সমৰ্থন কৰিব নোৱাৰি। যুদ্ধ হলেই দেশৰ পৰিবৰ্ত্তন হয়। সেই বুলি যুদ্ধ সমৰ্থন কৰিব নে?

নেওঁগ—যিটো বহুকাল ধৰি ভাৰতৰ হিন্দু মুছলমানে বিচাৰি আছিল, সেইটোৱেই হ'ল। নতুন একো নহ'ল। হাজাৰ হাজাৰ মানুহ মৰাৰ পিচতো যেতিয়া কোনো সমস্যা সমাধা নহল সেইটো আজি হোৱা হিন্দু মুছলমানৰ সংঘৰ্ষই আনিলে।

দাস—যদি হিন্দু মুছলমানৰ ভিতৰত পূৰ্ণ পৃথক হৈ দুখন একে বাৰে স্বকীয় ৰাষ্ট্ৰ গঠন হলহেঁতেন তথাপিও এটা সুবিধা হলহেঁতেন।

বৰুৱা—তেনেকুৱা চিনতো দেখা নগ'ল।

দাস—অৱশ্যে যদি দুয়োখন ৰাষ্ট্ৰই উপযুক্ত নেতৃত্বৰ দ্বাৰা পৰিচালিত হয়, তেনেহলে অদূৰ ভবিষ্যতত মিলনৰ আশা কৰিব পাৰে। ভাৰত ভগিনিয়নত মহাত্মাগান্ধী

জন্ইব লালব দবে মহাপুরুষসকল থাকোঁতে টাঙো৷
নধবে বৰ, ইয়াৰ উন্নতিহে হব। ভাৰত ডমিনিয়ে
এক প্ৰকাৰ নিজৰ ওপৰত নিৰ্ভৰ কৰি চলিব পাৰিব
পাকিস্থানবহে কিছুমান ক্ষেত্ৰত টান হব।

গগৈ—পাকিস্থাননো কি লৈ বাচি থাকিব হে? খোৱা বস্তুৰ উৎপাদন নাই, আনপিনে খনিজাত পদাৰ্থও নাই।

দাস—কিছুদিন সাময়িক ভাবে অভাৱ হলেও পিচলৈ অভাৱ মিডিব। মৰাপাটৰ উৎপাদনেৰেই বহু লাভ কৰিব।

(ভিতৰৰ পৰা এজন ল'ৰাই কাঁহি এখনৰ ওপৰত বাতি পাঁচোটাত চাহ লৈ আহে। দাসে প্ৰত্যেককে এটাকৈ বাতি আগ বঢ়াই দিয়ে।)

গগৈ—বকৰাৰ জইতে এইটোপ চাহ খোৱা হ'ল। (বাকী কেইজনে হাহি হাগি হয় ধৰে।)

বকৰা—আপোনালোকৰ মুখ থাকিলেহে। খাবও খোজে মুখ লজ্জাত কৰও নোৱাৰে। মুখৰ লাজ নেভাঙিলে আজিৰ দিনত পেট নভৰে হেৰি। খুজি খোৱাটোত কিহৰ লাজ আছে? প্ৰত্যেকবাৰ আন্দোলনত গাঁওৰ খুজি খায়েই দিন কটাইছো। খুজি খোৱা অভ্যাস নাথাকিলে ৰাজনীতি কৰা মোৰ পক্ষে নহলহেঁতেন।

নেওগ—বকৰাৰ মুখখন বেচ পটু। বকৰাৰ আগত কথা কৈ সৰা টান।

দাস—আজি দেখো "অসমীয়া" অহাত দোৰ হ'ল। "——"

বকৰা—কি দিন কি হ'ল! এনে এটা দিন আছিল যি দিনত অসমীয়া ভাষাত ছপা কিতাপ, আলোচনী, বাতৰি কাকত একেবাৰেই নাছিল। তাৰ পিছত এখন ছুখনকৈ অসমীয়া কিতাপ ছপা হ'ল। ছুই এখন আলোচনী প্ৰকাশ হৈ ওলাল। যেতিয়া ভাৰতৰ নানা প্ৰাদেশিক ভাষাৰ দৈনিক বাতৰি কাকত প্ৰকাশ হ'ল, তেতিয়া অসমীয়া ভাষাত নাই। আমি বঙালী বাতৰি কাকত লৈ মুখ মেলি চাই আছিলো। কিন্তু বঙালী কাকতত নাছিল অসমৰ বাতৰি। আমাৰ অভাৱ অভিযোগ প্ৰকাশ কৰাৰ মুখ বন্ধ হৈ আছিল। তাৰ পিচত অসমত যি ছুই এখন সপ্তাহিক মাহেকীয়া কাকত প্ৰকাশ হল, সিয়ো মহাযুদ্ধৰ চৌত লীন গ'ল। যাহওঁক "আসাম ট্ৰিবিউন" আৰু "অসমীয়া' খন দৈনিক হৈ প্ৰকাশ হোৱাত অসমীয়া জাতিয়ে লাজ অপমানৰ পৰা হাত সাৰিব পৰা হৈছে। আজি এই ছুখন কাকতত আমাৰ অভাৱ অভিযোগ, সমস্যাবোৰ প্ৰকাশ কৰিবৰ সুবিধা পাইছো।

াগে—সৌ 'অসমীয়া' আহিলেই। [ বাটৰ পিনে আঙুলিয়াই ]

[ 'অসমীয়াৰ' হ'কাৰজন আহি সকলোৰে হাতত 'অসমীয়া' এখন দিয়ে ]

াস—( 'অসমীয়া' পঢ়িবলৈ ধৰে ) শুনকচোন বকৰা! ভাল খবৰ ওলাইছে।

বৰুৱা—কি কি ?

দাস—চিলেট অসমৰ লগত থাকিব নে পাকিস্থানৰ লগত থাকিব তাক চিলেটিয়া জনসাধাৰণৰ গণ ভোটৰ ওপৰত নিৰ্ভৰ কৰিব ।

বৰুৱা—ৰক্ষা পৰিলো । এই বেলি চিলেটীয়াৰ কামোৰৰ পৰা ৰক্ষা পৰিলো ।

গগৈ—ক'তনো চিলেটে অসমক এৰা দিয়ে হে ? গণ ভোট দেখো আছেই । চিলেটীয়াহঁতে অসম এৰিলে জানো নমৰিব ? চিলেটীয়াহঁত পাকিস্থানৰ লগত কত যাব হেৰি ?

[ আসাম ট্ৰিবিউনখনো হ'কাৰ এজনে দি যায় । আটাই কেইজনে বাতৰি কাকত পঢ়িব ধৰিলে ] ।

দাস—চিলেট অসমৰ লগত নাথাকিব, কিয়নো চিলেট জিলা খনত মুছলমান গৰিষ্ঠ । হিন্দু সকল থাকিব খুজিলেও সংখ্যা লঘুৰ কাৰণে থাকিব নোৱাৰিব ।

নেওঁগ—বৰ্ত্তিলো । অসমৰ পৰা বুটিছো গ'ল, লগে লগে সতিনী চিলেটো গ'ল । অসমৰ ভেজ চুপিবলৈ যে কোনো নেথাকিল ইয়েই অসমৰ পৰম সৌভাগ্য । অসমে এতিয়া মূৰ দাঙিব পাৰিব ।

অসমৰ ভাগ্য ৰবি উদয় হ'ল । অভিশপ্ত অসম মুক্ত হ'ল । নহলেনো কোনো যুঁজ বাগৰ নকৰাকৈ হঠাতে চিলেটে অসম এৰি দিলেনে ? চিলেট বিচ্ছেদলৈ কত আন্দোলন, কত যুঁজ বাগৰ । নবীন ৰবদলৈৰ নিচিনা নেতৃস্থানীয় লোকেও নোৱাৰিলে ।

নেওঁগ—খবৰটো পাই বৰ ভাল লাগিল দিয়ক।

বৰুৱা—চিলেটীয়াসকলৰ কাৰণে অসমে একোকে কৰিব পৰা নাছিল। বিশ্ববিদ্যালয় পাতিব ওলাব, তাত দিব বিঘিনি পথালি, মেডিকেল কলেজ পাতিব যাব, তাত দিব বাধা, অসমীয়াই যি বিচাৰে তাকে সিহঁতক লাগে। আজি আৰু আমি কোনো অনুষ্ঠান কাৰবাৰৈ চানা আজোৰা কৰিব নালাগে।

গগৈ—অসমৰ যি ৰাজহ উঠে আটাইখিনি চিলেটীয়া কৰ্ম্মচাৰীৰ দৰমহা দিওঁতে যায়। চিলেটৰ দুৰ্ভিক্ষ, চিলেটৰ বানপানী পীড়িত লোকক সহায় কৰোঁতে ধন ভঁড়াল উদং হয়। অসমীয়াৰ অভাৱ হলে চৰকাৰৰ পৰা সাহায্য কৰোতে চিলেটীয়াই বাধা দিয়ে

দাস—সঁচাকৈয়ে অসমীয়া জাতি যেন কোনোবা ঋষি মুণিৰ শাপৰ পৰা মুক্ত হল। নহলেনো অসমীয়া জাতি নিৰ্য্যাতন মিছাতে কেলেই ভুগিলেহেঁতেন? উঃ! এই জাতিটোৰ ওপৰত কত ঘাট প্ৰতিঘাট, কত নিৰ্য্যাতন বৈ গ'ল। অত্যাচাৰ, উৎপীড়ণ অসমীয়া জাতিৰ সত্তৰ অতীত হৈ গৈছে। বোধকৰোঁ অসমীয়াৰ দৰে নিৰ্য্যাতন ভাৰতৰ কোনো জাতিয়ে ভোগ কৰিব লগা হোৱা নাই। নিৰ্য্যাতিত অসমীয়াই জুকলা-জুপুৰা হৈ, অৱশ হৈ পৰি নিজৰ কৰ্ম্ম হেলাতে পেলাই বৈ বিদেশীৰ ঠাচ অনুকৰণ কৰিব লগীয়া হৈছে। নিজৰ ভাষা, কৃষ্টি, সভ্যত

সকলো বিদেশীৰ হাতত অৰ্পণ কৰি নিজৰ পৈতৃক সম্পত্তি ৰখি আছে। ইমান দিনে অসমীয়া জাতি উথাবলৈ, উন্নতি কৰিবলৈ একো চেষ্টা কৰিব পৰা নাছিল। এখন মহা সমৰৰ পাছত ভাগৰ লাগি অসমীয়া যেন অৱশ হৈ পৰিছে।

[ বাটে বাটে কেইজনমান লৰাই চুঙাৰে চিঞৰি চিঞৰি কৈ যায় ] আজি আবেলি জুবিলি বাগিছাত ৰাজহুৱা সভা এখন আহ্বান কৰা হৈছে। সভাৰ উদ্দেশ্য সাম্রাজ্যবাদে কূট ষড়যন্ত্র কৰি চিলেটক অসমৰ পৰা ফালি নিবলৈ ওলাইছে। অসমৰ পৰা চিলেট নিব নোৱাৰে। এনেকুৱা জঘণ্য মনোবৃত্তিৰ প্ৰতিবাদ কৰোঁ আজি সভা আহ্বান কৰা হৈছে।

বকৰা—এই কমিউনিষ্ট কেইটাক চাওকচোন। ইহঁতে চিলেট অসমৰ লগত থাকিব লাগে বুলি প্ৰচাৰ কৰিব লাগে নে?

নেওঁগ—ইহঁতৰ মগজুত কিবা আছে জানো? বঙালী সকলে দৰমহা দিছে যেতিয়া যি কৰিব কয় তাকে কৰিব লাগিব। জানেই নহয় লোণ খালে গুণ গাবই লাগিব।

দাস—কমিউনিষ্টে মগজু ঠিকেই পৰিচালনা কৰিছে। কমিউনিষ্ট পাৰ্টিৰ নেতা কেইজন হৈছে চিলেটীয়া আৰু বঙালী। গতিকে নিজৰ স্বাৰ্থ চাব এৰি আন প্ৰদেশৰ স্বাৰ্থ কিয় চাব? অসমীয়া কেইজনক তেওঁ বান্ধি ৰাখিছে আৰু।

বকৰা—অসমীয়া কেইজনে নো আপত্তি কৰিব নোৱাৰে নে ?

দাস—আপুনি নুবুজে কিয় ? অসমীয়া কেইজনক টকাৰে কিনি পেলাইছে ।

বকৰা—অসম খনক ৰাজনৈতিক দল কেইটাই খালে ।

দাস—কিনো কব । নতুনকৈ উঠি অহা ডেকা । লাগে আমূল পৰিৱৰ্তন, লাগে বিপ্লৱৰ দীক্ষা । যি জনেই দিব পাৰিছে, তেওঁৱে বশ হৈছে । এতিয়া এই ডেকা সকলক টকাৰে বশ কৰিছে । কলিকতাৰ পৰা এই দলবোৰ পৰিচালিত হয় । নেতা কৰ্ম্মী সকলে কলি-কতাৰ পৰিস্থিতি চাই কামৰ আচনি দিয়ে, সেই আচনি মতে অসমৰ কৰ্ম্মী সকলে কাম কৰি যায় । পঙতিকে স্বাৰ্থৰ আঘাট পৰিবই ।

বকৰা—এওঁলোকে দেখো গণতন্ত্ৰৰ কথা বৰকৈ কয় । এওঁ-লোকৰ গণতন্ত্ৰ এয়ে নেকি ?

দাস—গণতন্ত্ৰ এওঁলোকৰ অইন ধৰণৰ । যেতিয়া সাম্ৰাজ্য-বাদী যুদ্ধ লাগিল কমিউনিষ্ট সকলে প্ৰচাৰ কৰিলে সাম্ৰাজ্যবাদী যুদ্ধ নহয়—জন যুদ্ধ হে । আকৌ '৪২ চনত যেতিয়া ভাৰতে স্বাধীনতাৰ আন্দোলন কৰিলে, এওঁলোকে আন্দোলনৰ বিৰোধীতা কৰিলে । গণতন্ত্ৰৰ কথা কেইজনে বুজে হে ? কমিউনিষ্টে গণতন্ত্ৰৰ বিৰো ধীতাহে কৰিছে ।

[ ড্ৰাইভাৰ এজনৰ প্ৰবেশ ]।

ড্ৰাইভাৰ—পেট্ৰোল আনিছো। কেতিয়া যাব ?

দাস—ড্ৰাইভাৰ। কুপনত থকা পেট্ৰোল খিনি পালানে ?

ড্ৰাইভাৰ—হয় পাইছো।

দাস—এঘাৰ বজাত যাম। তুমি মটৰখন ঠিক কৰা।

( ড্ৰাইভাৰ ওলাই যায় )।

বকৰুৱা—অ ৰামপুৰৰ মিটিং আজিযে নেকি ?

দাস—হয়। যাব নেকি ? বলক যাও।

বকৰুৱা—যাব পাৰিলে বেয়া নহয়। বাৰু মই খাই লৈ আহো গৈ।

দাস—আপুনি ওলালে ভাল হয়। আমাৰ বক্তা এজন বাঢ়ে।

বকৰুৱা—এখেত সকল নেযাব নেকি ?

দাস—যাব।

বকৰুৱা—অ তেনেহলে সদলবলে যোৱা হব। আজি চিলেটীয়া কতক ৰামপুৰত জাৰিব লাগিব।

( আঁৰ কাপোৰ )

— — — —

## সপ্তম দৃশ্য

[ স্বাধীনতা পোৱাৰ পিচতে। কাৰাৰুদ্ধ অসমে মুক্ত হৈ নিজৰ মান মৰ্য্যাদা যশ গাবলৈ ওলাল। গোটেই দেশতে বঙালী বিদ্বেষী ভাবৰ সৃষ্টি হল। বৃটিচ সিংহক ভাৰতৰ পৰা বিদায় দি নতুন উদ্দাপনাৰে অসমীয়াই ভাৰত মাতাৰ বুকুত নতুন অসম গঢ়িবলৈ দৃঢ় প্ৰতিজ্ঞ হল। চিলেট অসমৰ পৰা ফালৰি কাটি যোৱাত অসমীয়াই হেৰোৱা শক্তি পুনৰ পালে। অসমীয়াই বঙালী সকলক দমাই এক বিৰাট শক্তিশালী জাতি পতিষ্ঠা কৰবলৈ উঠ পৰি লাগিল ]।

( গুৱাহাটীৰ ব্ৰহ্মপুত্ৰৰ পাৰত তিনিজন ডেকাই ফুৰিবলৈ গৈ নৈৰ পাৰৰ বেঞ্চত বহি আলোচনা কৰিছে )।

বেণী—মানিক। তইতো গ্ৰেজুৱেট হলিয়েই। এতিয়া তই কি কৰিব খুজিছ ?

হৰি—কি কৰিব, এম–এ বি–এল হৈ দেশ নেতা হব।
(ঠাট্টাৰ সুৰত কয়)।

মানিক—ভাই। এম এ পঢ়িব পাৰিলেতো মোৰ কথাই নাছিল। আৰ্থিক সম্বল যিহে। পিতাই চাকৰি কৰি তিনি-কুৰি পোন্ধৰটা টকা পায়। তাৰে পৰিয়ালৰ খোৱা খৰছ, মোৰ আৰু সৰু ভাই কেইজনৰ পঢ়াৰ খৰচ মুঠতে টকাৰে কোনোমতে নাটে। মই বি এ পঢ়ি জমা ধনতো খৰছ কৰিলোৱেই, এতিয়া ধাৰো লগালো।

হৰি—আমাৰ সেইটোৱেই হৈছে কথা। ধৰণী। তুমিয়োতো ধনৰ অভাবত আই–এ পঢ়িয়ে এৰিলা?

ধৰণী—আমাৰ যি হৰৰ হলেই। তুমি কিবা কৰি পঢ়াৰ চেষ্টা কৰা। লাগে যদি আমিও চাৰি পাচ টকাৰে সহায় কৰিম।

মানিক—পঢ়িবৰ উপায় একোৱেই নাই। মই চেষ্টা নকৰা নহয়। ধাৰ কৰিলে টকা পাওঁ। কিন্তু ধাৰ কৰি নপঢো। এজন মানুহে তেওঁৰ ছোৱালীজনী বিয়া কৰালে টকা দিয়ে।

হৰি—কাৰ ছোৱালী হে?

মানিক—মাধৱ শৰ্ম্মাৰ।

ধৰণী—ছোৱালী জনী দেখিছে নে নাই?

মানিক—ছোৱালী চোৱাৰ প্ৰয়োজন মোৰ নাই। ছোৱালীৰ বাপেকক বন্ধকী দলিল লিখি দি মই নপঢ়ো। ইমান শিকি বুজি মই ইমান তললৈ নানামো। এনেকৈ বিয়া কৰালে মুৰ্খামিৰ কথাহে হব।

হৰি—ছোৱালী জনী যদি ভাল বিয়া কৰোৱাত আপত্তি কি?

মানিক—ছোৱালী বিয়া কৰোৱাত মোৰ আপত্তি নাই। এদিনতো বিয়া কৰাবই লাগিব। কিন্তু বিয়া কৰোৱা স্বৰ্ত্তত নহ নপঢ়ো।

হৰী—তেনেকৈ বিয়া কৰাব নোৱাৰি দে। আজি যদি তই এনেকৈ পঢ়াৰ খৰছ বুলি টকা লৈ বিয়া কৰাব্ তেনেহলে দুখীয়া তবফৰ ছোৱালী বিয়া দিয়াত মৰণ নহব নে?

মানিক—এই বছৰ ইয়াতে কৰবাত চাকৰি এটা কৰি কিছু টকা জমাই অহা বছৰত পঢ়িবলৈ যাব খুজিছো। তইঁতে কেনে দেখ?

হৰি—ভাই! পিচলৈ থলে কাম পিচ পৰি যায়। চাকৰি কৰি টকা জমাই পঢ়া বৰ টান। অফিচত কলম খুছিব ধৰিলে তোৰ আশা আকাঙ্খা সকলো ডুবি যাব।

মানিক—যিয়ে নহওঁক ভাই। ভাগ্যত যি আছে হবই। এতিয়া তইঁতে মোক এটা চাকৰি যোগাৰ কৰি দে।

হৰী—চাকৰি পোৱা বৰ ডাঙৰ সমস্যা হৈ উঠিছে। নতুন চাকৰিতো নোলায়েই। বাক চাহোন। তয়ো চাময়ো চাওঁ।

মানিক—মাষ্টৰৰ কাম কৰা মোৰ পক্ষে ভাল হব। বেঙ্কত চাকৰি পায়, পিচে মোৰ বৰ টান হব।

ধৰণী—শুনচোন শুন, ক'ৰ মিটিঙৰ জাননী।

( নেপথ্যত )

[ ৰাইজ সকল। অসমীয়া জাতিৰ আত্ম প্ৰতিষ্ঠাৰ কাৰণে কাইলৈ আবেলি জাতীয় মহাসভাৰ তৰফৰ পৰা জুবিলি বাগিচাত এখন সভা আহ্বান কৰা হৈছে সভাত সকলো ৰাইজে যোগদান কৰে যেন ]।

মানিক—এই সময়ত অম্বিকাগিৰি ৰায় চৌধুৰীৰ দৰকাৰ তেওঁৰেই অসমীয়া জাতিৰ নেতৃত্ব লব পাৰিব। তেং একাষাৰ নেমাতিলে অসমীয়াৰ হকে মাতোতা কোনে নাই।

ধৰণী—মিটিংখন সময়োপযোগী হৈছে। এতিয়াই বঙালীৰ দমন নকৰিলে অসমীয়া জাতি তিষ্ঠি থকা টান হব

মানিক—দিনে দিনে অজস্ৰ বঙালী মানুহ অসমলৈ আহি ধৰিছে। এইবোৰ মানুহ আহি থাকিব ক'ত। বি কৰিব, কোনে যে আশ্ৰয় দিব ? মই হলে ভা অস্থিৰ। বেলত বঙালীৰ ভীৰত এধান ঠাই পাবলৈ নাই।

হৰি—বঙালী সকলৰ উৎপাতত আমি চাকৰি নোপোৱা হলো আমি আমাৰ ন্যায্য প্ৰাপ্যৰ পৰাও বঞ্চিত হলো এনেই অসমৰ খাদ্যৰ অভাৱ, তাতে আকৌ, হাজা

হাজাৰ বঙালীৰ আমদানি। অসম চৰকাৰে এই খাদ্যৰ অনাটনত কিয় বিদেশীলোক সকল থুপুৰিয়াই লৈছে?

মানিক—ভাৰত বিভাগ হোৱাৰ সুবিধালৈ পাকিস্থানৰ অন্তৰ্ভুক্ত হিন্দুলোক সকল ভয়তে পেপুৱা লাগি অসমলৈ দৌৰ ধৰিছে।

ধৰণী—আহকেইচোন, অসমতে থাকক অসমতে থাওঁক, আপত্তি নাই। পিছে দুদিন পিচতে অসমৰ অসমীয়া কেইজন খেদি দি বৃহত্তৰ বঙ্গ স্থাপন কৰিবলৈ ওলাব। বঙালী বা যিযে নহৰ অসমত আছিচ যেতিয়া অসমীয়াৰ লগত মিলি যা। সেইটো নকৰে, ভাবে ঁলোটাটোহে কৰিব। কাৰনো খং নুঠিব?

চাৰু - আজি কালি অসমৰ প্ৰায়বোৰ ঠাইতে, চহৰৰ কথাই নাই, বিড়ি ফেক্টৰি লৈ, ঔষধৰ কেনভাচাৰ হৈ ইহঁত বহিছে। দেখিছো এই সকু ব্যৱসায়ৰ পৰা উন্নতি কৰি চাকৰিৰ পৰা অসমীয়াক বঞ্চিত কৰাৰ দৰে ব্যৱসায়েৰেও অসমীয়াক ঠগিব।

মানিক—মই চাকাৰ নকৰি ব্যৱসায় কৰিলে ভাল কোন দেখ ধৰণী!

ধৰণী—বেপাৰৰ দৰে কি হব পাৰে ভাই। বাণিজ্যে বসতি লক্ষ্মীঃ। এইটোৱে ভাল ভাই। তই চাকৰি কৰিব নালাগে ব্যৱসায়কে কৰ। আমিও তোক সহায় কৰিব পাৰিম।

মানিক—ব্যৱসায়ত মোৰ মন হৈছে। বাক মই সোধা পোছ
কৰি চাও।

হৰি—সোধা-পোচা কৰি সময় নিয়াব নেলাগে। বুজি
মানিক। সোনকালে আৰম্ভ কৰ।

ধৰণী—ভৰলুৰ পাৰলৈ ফুৰিব যাও বল। বহুদিন সেইপি
যোৱা নাই।

হৰি—ওঁ যাওঁ বল, উঠ।

(আঁৰ কাপোৰ)।

— — — —

## অষ্টম দৃশ্য

[ অসম জুৰি বঙালী বিৰোধী আন্দোলন তীব্ৰগতিত চলিল। অসমীয়া মানুহে বঙালী দোকান পোহাৰ বৰ্জ্জন কৰিলে। যি সকল সৰ্ব্বসাধাৰণ বঙালী আছিল, তেওঁলোক অসমীয়া জাতিৰ লগত মিলি জুলি থাকিবলৈ ইচ্ছা কৰিলে। যি সকল গোড়া পুঁজিপতি বঙালী অসমত আছিল, তেওঁলোকে অসমক বৃহত্তৰ বঙ্গত সাঙুৰিবলৈ তলে তলে। ষড়যন্ত্ৰ চলাই আছিল। অসমীয়া সকলে যেতিয়া জাতীয় প্ৰতিষ্ঠাৰ আন্দোলন চলালে তেতিয়া বঙালী সকলৰ ষড়যন্ত্ৰ ব্যথ হোৱাত উপায় নেপায় অসমীয়াৰ ন্যায্য আন্দোলনক আক্ৰমণ কৰি বঙালী বাতৰি কাকত সমূহত অসমীয়া ভাষা কৃষ্টিসভ্যতাক নাঙঠ কৰি মানৱ সমাজক দেখুৱালে। ]

[ বঙালী বাতৰি কাকতে অসমীয়াক যি বদনাম দি প্ৰচাৰ চলালে তাৰ প্ৰতিবাদ কৰে বিৰাট জন সভা আহ্বান কৰিলে। সভাত আৰম্ভণীতে সবাই "অসম অসমীয়াৰ" আদি ধ্বনী উঠি থাকে। বাইজৰ মাজৰ পৰা এজনঁ থিয় হৈ বক্তৃতা দিবঁ ধৰে। ]

ৰাইজ। আজি মই আপোনালোকৰ আগত থিয় দিছো, অসমীয়া জাতিৰ হক ৰক্ষাৰ্থে কেইআষাৰ মান কম বুলি। আজি অসমত বঙালীৰ দৌৰাত্ম্য ইমানে বাঢ়িছে যে আমি তাক দমন নকৰিলে, আমি অসমীয়া জাতি বুলি তিষ্ঠি থাকিব নোবাৰিম। বঙালী দোকান কেইখনৰ কোনোবাই আইনা কেইখনমান শিল গুটি দলিয়াই ভঙাত বঙালী সকলে তাকেই তিলকে তাল কৰি সমগ্ৰ অসমীয়া ৰাইজৰ বদনাম ৰটিলে। অসমীয়া জাতিক অসভ্য, বৰ্ব্বৰ বুলি বঙালী সকলে নাঙঠ কৰি দেখুৱালে। অসমীয়া ৰাইজে বঙালী দোকান লুট পাত কৰা বুলি, বঙালী তিৰোতাৰ ওপৰত পাশৱিকতা কৰা পৰ্য্যন্ত বদনাম দি বঙালী কাকতবোৰে প্ৰচাৰ কৰিলে। কলিকতীয়া বঙালী বাতৰি কাকত সমূহে প্ৰবাসী বঙালী সকলক উচটাই দি অসমৰ সৰ্ব্বনাশ কৰিবলৈ ওলাইছে। ৰাইজ সকল। আমাৰো সাজু হওক। যি সকল বঙালীয়ে যি কলমেৰে যি কাকতত অসমীয়াৰ বদনাম লিখি প্ৰচাৰ কৰিলে সেই ভুলৰ ক্ষমা খুজি যদি সাত দিনৰ ভিতৰত নিলিখে আৰু এই সভাত আহি ভুল স্বীকাৰ কৰি ক্ষমা নোখো যেহি, তেনেহলে আমি সেই অসৎ প্ৰকৃতিৰ বঙালী সকলক অসমৰ পৰা বাহিৰ কৰি দিব লাগিব। অসমীয়া ৰাইজ সাজু হওক। অসমক বঙালীৰ গ্ৰাসৰ পৰা ৰক্ষা কৰক হি।"

[ বক্তাজন বহাত ৰাইজে হাত চাপৰি দিয়ে আৰু "জয় অসমীয়াৰ" আদি ধ্বনী তোলে। আন একজন বক্তা উঠি বক্তৃতা আৰম্ভ কৰে ]

ৰাইজ সকল। পোন্ধৰ আগষ্টৰ পৰা ভাৰতে স্বাধীন হল। ভাৰতত বৃটিছ সাম্রাজ্যবাদৰ ৰক্ত শোষন ৰদ্ধ হল সচাঁ কিন্তু অসমৰ পৰা 'অসমীয়াৰ ৰক্ত শোষক নগল। অসমৰ পৰা বৃটিছ সাম্রাজ্যবাদ গলেও বঙালী সাম্রাজ্যবাদী নগল। সেয়ে আজি মই কওঁ, অসম এতিয়াও পৰাধীন। অসমক এতিয়াও বিদেশীয়ে শোষন কৰি আছে। বৃটিছক ভাৰতৰ পৰা যি দৰে খেদি দিলো, বঙালীকো তেনেদৰে অসমৰ পৰা খেদি দিব লাগিব। নহলে অসমীয়াৰ উদ্ধাৰ নাই। (ৰাইজে হাত চাপৰি দিয়ে) এই বঙালী জাতিয়ে আমাৰ ভাষা কৃষ্টি ধ্বংশ কৰিবলৈ ওলাইছিল। কিন্তু অসমীয়াৰ ভাগ্য উদয় হোবাত বঙালী সকলৰ ষড়যন্ত্র ব্যৰ্থ হল। আজিও বঙালী সকলে অসমীয়াৰ বিৰুদ্ধে বৰ্বৰ, অসভ্য ভাষা প্রয়োগ কৰি কিতাপ আলোচনী, বাতৰি কাকত আদি প্রকাশ কৰিয়েই আছে। অসমীযা ভাষা কৃষ্টিক ধ্বংশ কৰি বৃহত্তৰ বঙ্গ স্থাপন কৰাই বঙালী সকলৰ লক্ষ্য। চাওঁক, ভাৰত বিভাজনৰ সুযোগ লৈ অগণন বঙালী আহি অসমত সোমাল। বঙালীলোকৰ আমদানীৰ পৰিকল্পনাই হৈছে অসমক বৃহত্তৰ বঙ্গত ভুক্ত কৰা। আমি বঙালী সকলৰ সাম্রাজ্যবাদী মনোবৃত্তিক দমন কৰিবই লাগিব। অসমীয়া জাতিৰ হুৰুত কাতৰ হৈ, যুগমহামানৱ মহাত্মা গান্ধীয়ে দৃঢ়কণ্ঠে ঘোষণা কৰিছে যে, "কোনো জাতিয়ে কোনো জাতিক শাসন আৰু শোষণ কৰিব নোৱাৰে।" ৰাইজ সকল। যদি বঙালী সকল অসমীয়াক

শৰণাগত নহয় বৰং পুনৰ সাম্ৰাজ্যবাদী মনোবৃত্তিত থাকে তেনেহলে আমি তেওঁলোকক ক্ষমা নকৰো। অসমীয়াই সাম্ৰাজ্যবাদী মোগলৰ সোতৰবাৰ আক্ৰমণ উফৰাই দিছিল। সেই লাচিত বৰফুকনৰ দেশৰে মানুহ আমি। আজি আমি পুনৰ লাচিতৰ মন্ত্ৰ দীক্ষা লৈ অসমক বিদেশী বঙালীৰ হাতৰ পৰা ৰক্ষা কৰি ৰলৈ আগুবাই যাব লাগিব। অসমৰ খাই, অসমত জন্ম খৰি, অসমৰ হাবা পানীত ডাঙৰ দাঘল হৈ যি সকলে নিমখ হাৰামী কৰি অসমীয়াৰ জাতীয স্বাৰ্থৰ বিৰোধিতা কৰিছে, তেওঁলোকক দেশদ্ৰোহী বুলি ঘোষণা কৰি অসমৰ চৌহদৰ পৰা বাহিৰ কৰি দিব লাগিব। (হাত চাপৰি দিয়ে)।

[ৰাইজৰ মাজত "অসম অসমীয়াৰ" "অসমক ৰক্ষা কৰিব কোনে—অসমীয়াই" আদি ধ্বনী উঠে। আন এজনে থিয় দি বক্তৃতা দিয়ে]।

সমবেত ৰাইজ। ওপৰোক্ত বক্তা সকলে অসমত বঙালীৰ উপদ্ৰব, দৌৰাত্মাৰ কথা কৈ গল। তেওলোকে কোৱা কথা সমূহ সত্য আৰু যুক্তি সঙ্গত। আজি আমি স্বৰাজ পালো যদিও, আমাৰ মাজত পুনৰাই আন্দোলনৰ আৰম্ভক হৈ উঠিছে— অসমীয়া জাতিৰ জাতীয় প্ৰতিষ্ঠাৰ হকে। আমি বিদেশীৰ অত্যাচাৰ, উৎপীড়ন, নিৰ্য্যাতন একেবাৰে ডেৰ-শ বছৰ ভুগিলো। এই ডেৰ শ বছৰৰ ভিতৰত বিদেশীৰ শোষণত সোণৰ অসম মৰিশালিত পৰিণত হ'ল। অসমৰ ঐশ্বৰ্য্য, সম্পদ বিদেশী সকলে লুটি লৈ গ'ল। আজি আমাৰ কাৰণে আছে একৌটি

অসমীয়াৰ জৰাজীৰ্ণ ভগ্ন শৰীৰ আৰু আছে কেইভোৰোলামান মাটি। এইখিনিকে লৈ আমাৰ জাতি ন-কৈ প্ৰতিষ্ঠা কৰিব লাগিব। আজি এই ডেৰ শতাব্দী কাল পৰাধীনতাৰ নাগ পাশত বান্ধ খাই থাকোতে অকল বৃটিছেই নহয় বঙালী তথা ভাৰতবৰ্ষই অসমক ৰাজনৈতিক, চক্ৰান্তৰে অৰ্থ নৈতিক শোষণ কৰি আছিছে। ডেৰ শতাব্দী কাল বৃটিছ, বঙালী আৰু ভাৰতৰ আন আন প্ৰদেশৰ মানুহে যি শোষণ চলালে তাৰ দ্বাৰা আমাৰ জাতিৰ মেৰুদণ্ড ভাঙি গ'ল। অৰ্থনৈতিক ভিত্তিত চাওঁক বঙালী আৰু ভাৰতৰ বিভিন্ন ঠাইৰ লোকে অসমীয়াক বঞ্চিত কৰি কোম্পানী আৰু চৰকাৰী চাকৰি সমূহ দখল কৰিলে। আনপিনে কিছুমান বেঙ্কৰ প্ৰশাখা অসমত স্থাপন কৰি তেওঁলোকে অসমৰ ধন লুটি লৈ গৈ নিজ নিজ দেশত শিল্প প্ৰতিষ্ঠান গঢ়ি তুলিলে। কিন্তু আমি পালো কি? বুকুৰ তেজ পানী কৰি অৰ্জ্জা লক্ষ লক্ষ টকা তেওঁলোকে আত্মসাৎ কৰিলে। সৰহ ভাগ বেঙ্ক দেউলীয়া হৈ গ'ল। অসমত যি সকল বিদেশী ব্যৱসায়ী লোক আছে, তেওঁলোক বা তেওঁলোকৰ পূৰ্ব্বপুৰুষ সকলে অসমলৈ আহোতে ধনৰ দোল সাজি লগত লৈ অহা নাছিল, তেওঁলোক আহিছিল গাত এখন গামোছা মেৰাই হাতত এটা ঘটি লৈ। তাৰেই আজি তেওঁলোকে অসমত ব্যৱসায় চলাই অগাধ ধনৰ মালিক হৈছে। কিন্তু সেই বিদেশী কোটি পতি সকলে অসমীয়াৰ জাতীয় স্বাৰ্থৰ কাৰণে কিবা কৰিছেনে? আমাৰ কঠাল আমাৰ

মুৰৰ ওপৰতে ভ্ৰাজি, আমাৰ দেশৰ সা সম্পত্তি, ধন দৌলত নিজ দেশৰ উন্নতিত ঢালিছে। এইদৰে চাব যায় যদি তেওঁ-লোকে অসমীয়াক প্ৰত্যেক ক্ষেত্ৰতে বঞ্চিত কৰি অতুল ধনৰ গৰাকী হৈ জাতীয় স্বাৰ্থৰ বিৰোধীতা কৰি অৰ্থনৈতিক ভিত্তিত শোষণ কৰিছে। আজি আমাৰ অসমীয়া ডেকাই বি, এ পাচ কৰি চাকৰিৰ অভাবত বেকাৰ হৈ পৰিছে। কি হ'ল আমাৰ। আজি এই ডেৰ শতাব্দী কালৰ ভিতৰত কিবা মহৎ অনুষ্ঠান গঢ়ি উঠিল নে? কেন্দ্ৰীয় চৰকাৰে অসমৰ হাবিৰ পৰা মূল্যবান কাঠ, হাতীদাঁত আদি মূল্যবান সম্পদ তাৰ উপৰিও খনিজ পদাৰ্থৰ উৎপাদন আত্মসাৎ কৰে। ৰাজনৈতিক ক্ষেত্ৰত অসমক নানা প্ৰকাৰে সাম্ৰাজ্যবাদ, বঙালী তথা ভাৰতীয়ই শোষণ কৰিছে। ভাৰতীয় কলিকতীয়া ৰাজনৈতিক দল সমূহে অসমত যিবোৰ দলৰ প্ৰশাখা খুলিছে সেই শাখা সমূহে দলৰ কেন্দ্ৰৰ নিৰ্দ্দেশ মানি চলে। কেন্দ্ৰই শাখা সমূহক নিৰ্দ্দেশ দিয়ে, কেন্দ্ৰৰ আশে পাশে থকা ঠাইৰ পৰিস্থিতি চাই, তাৰ ফলত অসমৰ স্বাৰ্থত ব্যাঘাত পৰিছে। ভাৰতৰ অন্যান্য প্ৰদেশ সমূহৰ দৰে ৰাজনৈতিকে হওক বা অৰ্থনৈতিকে হওঁক, অসমৰ অৱস্থা একে নহয়। আজি অসমে নিজৰ ভৰিৰ ওপৰত থিয় দিব নোৱাৰে। সদায় আনৰ ওপৰত প্ৰত্যেক অৱস্থাতে নিৰ্ভৰ কৰি আছিছে। ৰাজনৈতিক ক্ষেত্ৰত অসমীয়াই গোলামী মনোবৃত্তি লোৱাত অসম কোনো সমস্যাৰ সমাধান হোৱাত নিজেই সেই সমস্যা দূৰ কৰিব নোৱাৰা হয়।

এবেৰোৰ কাৰণতে অসমীয়া মানুহৰ মাজৰ পৰা নেতা ওলাব পৰা নাই। আন পিনে কলিকতীয়া নিখিল ভাৰত দল সমূহৰ বিবোৰ শাখা অসমতে স্থাপন হৈছে, তাৰ কৰিয়তেদি সেই দলবোৰৰ নেতাসকলৰ, অসমক বৃহত্তৰ বঙ্গত সাঙোৰাৰ এক পৰিকল্পনা আছে। এইবোৰৰ দুৰ্নীতি, শোষণ আমি বন্ধ কৰিবই লাগিব।

[ৰাইজে হাত চাপৰি দিয়ে। আন এজন বক্তাই কয় ]।

ৰাইজসকল। বঙালীসকলে বেক্কৰ জড়িয়তেদি নানা ঠগ প্ৰবঞ্চনাৰে অসমীয়া মানুহৰ মাটি খাজানা কৰিলে। যুদ্ধৰ শেষত বঙালীবোৰে অসমীয়া মানুহৰ লক্ষ লক্ষ টকা হজম কৰি অলপ্ত হল। বঙালী বেঙ্কবোৰে অসমীয়াৰ টকা লুটি লৈ গৈ বঙ্গ দেশত শিল্পৰ উন্নতি সাধন কৰিছে। আনপিনে বহু শ বঙালী পৰিয়ালক অসমত পুহি আছে। আহক আজি আমি প্ৰতিজ্ঞাবদ্ধ হওঁ বঙালী বেঙ্কবোৰ বৰ্জ্জন কৰিবলৈ বেঙ্ক বৰ্জ্জন কৰিব নোৱাৰিলে আমাৰ এনে আন্দোলন চলোৱাৰ কোনো সাৰ্থকতা নহব।

[ৰাইজে হাত চাপৰি দিয়ে আন এজনে উঠি কয় ]।

ৰাইজসকল। আগতে কৈ যোৱা বক্তাসকলৰ কথা আপোনালোকে শুনিলে। এতিয়া আমি বক্তৃতা দি থাকিলে নাইবা বক্তৃতা শুনি থাকিলে আমাৰ কাম

নহব। আজিৰ পৰা আমি আমাৰ আন্দোলন আৰম্ভ কৰিব লাগিব। বিদেশীসকলক অসমৰ পৰা বাহিৰ কৰি দি অসমক এখন শক্তিশালী দেশ কৰি গঢ়ি তুলিব লাগিব। আজিৰ পৰা আপোনালোকে বঙালীৰ লগত সহযোগিতা নকৰিব। বঙালী দোকান পোহাৰ, বেঙ্ক ব্যবসায় বৰ্জ্জন কৰক। বঙালী বাতৰি কাকত সমূহ বৰ্জ্জন কৰক। অসমৰ ভিতৰত যি কোনো চাকৰিত বঙালী মানুহ সোমোবা বন্ধ কৰক। যি সকল অনা—অসমীয়াই অসমত বাস কৰিছে তেওঁলোকে যদি অসমীয়া ভাষা কৃষ্টি গ্ৰহণ নকৰে, অসমীয়া জাতীয় স্বাৰ্থৰ হকে যুঁজে তেনেহলে তেওঁলোকক আমি অসমত বিহ মেটেকা হৈ থাকিব নিদিম।

[ "অসম—অসমীয়াৰ" ধ্বনীৰে সভা শেষ হয় ]।

[ আঁৰ কাপোৰ ]

——•.•:•——

[ মিটিং শেষ হোৱাৰ পিচত এজন ডেকাই চুঙা ফুকাই ঘোষণা
কৰি যায়। অনা অসমীয়া বাইজসকল। আজিৰ
পৰা সাত দিনৰ ভিতৰত বঙালী হিন্দী আদি
ভাষাত থকা ছাইন বোর্ড সমূহ অসমীয়া
কৰক। আপোনালোকৰ লৰা
ছোৱালীক অসমীয়া ভাষা
শিকাওঁক। আপোনা
লোকে অসমীয়া
ভাষা কৃষ্টি গ্ৰহণ কৰক।

( সন্ধিয়া দেশনেতা চৌধুৰীৰ ঘৰত নগৰৰ গণ্য মান্য
লোক কেইজনমানে দেশৰ পৰিস্থিতি সম্বন্ধে আলোচনা
কৰিছে )।

গোস্বামী—চৌধুৰী। আজিৰ মিটিঙলৈ গৈছিল নে নাই?

চৌধুৰী—মিটিঙৰ পৰায়ে আহিলো। মই পান বজাৰত এপাক
মাৰোতেই হে দেখি হল।

গোস্বামী—অসমীয়া মানুহৰ মাজত অসমীয়া জাতীয় ভাবৰ
উদয় হল। এনেকুৱা বিপুল জনতাৰ সমাগমৰ মিটিং
ৰৰ কমেই হয়।

চৌধুৰী—মানুহৰ সংখ্যা জবহৰলাল, মহাত্মা গান্ধী অহাৰ নিচিনাই হৈছিল। নহবই বা কিয় ? বঙালীসকলৰ উপদ্ৰৱ, উৎগুালীত মানুহ বৰ নোৱাৰা হৈছে।

গোস্বামী—মিটিঙটো বৰ ভাল কথাই কলে পিচে কামৰ বেলিকা হে কি হয় কব নোৱাৰো।

বৰদলৈ—যদি ডেকা দলে আন্দোলন চলায তেনেহলে জয়ী হবই। এনেবোৰ কাম গৰমে গৰমে নহলে নফলে দেখিছেই নহয বঙালী সকল এই কেইদিনতে ঠাণ্ডা হৈ গৈছে। এতিয়া বঙালী মানুহক বাটে ঘাটে দেখিবকে নোহোবা হল। এই কেইদিনতে বঙালীসকল পেপুৱা লাগিল।

চৌধুৰী—ডেকা সকলে আন্দোলন চলালে ফলাফল ভাল হব। কথা নাই। যদি আন্দোলনটো বুঢ়াৰ হাতত পৰে তেনেহলে আন্দোলন জহন্নামে যাব।

বৰদলৈ—নাই নাই এইবেলি ডেকাসকলে বুঢ়াসকলক লগত লৈ কাম নকৰে আৰু পৰামৰ্শও নলয।

চৌধুৰী—বযসস্থ মানুহক বাদ দি আন্দোলন চলালে আন্দোলনৰ জয় অনিবাৰ্য্য। অ' বাবুণ। (লৰাটোক মাতে) চাৰিখন তামোল আনা।

গোস্বামী—অম্বিকাগিৰি ৰায় চৌধুৰীৰ দ্বাৰা অসমীয়া ৰক্ষা নপৰে। বুজিছে, ডেকা দলে একো নকৰিলে একোৱেই নহয়।

চৌধুৰী—ৰায়চৌধুৰীৰ কথা থৈ দিয়ক। দুজন মানুহৰ এটা দল। তেওঁলোক দুজনেই সভাপতিও, সম্পাদকো। সভাপতি বদলিলেও সম্পাদক ৰায় চৌধুৰী চিৰস্থায়ী। বঙালীসকলৰ নিচিনা তেখেতেও ব্যক্তি কাকতৰ জৰিয়তেদি নিজৰ দল বজাই ৰাখিছে। জাতীয় মহা সভাক নিজৰ পৈতৃক সম্পত্তিৰ দৰে ব্যৱহাৰ কৰিছে। জাতীয় মহাসভাৰ হিচাব নাই, কৰ্ম্মী নাই। কিদৰে কাম কৰিব হে।

গোস্বামী—ভিতৰত কেৰোণ নেথাকিলে আজিলৈ অসম জাতীয় মহাসভা শক্তিশালী নহলহেঁতেন নে? অসমৰ মঙ্গলৰ হকে কাম কৰিবলৈ যি সকলে ইচ্ছুক হৈ জাতীয় মহাসভাত সোমায, দুদিন পিচতে ওলাই যায়। ওলাওতে সোমাওঁতে আজিলৈ জাতীয় মহাসভাত এজন কৰ্ম্মীয়ো নাই।

তাম্বুলি—ৰায় চৌধুৰী ডাঙৰীয়াই নেতৃত্ব লবলৈ অসমত আজি অসমৰ্থ হৈ পৰিছে। যদি তেওঁ অসমত জনম নধৰি আনদেশত জন্ম ললে হেঁতেন, তেনেহলে তেওঁ মহাপুৰুষৰ শাৰীত ঠাই পালেহেঁতেন। অভাৱত পৰি মানুহ জনে তেওঁৰ প্ৰতিভা বিস্তাৰ কৰিব পৰা নাই। যি জন মানুহৰ আয়ৰ বাট নাই, সেইজন মানুহে নিজেই প্ৰবন্ধ লিখে, নিজেই কম্পোজ কৰে, নিজেই ছপা কৰি উলিয়ায়। "ডেকা অসম" কাকত খন তেওঁ সেইদৰে

গ্ৰাহক কৰি, বিলাই চলাই আছে। মিটিং কৰিব লাগিলে নিজে হেণ্ডবিল ছপা কৰি বাটে বাটে বিলাই মিটিঙৰ প্ৰচাৰ কৰে আৰু তেওঁৱেই বক্তৃতা দিয়ে। মানুহ জন স্পষ্টবাদী আৰু আদৰ্শবাদী। কিন্তু তেওঁ কৰা ভুলবোৰ দেখা নেপায়, তেওঁৰ ভুল সংশোধন কৰিলে বিৰুদ্ধবাদী বুলি ভাবে।

চৌধুৰী—ৰায়চৌধুৰীক এই স্বভাৱটোৱে খাইছে। তেওঁক ভুল নেদেখা স্বভাৱটোই খাইছে। নহলেনো তেওঁক কোনে নেমানি থাকিব পাৰে ? ( ভিতৰৰ পৰা এজন লৰাই তামোলৰ বটাখন দি যায়। চৌধুৰীয়ে তামোলৰ বটাখন আন কেইজনলৈ আগবঢ়াই দিয়ে। )

গোস্বামী—আমাৰ জাতিৰো দোষ আছে হে। অসমীয়া জাতিয়ে দেশনেতা, দেশকৰ্ম্মী, মহাপুৰুষসকলক পূজিব নেজানে। আনৰ পূজা অসমীয়া জাতিয়ে কৰিব নেজানে, এই দোষতে অসমীয়াৰ মাজৰ পৰা নেতৃত্ব কৰিব পৰা কোনো ওলোৱা নাই। যি সকল মহাপুৰুষে অসমীয়া জাতিৰ জাতীয়তাৰ ভেটি বান্ধি থৈ গল তেওঁলোকো আজি অসমীয়াৰ সন্মানৰ পৰা বঞ্চিত।

তাম্বুলি—আমাৰ দেশৰ হকে আমাৰ অসমীয়া যি সকলে আজীৱন দেশসেৱা কৰি গল তেওঁলোকক কোনো সন্মান কৰিব নোৱাৰিলো। সন্মান পাওঁক দুৰৈৰ

কথা, সমালোচনা হে পালে। ওলবৰ বামুণক মুখি য়েন দেখাব দ্বৰে দেশৰ মানুহক, দেশৰ নেতাক প্ৰাপ্য সম্মানৰ পৰাও বঞ্চিত কৰে। কিন্তু অসমীয়াৰ বাহিৰে বিদেশী মানুহ সকলক মান ধৰিব বেচ জানে। কিছুমান বিদেশীলোকৰ ভিতৰ ফোপোলা হলেও মানুহে বিদেশী বুলিয়েই প্ৰতিভাপন্ন বুলি ভাবি দূৰতে সেৱা জনায়। এনেবোৰ গোলামী প্ৰবৃত্তি আমাৰ মানুহৰ আছে।

চৌধুৰী—এই আন্দোলনৰ পৰা তেনে মনোবৃত্তি বোধকৰো আতৰ হব ?

গোস্বামী—আমাৰ জাতিৰ কুসংস্কাৰ, গোলামী মনোবৃত্তি যদি পৰিবৰ্ত্তন নহয় তেনেহলে যিমানেই আন্দোলন নকৰক একো নহব।

বৰদলৈ—অসমীয়া জাতিৰ কথা কিমান কব ? ই এটা পঙ্গু জাতি। ইংৰাজ আহি সোমোৱাৰ লগে লগে অসমৰ মাটি উপযোগী দেখি কানি বিহুৰ খেতি কৰিলে। যেতিয়াই বাইজে কানিৰ মজা পালে কানি আৰু এৰিব পাৰেনে ? কানি খাওঁতে অসমীয়া মানুহে বল সাহস, একাগ্ৰতা সকলো হেৰুৱালে। সেই কানিৰ বাগিয়ে কি খোৱা, নোখোৱা সকলোকে স্পৰ্শ কৰিলে। তাৰ ফলতে আজি আমাৰ এই অৱস্থা। বল নোহোৱাৰ কাৰণে আমি হৈছো অহিংসবাদী নিজে কৰিব নোৱাৰাত আমি হৈছো কুটিল। কোনোৱে

কিবা কৰিলেও অলপ সময় গৰগৰাই অলপ পিচ
সাম কাটো। সঁচাকৈ অসমীয়া জাতিৰ দৰে যা
পৃথিবী খনেই হ'লহেঁতেন, তেনেহলে পৃথিবীত এ
অশান্তিৰ জুই নজ্বলিল হেঁতেন। বৰং গোটেই পৃথিবী
শান্তি বিৰাজ কৰিলে হেতেন। চাওঁক, গোটেই ভা
ত সাম্প্ৰদায়িক সংঘৰ্ষ হল, কিন্তু অসমত নহ'ল
। কাৰণ, অসমীয়া মানুহ নিজ্জু বা সবল এনেতে
নহয়। দপ্ দপ্ কৈ সাম্প্ৰদায়িক বিদ্বেষ ভাবে অসম
হিন্দু মুছলমানৰ তেজ-মনক উত্তলালে, কিন্তু অসমীয়া
যে সংঘৰ্ষত যোগ নিদিলে মুঠতে অসমীয়া জাতিৰ দা
যদি পৃথিবীখন হ'লহেতেন, তেনেহলে পৃথিবীত মহাসম
সাম্প্ৰদায়িক সংঘৰ্ষ আদি নহ'লহেতেন। বেচ্ আকা
ভড়াল নোহোৱা নন্দন কানন হ'লহেঁতেন।

(আটাই কেইজনে হাঁহিৰ খলকনি তোলে)

গোস্বামী—এতিয়া যাওঁ বলক।

আঁৰ কাপোৰ।

[ অসমীয়া জাতিৰ জাতীয় প্ৰতিষ্ঠাৰ আন্দোলনত বঙালী সকল
পেঁপুৱা লাগিল আৰু তেওঁলোকৰ বৃহত্তৰ বঙ্গৰ সপোন
ভাঙিল। অসমত বঙালীসকলে অসমীয়া ভাষা
কৃষ্টি গ্ৰহণ কৰিব লগা হোৱাত বাধ্য হৈ যি
সকল গোড়া বঙালী আছিল তেওঁলোকে
অসম ত্যাগ কৰিলে। সৰ্ব্বসাধাৰণ
বঙালী সকল বৃহৎ অসমীয়া
জাতিযতাত লীন
গ ল ]।

( গধূলী সময়ত বৃহত্তৰ বঙ্গৰ সপোনত উন্মত্ত বঙালী নেতা সেনৰ ঘৰত নেতৃস্থানীয় বঙালীসকলৰ সমাগম। তেওঁলোকৰ মাজত অসমত থকা নথকা সম্বন্ধে আলোচনা )।

চেটাৰ্জী—আমাৰ আৰ আসামে থাকা হলো না। এখানে থাকলে আসামীদেৰ হাতেই আমাৰ সৰ্ব্বস্ব দিতে হবে। তাৰ চেয়ে জীৱনেৰ বাকী দিন গুলি বাংলাৰ সেৱাই কাটিয়ে বাংলাই মৃত্যু বৰণ কৰব। ভেবে ছিলুম্ জীৱনেৰ শেষেৰ দিন গুলিও আনন্দেই হইবে।

কিন্তু আসামীদের গোঁড়ামির জন্য সেটা হলো না যাইহউক, আসামে জন্ম নিয়ে বর হইলাম, আসামে বাঙালী ভাষার প্রচলন করলাম, বাঙালী হাইস্কুল স্থাপন কর্‌লাম, সেটাই আমাদের গৌরব।

সেন—দেখ্‌চি আমাকেও যেতেই হবে। বাংলা বিভক্ত হওয়াই আসামীরা সুযোগ পাইল। বাংলা বিভক্ত না হইলে আসামী দিগকে একবার দেখতাম। এখানে দেখব আসামকে যাতে পাকিস্থানের ভিতর নেওয়া যায়, তার জন্যই চেষ্টা করব। আসামকে চাড়ব না। তা নাহইলে আমার সম্পত্তি গুলি জ্বালিয়ে দিয়ে বাংলার কোন এক প্রান্তে চলে যাবো।

চেটার্জ্জী—আসামে আমি মাত্র একজন লোক রয়েছিলাম্‌ যি নাকি জীবনে আসামী ভাষাই কথা বলিতামনা। এবং আসামীদের দোকানে কোন কিছু জিনিচ কিন্‌তে চাইনি আজ আমি চিরকালের জন্য চল্‌লাম্‌। হয়তো এই জীবনে আপ্‌নাদের চাখে দেখা না হতেও পারে।

সেন—আমাদের ভুল হয়েছিল অনেক কিছু। আমাদের ভুলের জন্য এমন হইল। আসামীদের চাথে আসামী ভাষা বলেছি, আসামীদের অনুষ্ঠানে সাহার্য্য করেছি কিন্তু আজ থেকে প্রতিজ্ঞা কর্‌লাম্‌ আসামী ভাষা কখনো বলব না, আসামীদিগকে কোনো রকম সাহার্য্য করব না।

চেটার্জ্জী—আমি পরশু দিন যাত্রা করব। কাল হয়তো কাজের ভীরে দেখা না হতেও পারে, সে জন্য আজ্‌কেই বিদায় নিলাম। আম্‌রা দুর্ব্বল, পঞ্চান্নিচ্‌ লাখ বঙালীলোক না খেয়ে মর্‌ল, আর কত লোক হাঙ্গামাই মরল! সব চেয়ে হলো দুংখের কথা সোণার বাংলা বিভক্ত। যারা বাঙালীর আজ্ঞার চিরদিন অধীন ছিল, আজ্‌ তারাও মুরতোলে উঠেছে। বিহার উরিষ্যাই, দার্জ্জিলিঙে, আসামে প্রবল ভাবে গড়ে উঠেছে বাঙালী বিদ্বেষী আন্দোলন। বাংলার দুর্ভাগ্য। এখন চললাম। নমস্কার!

(প্রস্থান)

বসু—আসামীলোক এবং আসাম চরকার যে ক্ষেচিষ্ট নীতি নিয়েছে আর আসামে থাকা চলেনা। আমাদের বঙালীলোকেই খারাপ। সামান্য ভয় এবং লোভের জন্য আসামীদের স্বার্থে আসামী হয়ে গেল। এখন দেখ্‌ছি সব্‌ বাঙালী লোক চলে গেল। এবং যারা রয়েচে তারাও আসামী হয়ে গেছে। আমাদের আর থাকা চলবে না। আমার সম্পত্তি, বারী ঘর, কিছুটাই বিক্রী করতে পারলাম না।

গাঙ্গুলি—আমি কালকে যাবার ঠিক করেছি। বারী ঘর আমাদেরই বাঙালীলোক একজনের কাছে বিক্রী করলাম। আপনার কাছে বিদায় নেবার জন্য এচেছি।

সেন—আসামের ওপর কত বর সম্পত্তি করে আজকে চেরে চলে যাবার বাধ্য হইলাম। কি একটা বর সম্পত্তি করেছিলাম। আমার সম্পত্তির মত আসামীদের একজন লোকেরো ছিলনা। ভগবান সম্পত্তি ভোগ করতে দিল না।

লাহিড়ী—আমাদের কোনদিন আসাম ত্যাগ করতে হবে, এই সম্বন্ধে আমি কল্পনাই করিনি। যখন আসামীদের মধ্যে বাঙালী বিদ্বেষী আন্দোলনের সূত্রপাত হলো, তবে আর হলো না। আমি অনেক আসামী লোককে জিজ্ঞাসা করেছিলাম, আসামীরা বলেছিল, এই আন্দোলন কয়েকজন লোক করেছে, কয়েক দিনের মধ্যে ঠাণ্ডা হইয়া যাইবে। অনেক আসামীলোক এই আন্দোলনের বিরুদ্ধে ছিল, তারা হেরে গেল। আমার সম্পত্তি জমি চরটাই আসামীদের দখলে রয়ে গেল।

(আর কাপোর)

— — —

## নৱম দৃশ্য

[ বঙালী সকলে টালি-টোপোলা, সা-সম্পত্তি লৈ অসম ত্যাগ কৰিব ধৰিলে। যোৱাৰ সময়ত কামাখ্যা দেৱীক দূৰৈৰ পৰা মা কামাখ্যা বিদায়" বুলি প্ৰণাম জনাই গ'ল। বৃহত্তৰ বঙ্গৰ সপোনত বিভোৰ হৈ যি দলে অসমক বৃহত্তৰ বঙ্গৰ অন্তৰ্ভুক্ত কৰিবলৈ আত্মহাৰা হৈছিল তেনেদলে ভাগ্য বিপৰ্য্যয়ৰ ফলত চকুলো টুকি টুকি অসমৰ পৰা বিদায় লবলৈ বাধ্য হ'ল। ]

[ যি সকল বিদেশীয়ে ৰক্ত পিপাসুৰ বেশ ধৰি অসমত প্ৰবেশ কৰি অসমীয়াৰ তেজ চুপিবলৈ লাগিল, তেওঁলোককো সময়ে অসম ত্যাগ কৰিবলৈ বাধ্য কৰালে। বিদেশৰ কোনো ষড়যন্ত্ৰই গা-কৰি উঠিব নোৱাৰিলে। মাটি সম্পত্তি ধন-দৌলত অসমীয়াৰ হাতত অৰ্পণ কৰি নিজ নিজ দেশলৈ যাত্ৰা কৰিলে। ]

আৰ কাপোৰ

## দশম দৃশ্য

[ অসমত বিদেশীৰ শোষণ বন্ধ হ'ল। অসম
নদন বদন হৈ উঠিল। নতুন অসমক
গঢ়ি তোলা সম্বন্ধে অসমৰ নগৰে
চহৰে গাঁৱে ভুঁএৱে আলো
চনা হ'ল। ]

[ সদৌ অসমৰ প্ৰতিনিধি সভা বহে। ৰাজহুৱা সভাত জনতাৰ সমাগম। প্ৰতিজন অসমীয়াই আনন্দত বুকু ফুলাই আছিছে নতুন অসম গঢ়িবলৈ। সভাৰ মাজৰ পৰা উদ্যোক্তা এজনে থিয় হৈ বক্তৃতা দিয়ে ]

ৰাইজ সকল। আজি আমাৰ নতুন দিন। আজি আমি বিদেশীৰ শোষণৰ কবলৰ পৰা মুক্ত। দীৰ্ঘকাল বিদেশীৰ শোষণে অসমৰ অৱস্থা নিচেই নিচলা কৰি থৈ গৈছে। আজি আমি নিচলা অসমক নকৈ গঢ়ি তুলিব লাগিব। নতুন অসমক কি দৰে গঢ়া হব তাৰ বিষয়ে আলোচনা কৰা হব। আলোচনাত প্ৰতিজন লোকে অংশ গ্ৰহণ কৰে যেন।

আমাৰ হাতত প্ৰায় সমুহ ঠাইৰে মুখ্য ব্যক্তি সকলৰ পৰিকল্পিত আচনি আহি পৰিছে। সমুহ আচনিকে আমাৰ প্ৰতিনিধি সভাত পাঠ কৰা হৈছে আৰু প্ৰতিনিধি সভাত তন্ন তন্নকৈ আলোচনা কৰি অনা হৈছে। এতিয়া আমি আচনি সমুহ আপোনালোকক পাঠ কৰি শুনাম। আপোনালোকৰ কোনো আপোত্তি থাকিলে জনাব। আমি সংশোধন কৰিবলৈ বাধ্য থাকিলো। এতিয়া সভাৰ কাম আৰম্ভ কৰা যাওঁক। আজিৰ সভাৰ সভাপতিত্ব কৰিবলৈ শ্ৰীযুত বড়া ডাঙৰীয়াৰ নামটি প্ৰস্তাৱ কৰিলো। আশা কৰো তেখেতে সভাপতিৰ আসন গ্ৰহণ কৰি সভাৰ কাম সুচাৰু ৰূপে চলাব।

( এজনে উঠি প্ৰস্তাবটি সমৰ্থন কৰে, আৰু সমজুৱা সকলে কৰতালিৰে সৰ্ব্ব সম্মতি জনায়। )

বড়া—আপোনালোকৰ আদেশ শিৰোধাৰ্য্য কৰি আসন গ্ৰহণ কৰিলোঁ।

চৌধুৰী—সভাপতি মহোদয়, উপস্থিত সুধী মণ্ডলী। আজি আমি ৰক্ত পিপাসু বৃটিচৰ হাতৰ পৰা মুক্ত। চিৰ সঙ্গিনী চিলেটীয়াৰ বাঘনখৰ খামোচৰ পৰা হাত এৰাইছো। বঙালী সকলৰ অত্যাচাৰ, আক্ৰমণ, ষড়-যন্ত্ৰ, বিদেশী দালাল চোৰা, বেপাৰী সকলৰ শোষণৰ পৰা নিস্কৃতি পাইছো। জাতীয়তাৰ ধ্বনি তুলি ভিন্ন ভিন্নকৈ ঠগ প্ৰবঞ্চনা কৰা ভাৰতীয় সকলৰ ধৰ ঘৰৰ পেটৰ পৰাও হাত সাৰিলোঁ। ৰাহু কেতুৰ গ্ৰাসলৈ আৰু

ভয় শঙ্কা নাই। অমারঞ্জাৰ এক্কাবে আক আমাক নেপাই। দেশ গঠনৰ গুৰিতে, আজিৰ সভাতে অসমত বাস কৰি থকা প্ৰবাসী, খিলিঞ্জীয়া ভাই সকলক আহ্বান জনাও, অসমীযাৰ স্বাৰ্থৰ লগত মিলি, অসমীয়া ভাষা কৃষ্টি গ্ৰহণ কৰি অসমীয়াক বৃহৎ জাতি হিচাবে গঢ়কহি। আমি সকলোৱে এক ভাই ভাই হৈ সুস্থ সবল জাতি গঢ়ো আহক।

আমি পাইছো স্বকীযাকৈ অসম ৰেলওৱে। এতিয়া আমি ইয়াৰ পৰিসৰ বৃদ্ধি কৰি গাৰো পাহাৰৰ পৰা উত্তৰ সীমান্তলৈ যাতায়তীৰ সুচল কৰি তুলিব লাগে। আমাৰ হাইকোৰ্ট প্ৰতিষ্ঠা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয স্থাপন হৈছে। সাধাৰণ বিষয সমূহত আমি কাৰো মুখলৈ চাব নেলাগে। চিকিৎসা বিজ্ঞান ইঞ্জিনিয়াৰিং কলেজ আদি অনুষ্ঠান আমাৰ স্থাপন হৈছে। বৰ্ত্তমানে আমি শিক্ষাদি বিষয়ৰ কাৰণে কোনো ৰাজ্য বা প্ৰদেশৰ ওচৰত মূৰ দোৱাব নেলাগে। এতিয়া আমাৰ কৰ্ত্তব্য হ'ল এই সমূহ অনুষ্ঠানক চিৰস্থায়ী ভাবে শক্তিশালী কৰি গঢ়ি তোলা। এই ক্ষেত্ৰত লাগিব আমাৰ সকলোৰে সহযোগিতা।

দেশ এখন গঢ়ি তুলিব পাৰি শাসন তন্ত্ৰ যোগেহি শাসন তন্ত্ৰই দেশক, জাতিক আকাৰ দি গঢ়ি লৈ যায়। গতিকে আমি শাসন তন্ত্ৰৰ সংস্কাৰ সাধিব লাগিব গোৰ এখনে

বৰ্ত্তমানৰ শাসন ব্যৱস্থাত মুষ্টিমেয় এদল লোকৰ বাহিৰে, জনসাধাৰণৰ মাত নাই। এনে ভুৱা গণতান্ত্ৰিক শাসন প্ৰদ্ধতিৰ অন্ত পেলাই প্ৰকৃত গণতন্ত্ৰৰ আহিৰে ৰচনা হব লাগিব। এই শাসন তন্ত্ৰ হব পঞ্চায়তী ভিত্তিত। প্ৰতিখন গাৱঁতে গাওঁ পঞ্চায়ত গঠিত হব লাগিব, গাওঁ পঞ্চায়তে মৌজা পঞ্চায়ত গঠন কৰিব, মৌজা পঞ্চায়তে জিলা পঞ্চায়ত গঠন কৰিব লাগিব আৰু জিলা পঞ্চায়তে গঠন কৰিব ৰাজ্যিক পঞ্চায়ত। ৰাজ্যিক পঞ্চায়তে গাও পঞ্চায়ত পৰিচালনা কৰিব নোৱাৰিব, গাও পঞ্চায়তে ৰাজ্যিক পঞ্চায়ত পৰিচালনা কৰিব। পঞ্চায়তী শাসন ব্যৱস্থাই প্ৰতিজন ব্যক্তিক গঢ়ি তুলিব উপযুক্ত নাগৰিক ভাবে আৰু প্ৰাতজন নাগৰিকে শাসন ব্যৱস্থাৰ অংশ গ্ৰহণ কৰিব পাৰিব। অচিৰেই দেশত পঞ্চায়তী শাসন প্ৰবৰ্ত্তাবলৈ আমি প্ৰত্যেকে উদযোগী হব লাগে।

ইংৰাজ চৰকাৰে অসমত ঔদ্যোগীক অনুষ্ঠান স্থাপন কৰাৰ যেনে বিৰোধাতা কৰিছিল ভাৰতৰ আন আন ৰাজ্য সমুহেও অসমত ঔদ্যোগীক অনুস্থান পতাৰ এশ এটা যুক্তিৰে বিৰোধীতা কৰে। এতিয়া আমাৰ স্বাধীনতাত কাৰো একতিয়াৰ নাই, আমি আমাৰ ব্যৱসাই শিল্প গঢ়ি তুলিব লাগিব নিজ হাতেৰে। পেট্ৰোলিয়াম কেৰাচিনৰ খাদ আৰু শোধানাগাৰ, কয়লা খাদ ৰাষ্ট্ৰীয়কৰণ কৰিব লাগব। লগে লাগে অসমৰ প্ৰধান খেতি চাহ বাগিছা সমুহো ৰাষ্ট্ৰীয় কৰণ কৰিব লাগিব। আমি নকৈ পেট্ৰোলিয়াম কয়লাৰ খাদ অনুসন্ধান কৰিব লাগিব, চুণশিল

চিমেণ্ট তৈয়াৰীৰ কাৰখানা, কাগজ, চেনি, কাপোৰ, মৰাপাট আইনা তৈয়াৰীৰ কাৰখানা আদি ৰাষ্ট্ৰৰ তৰফৰ পৰা স্থাপন কৰিব লাগিব। যি সমূহ শিল্প আমাৰ স্থাপন হোৱা নাই অনতি পলমে ৰাষ্ট্ৰীয় স্বাৰ্থ পুৰণৰ অৰ্থে স্থাপন কৰিব লাগিব। আনহাতে দেশৰ কুটীৰ শিল্প সমূহো সঞ্জীবিত কৰি তুলিবলৈ যত্নপৰ হব লাগিব।

যুগ যুগ ধৰি দেশ অবহেলিত হৈ থকাত দেশৰ স্বাস্থ্য শিক্ষা, কৃষি, আলি-পদূলিৰ ব্যৱস্থা অতি দুখ জনক হৈ আছে। সৰ্ব্বতিকাল ধৰি আমাৰ গাৱঁলীয়া ভাই সকলে পানীটোপাৰ কাৰণে নানা নিকাৰ ভুগি আছে। আমি এতিয়া সকলো বোৰ বিষয়ে চকু দি সমস্যা সমাধান কৰিব লাগিব।

শিক্ষা বিষয়ৰ লগতে সাহিত্য কৃষ্টি বিদ্যালয়ৰ হাতত ন্যস্ত কৰি দেশৰ সাহিত্য সম্পদ বঢ়াবৰ ব্যবস্থা কৰিব লাগিব।

ৰাইজ সকল। দেশ এখন গঢ়া এজন বা দুজনৰ কল্পনাৰ বিষয় নহয়। যি দৰে প্ৰতিজন নৰ নাৰীৰ আশাশুধীয়া পৰিশ্ৰমত দেশৰ স্বাধীনতা আহিল এতিয়া সেইদৰে প্ৰতিজন ব্যক্তিয়ে দেশৰ বিষয়ে চিন্তা কৰিব লাগিব, পৰিশ্ৰম কৰিব লাগিব। নমস্কাৰ।

( বক্তাজন বহাৰ লগে লগে সভাই হাত চাপৰি দিয়ে। )

সভাপতি—ৰাইজসকল, আজিৰ এই সভাত আমি প্ৰাৰম্ভিক আচনি কেইখনমান হে হাতত লৈছো। আমি দেশ গঢ়িবলৈ হলে সমগ্ৰ অসমৰ চুকে কোনে থকা, গাওঁ নগৰ চহৰৰ বিজ্ঞ-অভিজ্ঞ প্ৰবীন দেশ প্ৰাণ সকলৰ

পদ্মমশ গ্ৰহণ কৰি আচনি প্ৰস্তুত কৰিব লাগিব যাদ্যহতে আমাৰ প্ৰাৰম্ভিক কাৰ্য্য চলাবলৈ অস্থায়ী কমিটি গঠন কৰি • দেশ শাসন আৰু সংগঠনৰ পাণ্ডুলিপি প্ৰস্তুত কৰা হওক । আমি দেশৰ স্বাধীনতা যি শক্তিৰে আৰ্জন কৰিছো দেশ ৰক্ষা কৰিবলৈ অধিক শক্তিৰ আৱশ্যক হব । লঙ্কা, মালয়, ব্ৰহ্মদেশ ইণ্ডোনেচিয়া আদি দেশে যদি স্বাধীনতাৰ বিজয় ধ্বজা উৰুৱাব পাৰে আমি কিয় নোৱাৰিম ? স্বাধীন দেশ হিচাবে আমি কিয় জীয়াই থাকিব নোবাৰিম আমাৰ নাই কি ? অসমৰ অতীত ইতিহাসৰ পিনে চকু মেলি চাওঁক, আমি বুকু ডাঠি বিশ্বদৰবাৰত ঠিয় হব পাৰিম । আমি হেৰোৱা ধন ৰত্ন ঐশ্বৰ্য্য বিভূতি, সাহিত্য কলা কৃষ্টি পুনৰ ফিৰাই আনিব পাৰিম । ৰাইজ, প্ৰত্যেকে দৃঢ় প্ৰতিজ্ঞ হওক, প্ৰত্যেকে দৃঢ় সংকল্পী হওঁক, আমি কম সময়তে আমাৰ দেশক শক্তিমন্ত কৰি গঢ়ি তুলিব পাৰিম । ৰাইজ সকল, বাতি হৈ আহিল । জাতীয় সঙ্গীত গোৱাৰ পিচতে সভা ভঙ্গ কৰা হব । এতিয়া সকলোৰে জাতীয় সঙ্গীত গাও আহক ।

“অ’ মোৰ আপোনাৰ দেশ
অ’ মোৰ চিকুনী দেশ
এনেখন সুৱলা
এনেখন শুৱলা
এনেখন মৰমৰ দেশ ।

অ' মোৰ সুৰীয়া মাত
অসমৰ সুৰদী মাত
পৃথিবীৰ ক তো
বিচাৰি জনমটো
নোপোৱা কৰিলেও পাত।
অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ এবাৰ
মুখনি তোমাৰ
হেঁপাহ মোৰ পলোৱা নাই।"

**অসম অসমীয়াৰ!**
**জয় অসমীয়াৰ জয়!!**
**স্বাধীন অসম জিন্দাবাদ!!!**

—অন্ত —